বিনামূলীয়া পাঠ্যপুথি

# আমাৰ চৌপাশৰ পৰিৱেশ

## প্ৰথম ভাগ

তৃতীয় শ্ৰেণীৰ বাবে



বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ

# ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিবলৈ কেনেদৰে QR Code ব্যৱহাৰ কৰিব ?

DIKSHA




আপোনাৰ মোবাইলৰ ব্ৰাউজাৰত diksha.gov.in টাইপ কৰক আৰু tap button স্পৰ্শ কৰক ।

অথবা




Google Play Store ত DIKSHA search কৰক আৰু App টো ডাউনলড কৰিবলৈ Install Button টো স্পৰ্শ কৰক

## মোবাইলত QR Code ব্যৱহাৰ কৰি কেনেকৈ ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিব পাৰি




1. অগ্ৰাধিকাৰ দিয়া ভাষাটোক নিৰ্বাচন কৰক
2. আপোনাৰ ভূমিকা বাছনি কৰক- ছাত্ৰ/ শিক্ষক/অন্য
3. QR Code Scan কৰিবলৈ QR ক'ডৰ আইকনটোত স্পৰ্শ কৰক
4. প্ৰৱেশ অনুমোদন কৰক আৰু এপ ব্যৱহাৰৰ অনুমতি দিয়ক
5. পাঠ্যপুথিৰ QR Codeত Camera কেন্দ্ৰীভূত/ দৃষ্টিপাত (Focus) কৰক
6. QR Code সম্পৰ্কিত হৈ থকা বিষয়বস্তু প্ৰদৰ্শন কৰিবলৈ ক্লিক কৰক

## Desktop অত QR Code ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কেনেদৰে উপলব্ধ কৰিব পাৰি



QR Codeৰ তলত আপুনি ৬টা আংকবিশিষ্ট সংখ্যাটো (ডায়েল কোড) দেখিব



আপোনাৰ ব্ৰাউজাৰত https://diksha.gov.in/as/get টাইপ কৰক



৬ অংকৰ ডায়েল ক'ডটো আপোনাৰ Desktopৰ চাৰ্চবাৰডালত লিখক



উপলব্ধ বিষয়বস্তুৰ তালিকা নিৰীক্ষণ কৰক আৰু নিজৰ পছন্দৰ বিষয়বস্তুত ক্লিক কৰক



# আমাৰ চৌপাশৰ পৰিৱেশ

প্ৰথম ভাগ

(পাঠ্য তথা অভ্যসন পুথি)

তৃতীয় শ্ৰেণীৰ বাবে

প্ৰণয়ন

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

নাম ঃ ..........................................................................................

বিদ্যালয়ৰ নাম ঃ ...............................................................................

...............................................................................

শ্ৰেণী ঃ ..........................................................................................

বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ

**AMAR CHAUPASHAR PARIBESH** (Environment Around Us) : Part-I: A textbook cum workbook for class III in Assamese medium developed by SCERT, Assam, through workshop, approved by the Government of Assam and published by the Assam State Textbook Production and Publication Corporation Limited, Guwahati on behalf of Govt. of Assam.

FREE TEXTBOOK

---

All right reserved : No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the copyright authorities.

গ্ৰন্থস্বত্ব ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ ২০২৪ চন

ঃ 70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি।

প্ৰকাশক ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

মুদ্ৰক ঃ ডি.ডি. এছ্ ক্ৰিয়েটছ্<br>গুৱাহাটী- ৩৫

**ডাঃ ৰনোজ পেগু**, এম. বি. বি. এছ
মন্ত্ৰী, অসম

শিক্ষা, ভৈয়াম জনজাতি আৰু
পিছপৰা শ্ৰেণী কল্যাণ বিভাগ



# শুভেচ্ছাবাণী...

বিদ্যায়তনিক শিক্ষাৰ প্ৰধান আহিলা হৈছে পাঠ্যপুথি। পাঠ্যপুথিৰ মাজেৰেই ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ অন্বেষণ কৰে। ছাত্ৰ-ছাত্ৰীসকলেই আমাৰ ৰাজ্যৰ তথা আমাৰ দেশৰ ভৱিষ্যতৰ মূল সম্বল। মানৱ সভ্যতাৰ ধাৰা শিক্ষাৰ দ্বাৰাই প্ৰভাবান্বিত হয়। এই উপলব্ধিৰেই বৰ্তমান চৰকাৰে শিক্ষা ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

বৰ্তমানৰ ৰাজ্য চৰকাৰে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সফলতা অৰ্জন আৰু জীৱনৰ লক্ষ্য পূৰণ তথা ৰাজ্যৰ কল্যাণৰ হেতুকে আগুৱাই যোৱাৰ বাবে বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰি আছে। 'প্ৰজ্ঞান ভাৰতী'ৰ অধীনস্থ বিনামূলীয়া পাঠ্যপুথিৰ অধীনত 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া পাঠ্যপুথিৰ অবিৰত যোগান ধৰি আহিছে। ২০২০ চনৰ পৰা আমাৰ চৰকাৰে এই আঁচনি স্নাতক শ্ৰেণী পৰ্যন্ত সম্প্ৰসাৰিত কৰি আহিছে। সমগ্ৰ ৰাজ্যত উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত নামভৰ্তিকৰণৰ মাচুল ৰেহাইৰ ঘোষণাৰে এক যোগাত্মক পদক্ষেপ লৈ থকা হৈছে। সমাজৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। লগতে মাধ্যমিক স্তৰতো ছাত্ৰ-ছাত্ৰীক সমৱেশ (ইউনিফৰ্ম) যোগান ধৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। 'আনন্দৰাম বৰুৱা আঁচনি'ৰ জৰিয়তে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক 'লেপ্‌টপ্' বা তাৰ বিনিময়ত আৰ্থিক অনুদান আগবঢ়োৱা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ বাট সেন্দুৰীয়া কৰি তোলাৰ মহান উদ্দেশ্য সাৰোগত কৰি ৰূপায়ণ কৰি অহা 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ অন্তৰ্ভুক্ত বিনামূলীয়া পাঠ্যপুথি যোগানৰ দৰে পবিত্ৰ কৰ্মযজ্ঞ সম্পাদন কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ তথা অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ কৰ্মতৎপৰতাক মই শলাগ লৈছো। শিক্ষাৰ্থীসকলে নিৰলস জ্ঞান আহৰণৰ যজ্ঞত আত্মনিয়োগ কৰি ৰাষ্ট্ৰৰ সম্পদৰূপে নিজকে গঢ়ি তুলিব বুলি মই আশা ৰাখি আন্তৰিকতাৰে শুভেচ্ছা জ্ঞাপন কৰিলো।

(ডাঃ ৰনোজ পেগু)
শিক্ষামন্ত্ৰী, অসম

# পাতনি

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমে 'ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০'ৰ আধাৰত প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পূৰ্বৰ 'আমি আৰু আমাৰ পৰিৱেশ' পাঠ্যপুথিখন বৰ্তমান 'আমাৰ চৌপাশৰ পৰিৱেশ' নামেৰে নতুনকৈ নামকৰণ কৰি প্ৰস্তুত কৰি উলিয়াইছে।

'আমাৰ চৌপাশৰ পৰিৱেশ' বোলোঁতে আমাৰ চাৰিওফালে থকা স্থানীয় অথবা থলুৱা বিষয়কো সামৰি লোৱা হয়। বৰ্তমান সময়ত আমাৰ পৰিৱেশত নানা ধৰণৰ ঘটনা-পৰিঘটনা ঘটিয়েই আছে; সেই বিষয়ত গুৰুত্ব দি কিছুমান প্ৰাসংগিক তথ্য পাঠ্যপুথিখনত সন্নিবিষ্ট কৰা হৈছে, যিবোৰে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিৰ জ্ঞানৰ উপৰি অভিজ্ঞতাভিত্তিক জ্ঞান আহৰণত সহায় কৰিব।

ভাৰতবৰ্ষ এখন প্ৰাচীন পৰম্পৰাৰে সমৃদ্ধ দেশ। ভাৰতীয় পৰম্পৰাৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক পৰিচয় কৰাই দিবলৈ প্ৰয়াস কৰি পুৰণি সা-সামগ্ৰী, সাজ-পাৰ, খেলা-ধূলাৰ বিষয়ে তুলনামূলকভাৱে পাঠত উল্লেখ কৰা হৈছে। মূল্যবোধৰ শিক্ষা ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক আধাৰ। ছাত্ৰ-ছাত্ৰীসকলৰ মনত তেনে ভাৱধাৰাৰ উদ্ৰেক ঘটাবলৈ জ্যেষ্ঠজনক সন্মান, শ্ৰদ্ধা-ভক্তি কৰা, জীৱ-জন্তুৰ প্ৰতি মৰম ভালপোৱাৰ কথা পাঠত উল্লেখ কৰা হৈছে।

পাঠ্যপুথিখনত বিভিন্ন ধৰণৰ খেলা-ধূলা, শিল্প-কলা আদি বিষয়সমূহ সমন্বিত শৈক্ষিক পাঠ হিচাপে সন্নিবিষ্ট কৰা হৈছে। এই বিষয়সমূহে যাতে শ্ৰেণীকোঠা আনন্দদায়ক কৰি তোলে আৰু কলা আৰু ক্ৰীড়া সমন্বিত শ্ৰেণীকোঠা হিচাপে গঢ়ি তোলে, তাৰ প্ৰতিও দৃষ্টি দিয়া হৈছে। পাঠ্যপুথিখনৰ বৰ্ণশুদ্ধিৰ ক্ষেত্ৰত বিশেষকৈ 'চন্দ্ৰকান্ত অভিধান' আৰু 'অসমীয়া হেমকোষ'কে আধাৰস্বৰূপে গ্ৰহণ কৰা হৈছে।

পাঠ্যপুথিখন প্ৰস্তুতকৰণত শৈক্ষিক বিষয়াসকলৰ উপৰি বিভিন্ন ক্ষেত্ৰত দক্ষ ব্যক্তিসকলৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায় লোৱা হৈছে। তেওঁলোকলৈ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত, শিক্ষাহিতৈষী তথা শিক্ষক সমাজে পাঠ্যপুথিখনত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটি তথা আসোঁৱাহবোৰ আঙুলিয়াই দি গঠনমূলক পৰামৰ্শ আগবঢ়াই উত্তৰোত্তৰ সংশোধনৰ পথ প্ৰশস্ত কৰিব বুলি আশা কৰিলোঁ।

(ড° নিৰদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-১৯

# পাঠ্যপুথি প্ৰস্তুতকৰণৰ বিভিন্ন পৰ্যায়ত জড়িত ব্যক্তিসকল

## উপদেষ্টা

**ড° নিৰদা দেৱী, সঞ্চালক**
**ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম**

## পাঠ্যপুথি প্ৰস্তুতকৰণৰ কৰ্মশালাত অংশগ্ৰহণ কৰা ব্যক্তিসকল

শ্ৰী মনস্বী গোহাঁই, প্ৰশিক্ষণ পৰিদৰ্শক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
শ্ৰী হেমশিখা তালুকদাৰ, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
শ্ৰী জাহ্নবী বৰগোহাঁই, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
শ্ৰী ডেইজী গগৈ, অধ্যক্ষ, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নগাঁও
শ্ৰী মিতালী মহন্ত, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ মহানগৰ
শ্ৰী পাপৰি গগৈ, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নগাঁও
ড° মধুমিতা শৰ্মা, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, দৰং
শ্ৰী প্ৰশান্ত শইকীয়া, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ
শ্ৰী মিতালী বৰা, সহকাৰী শিক্ষয়িত্ৰী, নৰ্মাল স্কুল, নগাঁও

## অলংকৰণ

শ্ৰী শংকৰ কলিতা, চিত্ৰশিল্পী, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
শ্ৰী মৃগেন্দ্ৰ কুমাৰ দাস, হস্তকলা প্ৰশিক্ষক, নৰ্মাল স্কুল, যোৰহাট
শ্ৰী মণিদীপ বৈশ্য, চিত্ৰশিল্পী, সৰুমটৰীয়া, গুৱাহাটী

## পুনৰীক্ষক

ড° অৱনী কুমাৰ ভাগৱতী, অৱসৰপ্ৰাপ্ত অধ্যাপক
ভূগোল বিজ্ঞান বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° অজন্তা ব্ৰহ্ম, অতিৰিক্ত সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
ড° সুমনা ৰয়, অৱসৰপ্ৰাপ্ত অতিৰিক্ত সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
শ্ৰী লক্ষ্মীকান্ত দাস, অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

## ভাষা বিশেষজ্ঞ

শ্ৰী ৰূপালী হাজৰিকা বৰুৱা, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বিশ্বনাথ
ড° ৰঞ্জুশ্ৰী গোস্বামী, সহযোগী অধ্যাপক,
হাফলং চৰকাৰী মহাবিদ্যালয়

## সমন্বয়ক

**শ্ৰী বৰ্ষা শইকীয়া,** যুটীয়া সঞ্চালক,
ৰাজ্যিক শিক্ষা- গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
**শ্ৰী মনস্বী গোহাঁই,** প্ৰশিক্ষণ পৰিদৰ্শক,
ৰাজ্যিক শিক্ষা -গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

## ডিটিপি

আফতাব আহমেদ

# শিক্ষক- শিক্ষয়িত্ৰী আৰু অভিভাৱকৰ প্ৰতি

‘ ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখা, বিদ্যালয় শিক্ষা, ২০২৩’ ৰ আধাৰত তৃতীয় শ্ৰেণীৰ বাবে ‘আমাৰ চৌপাশৰ পৰিৱেশ’ নামেৰে পৰিৱেশ অধ্যয়ন বিষয়ৰ এই পাঠ্যপুথিখন প্ৰস্তুত কৰি উলিওৱা হৈছে। আশা কৰা হৈছে যে এই পুথিখনৰ সহায়ত শিকাৰুৱে পৰিৱেশৰ বিষয়ে, পৰিৱেশৰ জৰিয়তে আৰু পৰিৱেশৰ বাবে শিক্ষা লাভৰ সুবিধা পাব। কণ কণ ল’ৰা- ছোৱালীৰ অনুসন্ধিৎসু আৰু সৃজনশীল প্ৰবৃত্তিৰ প্ৰতি লক্ষ্য ৰাখি এই পাঠ্যপুথিখনত শিশুকেন্দ্ৰিক, আনন্দদায়ক আৰু কাৰ্যভিত্তিক- এই তিনিওধৰণৰ উপাদান প্ৰতিফলনৰ বাবে পাৰ্যমানে দিহা কৰা হৈছে।

এই পাঠ্যপুথিখনৰ পাঠসমূহ পৰিৱেশ সম্বন্ধীয় বিষয় অনুসৰি চাৰিটা অধ্যায়ত ভাগ কৰা হৈছে। এই অধ্যায়কেইটা হ’ল--(১) পৰিয়াল আৰু আমাৰ সমাজ (২) আমাৰ চৌপাশৰ জীৱকুল (৩) প্ৰকৃতিৰ অৱদান আৰু (৪) আমাৰ দৈনন্দিন জীৱনৰ প্ৰয়োজনসমূহ। প্ৰতিটো অধ্যায়ত দুটাৰ পৰা চাৰিটালৈকে পাঠসমূহ ভগোৱা হৈছে। ছাত্ৰ-ছাত্ৰীৰ মনোগ্ৰাহী হোৱাকৈ এই পাঠসমূহত কথোপকথন, পদ্য, গদ্য, সাধু, সাঁথৰ আদি সন্নিৱিষ্ট কৰা হৈছে। প্ৰতিটো পাঠত অন্তৰ্নিহিত বিষয়সমূহ শিশু উপযোগী আৰু শিকন প্ৰক্ৰিয়াত ল’ৰা-ছোৱালীৰ সক্ৰিয় অংশগ্ৰহণক উৎসাহিত কৰাৰ বাবে চেষ্টা কৰা হৈছে।

ল’ৰা-ছোৱালীয়ে যাতে নিজে হাতে-কামে কৰি জটিল চিন্তা কৰাৰ কৌশল বৃদ্ধি কৰি শিকিব পাৰে, তাৰ বাবে পাঠত বিভিন্ন ধৰণৰ ক্ৰিয়া-কলাপৰ ব্যৱস্থা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ সৃজনশীল গুণৰ বিকাশৰ বাবে বিভিন্ন ক্ৰিয়া-কলাপ যেনে- আঁকো আহা, লিখোঁ আহা, কওঁ আহা, চিন্তা কৰি কওঁ আহা, কৰি চাওঁ আহা, প্ৰকল্প আদি কাৰ্য পাঠ্যপুথিখনত অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰয়োজনসাপেক্ষে শিক্ষক আৰু অভিভাৱকে পাঠত থকা এই কাৰ্যসমূহ কৰাত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব। তদুপৰি পাঠৰ লগত সংগতি ৰাখি এনেধৰণৰ ওপৰঞ্চি ক্ৰিয়া-কলাপ কৰাটো বাঞ্ছনীয়।

অবিৰত মূল্যায়নৰ উদ্দেশ্য আগত ৰাখি পাঠসমূহত দলীয় কাৰ্য, নিজে কৰি লিখা, প্ৰকল্প আদি কাৰ্যৰ অৱতাৰণা কৰা হৈছে। পাঠত থকা অৰ্হতাসমূহ আয়ত্ত কৰিব পাৰিছেনে নাই তাক নিশ্চিত কৰিবলৈ আৰু লব্ধজ্ঞান স্থায়ীকৰণৰ উদ্দেশ্যে প্ৰতিটো পাঠৰ অন্তত অনুশীলনী শিতান এটা ৰখা হৈছে।

পাঠৰ লগত সংগতি ৰাখি ছাত্ৰ- ছাত্ৰী আৰু শিক্ষকৰ সুবিধা হোৱাকৈ QR Code ( Quick Response Code) সন্নিবিষ্ট কৰা হৈছে।

শিকন পৰিৱেশত বিশেষভাৱে সক্ষম আৰু অনগ্ৰসৰ শিকাৰুকে ধৰি প্ৰতিজন শিকাৰুৱে নিৰীক্ষণ কৰা, নিজক প্ৰকাশ কৰা, কথা কোৱা বা লিখা আদি কাৰ্যত অংশগ্ৰহণ কৰিবলৈ যাতে সুবিধা পাই তাক নিশ্চিত কৰাৰ প্ৰয়োজন।

## বিভিন্ন কাৰ্যৰ বাবে পাঠত ব্যৱহাৰ হোৱা প্ৰতীক-চিহ্নসমূহ ঃ


লিখোঁ আহা


জানি লওঁ আহা


আঁকো আহা


আলোচনা কৰোঁ আহা


কওঁ আহা (ছবি চাই, চিন্তা কৰি, সাঁথৰ এটা কওঁ আহা)


ক্ৰিয়া-কলাপ, প্ৰকল্প


পঢ়োঁ আহা


কৰি চাওঁ আহা, দলীয় কাৰ্য


খেলোঁ আহা

# সূচীপত্ৰ


**অধ্যায় ঃ ১ পৰিয়াল আৰু আমাৰ সমাজ পৃষ্ঠা- ১-২৬**

| | | |
|---|---|---|
| পাঠ ১ - | আমাৰ পৰিয়াল | ১-৮ |
| পাঠ ২ - | আমাৰ বিদ্যালয় | ৯-১৪ |
| পাঠ ৩ - | আমাৰ গাঁও | ১৫-২১ |
| পাঠ ৪ - | আমাৰ উৎসৱ | ২২-২৬ |










**অধ্যায় ঃ ২ আমাৰ চৌপাশৰ জীৱকুল পৃষ্ঠা-২৭-৪৪**


| | | |
|---|---|---|
| পাঠ ৫ - | বাগিচালৈ যাওঁ বলা | ২৭-৩৬ |
| পাঠ ৬ - | আমাৰ চৌপাশৰ প্ৰাণীবোৰ | ৩৭-৪৪ |

**অধ্যায় ৩ প্ৰকৃতিৰ অৱদান পৃষ্ঠা- ৪৫-৭১**

| | | |
|---|---|---|
| পাঠ ৭ - | আমাৰ খাদ্য | ৪৫-৫২ |
| পাঠ ৮ - | আমাৰ চৌপাশৰ বায়ু | ৫৩-৫৭ |
| পাঠ ৯ - | দৈনন্দিন জীৱনত পানী | ৫৪-৬৪ |
| পাঠ ১০ - | আকাশৰ কথা | ৬৫-৭১ |











**অধ্যায় ঃ ৪ আমাৰ দৈনন্দিন জীৱনৰ প্ৰয়োজনসমূহ পৃষ্ঠা- ৭২-১০০**

| | | |
|---|---|---|
| পাঠ ১১ - | শৰীৰৰ যতন | ৭২-৭৭ |
| পাঠ ১২ - | যাতায়াত আৰু যোগাযোগ | ৭৮-৮৭ |
| পাঠ ১৩ - | আমাৰ ঘৰুৱা উৎপাদন | ৮৮-৯২ |
| পাঠ ১৪ - | আজৰি সময়ৰ ব্যৱহাৰ | ৯৩-১০০ |



# পাঠ ১

# আমাৰ পৰিয়াল

তোমালোকে ঘৰত কাৰ সৈতে থাকা? মাৰা-দেউতাৰাৰ লগত থাকা নহয় জানো? তোমালোকৰ ঘৰত আৰু কোন কোন আছে? ভাই-ভনী, ককাইদেউ-বাইদেউ আছেনে? তোমালোকৰ কাৰোবাৰ লগত ককা-আইতা, খুড়া-খুড়ীও থাকে, নহয় নে? এই আটাইবোৰ য'ত একেলগে থাকে সেইখনেই হ'ল ঘৰ। আমাৰ আটাইৰে নিজা নিজা একোখন ঘৰ আছে। মা-দেউতা, বাই-ভনী, ভাই-ককাই আদি সকলোৱে একেলগে মিলা-প্ৰীতিৰে থকা একোখন ঘৰেই হৈছে একোটা **পৰিয়াল**। আমি নিজৰ ঘৰখনত এটা পৰিয়াল হৈ আনন্দমনেৰে থাকি ভাল পাওঁ। পৰিয়ালটোত আমি মৰম--চেনেহৰ মাজেৰে নিৰাপদে থাকিব পাৰোঁ। পৰিয়াল সমাজৰ এটি প্ৰাথমিক গোট। ঘৰখনৰ প্ৰতিজন মানুহকে পৰিয়ালটোৰ একোজন সদস্য বুলি কোৱা হয়। এতিয়া আমি পৰিয়ালৰ বিষয়ে কিছু কথা আলোচনা কৰোঁ আহা—




ওপৰৰ ছবিখনলৈ মন কৰা। কি দেখিছা?

এইখন অৰূপহঁতৰ ঘৰ। ঘৰখনত অৰূপে মাক-দেউতাক আৰু ভনীয়েক নমিতাৰ সৈতে থাকে। সিহঁতৰ মাকে ঘৰখন পৰিপাটিকৈ ৰাখি বৰ ভাল পায়। অৰূপৰ মাক-দেউতাকে ঘৰৰ সন্মুখত এখন ফুল আৰু ফলৰ বাগিচা পাতিছে। অৰূপ আৰু নমিতাই মাক-দেউতাকক ঘৰুৱা কামত সহায় কৰে। অৰূপহঁতৰ পৰিয়ালটো হৈছে **একক পৰিয়াল**।

## ছবি চাই কওঁ আহা—

- অৰূপহঁতৰ পৰিয়ালত কোন কোন আছে?
- ছবিখনত দেখা মতে অৰূপৰ মাক-দেউতাকে কি কৰি আছে?
- মাকৰ কামত কোনে সহায় কৰিছে?





তলৰ ছবিখনলৈ চোৱা—

এইখন নয়নাহঁতৰ ঘৰ। নয়নাহঁতৰ ঘৰত তাইৰ মাক-দেউতাক আৰু ককায়েক চন্দন থাকে। তেওঁলোকৰ লগত ককাক-আইতাক, খুড়াক-খুড়ীয়েক, পেহীয়েক আৰু তাইৰ খুড়াকৰ ছোৱালী তুলিকাও থাকে। নয়নাহঁতৰ পৰিয়ালটো হৈছে **যৌথ পৰিয়াল**।





## লিখোঁ আহা—

- নয়নাহঁতৰ পৰিয়ালত কোন কোন সদস্য আছে?
- অৰূপ আৰু নয়নাহঁতৰ পৰিয়াল দুটাৰ কোনটো একক আৰু কোনটো যৌথ পৰিয়াল?

ককাক-আইতাকে নয়না, চন্দন আৰু তুলিকাক বৰ মৰম কৰে। আইতাকে সুন্দৰকৈ মেখেলা-চাদৰ পিন্ধে। ককাকে ধুতি-চোলা পিন্ধে আৰু ডিঙিত গামোচা লয়। গধুলি চোতালত অথবা আইতাকৰ কোঠাত বহি তিনিও আইতাকৰ পৰা নানাধৰণৰ সাধু, ওমলা-গীত আদি শুনে। সাধু শুনি শুনি তুলিকাই কেতিয়াবা আইতাকৰ বিচনাতে টোপনি যায়। ককাক-আইতাকক ঘৰৰ সকলোৱে সন্মান আৰু আদৰ কৰে। পৰিয়ালৰ প্ৰতিজন সদস্যই ইজনে সিজনক ভাল পায়, মৰম কৰে। সৰুৱে ডাঙৰক শ্ৰদ্ধা কৰে। ঘৰখনৰ সকলোৱে ইজনে সিজনৰ কাম-কাজত সহায় কৰে।






আজৰি সময়ত নয়নাহঁতৰ চুবুৰিৰ আটাইবোৰ ল'ৰা-ছোৱালীয়ে একেলগে খেলা-ধূলা কৰে। কেতিয়াবা সিহঁতে ঘৰৰ ভিতৰত লুডু, কেৰম আদিও খেলে। শৈশৱৰ পৰাই নয়নাৰ সহপাঠী কাকলিয়ে খোজ কাঢ়িব নোৱাৰে। সেইবাবে হুইল চেয়াৰ ব্যৱহাৰ কৰে। সকলোৰে লগত কাকলিয়ে খেলা-ধূলাত অংশগ্ৰহণ কৰে। তুলিকাই চকুৰ সমস্যাৰ বাবে চশমা পিন্ধে। সেইবাবে খেলা-ধূলাৰ সময়ত আটায়ে তুলিকাৰ লগতে কাকলিৰ প্ৰতিও নজৰ ৰাখে। নয়নাহঁতৰ পোহনীয়া কুকুৰটোও অনবৰতে সিহঁতৰ লগত থাকে। তাক সকলোৱে বৰ মৰম কৰে।

তোমালোকৰ আইতা-ককাহঁতে সৰুতে কি কি খেল খেলিছিল জানানে?


## লিখোঁ আহা—

তোমালোকে বন্ধুসকলৰ সৈতে কি কি খেল খেলা?



পেহীয়েকে নয়নাহঁতক ছবি অঁকা, গান গোৱা আৰু আবৃত্তি কৰাৰ কৌশল শিকায়। নয়নাহঁতৰ পঢ়া- শুনাৰ তদাৰক খুড়ীয়েক আৰু পেহীয়েকে কৰে। মাক-দেউতাক, খুড়াক-খুড়ীয়েক আটায়ে মিলি আলোচনাৰ মাজেৰে ঘৰুৱা সমস্যাবোৰৰ সমাধান কৰে।








ঘৰৰ ৰন্ধা-বঢ়া, খোৱা-বোৱা আদি আটাইবোৰ কামত নয়নাৰ মাকক খুড়াক-খুড়ীয়েক আৰু পেহীয়েকেও সহায় কৰি দিয়ে। তেওঁলোকে ঘৰত ৰন্ধা-বঢ়াৰ বাবে খৰিৰ চৌকাৰ লগতে গেছৰ চৌকাও ব্যৱহাৰ কৰে। সকলোৱে একেলগে মজিয়াত বহি কাঁহৰ কাঁহী-বাটিত ভাত-আঞ্জা খায়।

## জানি লওঁ আহা –

কিছুমান বাচন-বৰ্তনৰ নাম—

| | | | |
|---|---|---|---|
|  |  |  |  |
| কাঁহী | বাটি | কেৰাহী | কলহ |
|  |  |  |  |
| বান কাঁহী | বান-বাটি | ঘটী | কেট্‌লি |

## লিখোঁ আহা—

তোমালোকে ঘৰত ব্যৱহাৰ কৰা বিভিন্ন বাচন-বৰ্তনৰ নাম লিখা।

## ক্ৰিয়া-কলাপ ১

তোমালোকৰ পৰিয়ালৰ সদস্যসকলে কি কি কামত ইজনে সিজনক সহায় কৰা তাৰ এখন তালিকা প্ৰস্তুত কৰা।






## প্ৰকল্প—

তোমালোকৰ চুবুৰিত থকা যিকোনো তিনিটা পৰিয়ালৰ ঘৰবোৰলৈ মন কৰা। তাৰ পিছত তলৰ তালিকাখন পূৰোৱা—

| ঘৰৰ ক্ৰমিক নং | ঘৰৰ মুৰব্বীৰ নাম | ঘৰৰ প্ৰকাৰ | ঘৰৰ মজিয়া নিৰ্মাণত ব্যৱহাৰ কৰা সামগ্ৰী | বেৰ নিৰ্মাণত ব্যৱহাৰ কৰা সামগ্ৰী | চালি নিৰ্মাণত ব্যৱহাৰ সামগ্ৰী |
|---|---|---|---|---|---|
| ১ | | | | | |
| ২ | | | | | |
| ৩ | | | | | |




## কওঁ আহা—

- অমল, বিমল, সুমল— তিনিও বন্ধু এটা ভাড়াঘৰত থাকে। এওঁলোকক এটি পৰিয়াল বুলিব পাৰিনে?
- বয়স বঢ়াৰ লগে লগে বয়োজ্যেষ্ঠ লোকসকলৰ বহুতো শাৰীৰিক সমস্যাই দেখা দিয়ে, যেনে- খোজ লেহেম হয়, শুনা আৰু দেখাত অসুবিধা পায়। এই সময়ছোৱাত তেওঁলোকক কেনেধৰণে সহায় কৰিব পাৰি ?



## আঁকো আহা—

অৰূপহঁতৰ পৰিয়ালৰ ‘পৰিয়াল বৃক্ষ’ চাই তোমাৰ নিজৰ পৰিয়ালৰ ‘পৰিয়াল বৃক্ষ’ আঁকা।



আমাৰ পৰিয়াল




অৰূপহঁতৰ পৰিয়াল



## ক্রিয়া-কলাপ ২

তলৰ ছবিবোৰ চাই নয়নাৰ সৈতে থকা পৰিয়ালৰ সকলো সদস্যৰ সম্পৰ্কবোৰ লিখা—




## ক্রিয়া-কলাপ ৩

তোমালোকে পিন্ধা আৰু মা-দেউতা, ককা-আইতাহঁতে পিন্ধা সাজ-পাৰবোৰৰ নাম তলৰ তালিকাখনত লিখা—

| তোমালোকে পিন্ধা | মা-দেউতা, ককা-আইতাহঁতে পিন্ধা |
|---|---|
| | |



## ক্রিয়া-কলাপ ৪

পৰিয়ালৰ লোকসকলৰ মাজত থকা সম্পৰ্কবোৰ জানি লৈ লিখা—(শিক্ষকে সহায় কৰিব)

দেউতাৰ মাক —

মাৰ মাক —

মাৰ দেউতাক —

দেউতাৰ ভনীয়েক —

মাৰ ভনীয়েক —

দেউতাৰ ভায়েক —

মাৰ ভায়েক —

## জানি লওঁ আহা –

- মাক-দেউতাক আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী একেলগে থকা পৰিয়ালক **একক পৰিয়াল** বোলে।
- একেটা পৰিয়ালত ককাক-আইতাক, বৰদেউতাক-বৰমাক, খুড়াক-খুড়ীয়েক, মাক-দেউতাক আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী সকলোৱে বাস কৰিলে তেনে পৰিয়ালক **যৌথ পৰিয়াল** বুলি কোৱা হয়। কিছুমান পৰিয়ালত আজো-ককা, আজো-আইতা আৰু আন আন সদস্যও থাকে।
- পৰিয়ালসমূহ শৃংখলাবদ্ধভাৱে পৰিচালনা কৰিবৰ বাবে প্ৰত্যেকৰে নিজা-নিজা কিছুমান নীতি-নিয়ম থাকে। প্ৰতিটো পৰিয়াল সুচাৰুৰূপে চলিবলৈ পৰিয়ালৰ প্ৰতিজন সদস্যই নিজৰ নিজৰ ভূমিকা পালন কৰে। পৰিয়ালৰ সকলো সদস্যই মিলি আলোচনাৰ মাজেৰে ঘৰুৱা সমস্যাবোৰ সমাধান কৰে।
- মাক বা দেউতাক অথবা পৰিয়ালৰ জ্যেষ্ঠজন হ'ল সেই পৰিয়ালৰ মুৰব্বী। তেওঁ পৰিয়ালটো পৰিচালনা কৰে। ল'ৰা-ছোৱালীৰ যত্ন লয়।
- বৃদ্ধ আৰু বিশেষভাৱে সক্ষম লোক থাকিলে তেনে লোকলৈ পৰিয়ালৰ আটায়ে বিশেষভাৱে সহায়-সহযোগ কৰে।



**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ লগত পৰিয়ালৰ সদস্যসকলৰ সম্পৰ্ক, ভূমিকা, দায়িত্ব সম্পৰ্কে আলোচনা কৰিব। পাঠত উল্লেখ কৰা ক্ৰিয়া-কলাপসমূহ সম্পাদন কৰাত সহায় কৰিব। আদৰ্শ পৰিয়ালৰ সদস্যসকলৰ মাজত থকা মিলা-প্ৰীতি, সু-সম্পৰ্কৰ বিষয়ে ব্যাখ্যা কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মূল্যবোধ জগাই তোলাৰ বাবে চেষ্টা কৰিব। পুৰণি কালত ব্যৱহাৰ হোৱা সাজ-পাৰ, বাচন-বৰ্তনৰ বিষয়ে অৱগত কৰাব।

## অনুশীলনী

১। চমু উত্তৰ দিয়া —

(ক) পৰিয়াল কাক বোলে?

(খ) একক পৰিয়ালত কোন কোন সদস্য থাকে?

(গ) যৌথ পৰিয়ালত কোন কোন সদস্য থাকে?

২। তলত দিয়া শব্দবোৰেৰে খালী ঠাই পূৰ কৰা—

প্ৰাথমিক, সহায়, মিলা-প্ৰীতি

(ক) পৰিয়াল সমাজৰ __________ গোট।

(খ) পৰিয়ালৰ সদস্যসকলৰ মাজত __________ থাকিব লাগে।

(গ) পৰিয়ালৰ সদস্যসকলে ইজনে সিজনক __________ কৰিব লাগে।

৩। পৰিয়ালৰ সদস্যসকলে এজনে আনজনৰ আদৰ-যতন কেনেদৰে লয় লিখা।

৪। সম্পৰ্কটো এটা শব্দত লিখা—

(ক) মাকৰ ভায়েক —


(খ) দেউতাৰ ককায়েক —

(গ) খুড়াৰ ল'ৰা —

(ঘ) মাহীৰ ছোৱালী —

৫। ঘৰত ব্যৱহাৰ কৰা এবিধ বাচনৰ ছবি আঁকা।

* * *



R2I4J3

## পাঠ ২

# আমাৰ বিদ্যালয়






এইখন ৰতনপুৰ গাঁৱৰ জাকত জিলিকা বিদ্যালয়। ৰিংকী, পৰিণীতা, জেনিফাৰ, ৰাজু, পদুম, ফাৰুখহঁত ইয়াৰ ছাত্ৰ-ছাত্ৰী। বিদ্যালয়খন সকলোৰে অতিকৈ আদৰৰ। ৰিংকীহঁতে বিদ্যালয়খনৰ চৌহদটো আৰু শ্ৰেণীকোঠাসমূহ সদায় পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখে। আৱৰ্জনা পেলাবলৈ নিৰ্দিষ্ট ডাষ্টবিন ব্যৱহাৰ কৰে। শুকান ডাল-পাত, ফল-মূলৰ বাকলি, কণীৰ খোলা, শাক-পাচলিৰ আৱৰ্জনা আদি পেলাবলৈ সেউজীয়া ৰঙৰ ডাষ্টবিন ব্যৱহাৰ কৰে। এই আৱৰ্জনাবোৰ সহজে পচি মাটিৰ লগত মিহলি হৈ যায়।




আনহাতে চক্‌লেটৰ বাকলি , পেলনীয়া কাগজ, প্লাষ্টিকৰ বটল, স্কেলৰ টুকুৰা আদিৰ বাবে নীলা ৰঙৰ ডাষ্টবিন ব্যৱহাৰ কৰে। এই আৱৰ্জনাবোৰ পুনৰ ব্যৱহাৰ কৰি কিছুমান নতুন বস্তু তৈয়াৰ কৰিবও পাৰি। এনেদৰে নতুন বস্তু তৈয়াৰ কৰা প্ৰক্ৰিয়াক পুনঃব্যৱহাৰ বুলি কোৱা হয়।



বিদ্যালয়ৰ এঠাইত গাঁত খান্দি গছৰ ডাল-পাত আদি পেলোৱা হয়। সেইবোৰ তাতে পচি সাৰ হয়। ইয়াকে পচন সাৰ বুলি কোৱা হয়। ৰিংকীহঁতে এনে পচন সাৰ গছৰ পুলি, ফুলৰ পুলি আদি ৰোওতে ব্যৱহাৰ কৰে।



## ক্ৰিয়া-কলাপ ১

তলত দিয়া আৱৰ্জনাবোৰ কোনটো ডাষ্টবিনত পেলাবা, আঁচ্ টানি মিলোৱা—

- আলুৰ বাকলি
- প্লাষ্টিকৰ বটল
- কণীৰ খোলা
- লাইটৰ বাল্বৰ টুকুৰা
- কাপোৰৰ টুকুৰা
- পেলনীয়া কাগজ
- চিপ্‌ছৰ খালী পেকেট
- গছৰ শুকান পাত










## লিখোঁ আহা—

তোমালোকৰ বিদ্যালয়খন তুমি কিয় ভাল পোৱা ভাবি-গুণি কেইটামান কাৰণ লিখা।




## আলোচনা কৰোঁ আহা—

- বিদ্যালয়ত কেনেদৰে ফুলনি আৰু পাচলিৰ বাগিচা পাতিবা? শিক্ষক আৰু সহপাঠীসকলৰ সৈতে আলোচনা কৰা। (শিক্ষকৰ তত্ত্বাৱধানত কামৰ ভাগ-বতৰা কৰি ফুলনি আৰু পাচলি বাগিচাৰ সময়মতে যতন ল'বা।)
- পচন সাৰ কিদৰে তৈয়াৰ কৰিব পাৰি? পচন সাৰ ব্যৱহাৰৰ উপকাৰিতাসমূহ কি কি ?



তোমালোকে জানানে- পেলনীয়া কাগজ, প্লাষ্টিকৰ সামগ্ৰী আদিৰে পুনৰ কামত অহা বস্তু কিছুমান সাজি ল'ব পাৰি, যেনে- পেলনীয়া কাগজৰপৰা কাগজৰ ফুল, মালা, ক'লাজ আদি।





## প্ৰকল্প—

২/৩ জনীয়া দলত ভাগ হৈ তোমাৰ ঘৰৰ বা বিদ্যালয়ৰ পেলনীয়া কাগজ, কাপোৰ আদিৰে কিছুমান বস্তু সাজা, যেনে- চকৰি, নাও, পুতলা আদি। ( শিক্ষক আৰু ডাঙৰৰ সহায় ল'বা।)

## ক্ৰিয়া-কলাপ ২

তোমালোকৰ বিদ্যালয়ৰ চৌহদত আৰু তাৰ কাষত পৰি থকা পেলনীয়া বস্তুবোৰ চাই তলত দিয়া ধৰণে তালিকা প্ৰস্তুত কৰা—(ক্ৰমিক নং ১উদাহৰণ হিচাপে দিয়া হৈছে। তোমাৰ নিজৰ নিৰীক্ষণ মতে তালিকাখন প্ৰস্তুত কৰিবা। প্ৰয়োজন হ'লে শিক্ষক আৰু ডাঙৰৰ সহায় ল'বা।)

| ক্ৰমিক নং | আৱৰ্জনাৰ নাম | কিদৰে পুনৰ ব্যৱহাৰ কৰিব পাৰি |
|---|---|---|
| ১ | উপহাৰ বন্ধা ৰঙচঙীয়া কাগজ | কাগজৰ মালা সাজিবলৈ |
| | | |
| | | |
| | | |
| | | |
| | | |






ৰিংকীহঁতৰ বিদ্যালয়খনৰ উত্তৰ দিশে এখন পাহাৰ আছে। দক্ষিণ দিশত এখন ফুলনি আৰু বিদ্যালয়লৈ সোমোৱা গেটখন আছে। পূব দিশত এখন পাচলিৰ বাগিচা আৰু এজোপা ডাঙৰ আঁহত গছ আছে। পশ্চিম দিশত এডৰা সৰিয়হৰ খেতি আছে।

## কৰি চাওঁ আহা—

এটা সহজ উপায়েৰে দিশ নিৰ্ণয় কৰোঁ আহা। ৰাতিপুৱা সূৰ্যটোৰ ফালে মুখ কৰি হাত দুখন দুইফালে মেলি দিয়া—



- তোমাৰ সন্মুখৰ ফালে পূব আৰু পিঠিৰ ফালে হ'ব পশ্চিম দিশ।
- তোমাৰ বাঁওহাতৰ ফালে উত্তৰ আৰু সোঁহাতৰ ফালে হ'ব দক্ষিণ দিশ।

**দিশ প্ৰধানকৈ চাৰিটা— পূব, পশ্চিম, উত্তৰ আৰু দক্ষিণ।**
**সূৰ্যটো সদায় পূব দিশত ওলায় আৰু পশ্চিম দিশত মাৰ যায়।**

## ক্ৰিয়া-কলাপ ৩


তোমাৰ বিদ্যালয় আৰু ঘৰৰ চাৰিওটা দিশত কি কি আছে তলৰ তালিকাখনত লিখা—

| দিশ | আমাৰ বিদ্যালয় | আমাৰ ঘৰ |
|---|---|---|
| উত্তৰ | | |
| দক্ষিণ | | |
| পূব | | |
| পশ্চিম | | |

ৰিংকীহঁতৰ ঘৰৰপৰা বিদ্যালয়লৈ যোৱা বাটতে পৰিণীতাহঁতৰ ঘৰ। দুয়োজনীয়ে একেলগে বিদ্যালয়লৈ খোজ কাঢ়ি অহা-যোৱা কৰে। ৰাজহাড়ৰ সমস্যাৰ বাবে বাবুলে হুইল চেয়াৰ ব্যৱহাৰ কৰে। বিদ্যালয়লৈ অহা-যোৱা কৰোঁতে ৰিংকীহঁতে তাক সহায় কৰে। বাবুলে বৰ সুন্দৰকৈ ছবি আঁকে আৰু বাঁহী বজায়। আজৰি সময়ত ৰিংকীহঁতে প্ৰায়েই বাবুলৰপৰা ছবি আঁকিবলৈ আৰু বাঁহী বজাবলৈ শিকে।











## লিখোঁ আহা–

- ৰিংকীহঁতৰ ঘৰৰপৰা বিদ্যালয়লৈ যোৱা বাটটো ছবিত বিচাৰি উলিয়াই এডাল পেঞ্চিলেৰে আঁচ্ টানি দেখুওৱা। ছবিখনত বিদ্যালয়লৈ যোৱা বাটত কি কি দেখিছা?
- ৰিংকীহঁতৰ ঘৰটো বিদ্যালয়ৰ কোন দিশে আছে?
- পুখুৰীটো ৰিংকীহঁতৰ ঘৰৰ কোন দিশত আছে?
- চিকিৎসালয়খন ৰিংকীহঁতৰ ঘৰৰ কোন দিশত আছে?



## কৰি চাওঁ আহা—




- কাষৰ ছবিখনত দেখুওৱাৰ দৰে তোমালোকৰ শ্ৰেণীকোঠাৰ টেবুলখন জুখি চোৱা। টেবুলখন জোখোঁতে কোনে কিমান বেগেত পালা বহীত লিখি ৰাখা।
- এতিয়া তোমালোকৰ হাতৰ বেগেতবোৰ মিলাই চোৱা। কোনে কিমান বেগেত পালা? এনেদৰে জোখোঁতে সকলোৰে জোখবোৰ নিমিলিল, নহয়নে বাৰু?

ইয়াৰ কাৰণ কি বুলি ভাবা?

সকলোৰে হাতৰ আকাৰ সমান নহয়। সেইবাবে জোখোঁতে হিচাপটো একে নহ'ল। এইদৰে হাত, ভৰিৰ পতা, ৰছী, আঙুলি আদিৰে কিছুমান বস্তু জুখিব পাৰি। ঠিক তেনেদৰে বস্তুৰ পৰিমাণ জুখিবলৈ হাতৰ মুঠি, চামুচ আদিও ব্যৱহাৰ কৰিব পাৰি। এই জোখবোৰত কোনো মান্য একক নাথাকে।

- এইবাৰ এডাল স্কেলৰ সহায়ত প্ৰত্যেকে টেবুলখন জুখি চোৱা আৰু আগৰ দৰেই কিমান জোখ পালা বহীত লিখি যোৱা।



এইবাৰ দেখা গ'ল যে প্ৰত্যেকৰে জোখটো একে বা সমান হৈছে।

**এই কথাৰপৰা তোমালোকে বাৰু কি শিকিলা ?**

আমাৰ সকলোৰে হাতৰ জোখ সমান নহয়। সেয়ে এহাত, এবেগেত আদি একককবোৰো বেলেগ বেলেগ। এনেদৰে জোখ-মাখ কৰিলে বেলেগ বেলেগ মান পোৱা যায়। গতিকে এনেধৰণৰ অসুবিধা দূৰ কৰিবলৈ নিৰ্দিষ্ট একক ব্যৱহাৰ কৰিব লাগে।

**শিক্ষকলৈ নিৰ্দেশনাঃ** শিক্ষকে চাৰিটা দিশৰ বিষয়ে আলোচনা কৰিব। এহাত, এবেগেত আদি পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰা এককসমূহ ছাত্ৰ-ছাত্ৰীক ব্যৱহাৰিক কাৰ্যৰ জৰিয়তে প্ৰদৰ্শন কৰিব।

## অনুশীলনী

১। উত্তৰ লিখা–

(ক) দিশ কেইটা আৰু কি কি ?

(খ) তোমালোকৰ বিদ্যালয়ৰ চাৰিসীমাত কি কি আছে লিখা।

(গ) তোমালোকৰ ঘৰৰ চাৰিসীমাত কি কি আছে লিখা।

(ঘ) চক্‌লেটৰ বাকলি, প্লাষ্টিকৰ খালী বটল আদি পেলাবলৈ কেনেকুৱা ৰঙৰ ডাষ্টবিন ব্যৱহাৰ কৰিব লাগে ?

২। খালী ঠাই পূৰ কৰা—

সূৰ্যটো সদায়___________ দিশত ওলায় আৰু ___________ দিশত মাৰ যায়।

৩। পচন সাৰ কিদৰে তৈয়াৰ কৰা হয় লিখা।

৪। পেলনীয়া কাগজৰপৰা কি কি বস্তু সাজিব পাৰি লিখা।

৫। ঘৰৰ ছবি এখন আঁকি তাৰ দিশকেইটা দেখুওৱা।

* * *



A2E6I7

## পাঠ ৩

# আমাৰ গাঁও



এইখন পদুমনি গাঁও। গাঁওখন বৰ শুৱনি, চাফ-চিকুণ আৰু উন্নত। গাঁওবাসীয়ে ঘৰ-দুৱাৰবোৰ বৰ আটোম্-টোকাৰিকৈ ৰাখে। ইয়াত খোৱা পানী, বিজুলী-বাতি, পৰিৱহণ আদিৰ সুব্যৱস্থা আছে। বাট-পথবোৰ পকী আৰু আহল-বহল।


গাঁওখনত এখন আদৰ্শ বিদ্যালয় আছে। বিদ্যালয়খনত পঢ়া-শুনা আৰু খেলা-ধূলা কৰিবলৈ যথেষ্ট সা-সুবিধা আছে। ছাত্ৰ-ছাত্ৰীসকল পঢ়া-শুনা, ছবি আঁকা, নৃত্য-গীত পৰিৱেশন কৰা আৰু খেলা-ধূলাত বৰ আগ্ৰহী। বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মধুৰ সম্পৰ্ক আছে। ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়ত নিয়মীয়াকৈ উপস্থিত থাকে।






## কওঁ আহা —

তোমালোকৰ বিদ্যালয় আৰু পদুমনি গাঁৱৰ বিদ্যালয়খনৰ মাজত কি কি পাৰ্থক্য দেখিছা?



বিদ্যালয়ৰপৰা অলপ আঁতৰত এটা ৰাজহুৱা পুথিভঁৰাল আছে। পুথিভঁৰালত পঢ়া-শুনা কৰিবৰ বাবে যথেষ্ট সংখ্যক গল্প, কবিতাৰ কিতাপ, আলোচনী আদি আছে। ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ পুথিভঁৰালত নথকা কিতাপবোৰ এই ৰাজহুৱা পুথিভঁৰালটোলৈ গৈ পঢ়ে। এই কিতাপবোৰ পঢ়ি বহু নজনা কথা জানিব পাৰে। প্ৰয়োজনত সিহঁতে কিতাপ ঘৰলৈ আনি পঢ়ে আৰু সময়মতে ঘূৰাই দিয়ে।



গাঁওখনত এখন ডাঙৰ চৰকাৰী চিকিৎসালয় আছে। চিকিৎসালয়খনত ৰোগীৰ চিকিৎসাৰ বাবে পৰ্যাপ্ত ডাক্তৰ আৰু নাৰ্ছ আছে। চিকিৎসালয়খনত ৰোগীৰ চিকিৎসাৰ বাবে উন্নত যন্ত্ৰ-পাতিকে ধৰি সকলো সা-সুবিধা আছে।

পদুমনি গাঁৱত এটা ডাক-ঘৰ আছে। ডাক-ঘৰৰ চিঠি-পত্ৰবোৰ ৰঙা ডাক-গাড়ীত অনা-নিয়া কৰা হয়। ডাক-ঘৰৰ চিঠি-পত্ৰ বিলোৱা মানুহজনক **ডাকোৱাল** বা **পোষ্টমেন** বোলে। ইয়াত টকা-পইচাৰো আদান-প্ৰদান কৰা হয়।





অঞ্চলটোৰ শান্তি-শৃংখলা ৰক্ষা কৰিবৰ বাবে পদুমনি গাঁৱত এখন আৰক্ষী চকী আছে। আৰক্ষীয়ে যানবাহনো নিয়ন্ত্ৰণ কৰে।

বিদ্যালয়, পুথিভঁৰাল, চিকিৎসালয়, ডাক-ঘৰ, আৰক্ষী চকী, বেংক আদি একো একোটা অনুষ্ঠান-প্ৰতিষ্ঠান। আমাৰ প্ৰয়োজনীয় বিভিন্ন কাম-কাজ এই অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ যোগেদি কৰোঁ।



## ক্ৰিয়া-কলাপ ১

পদুমনি গাঁৱত আৰু তোমালোকৰ গাঁও/ চহৰ/ নগৰখনত কি কি অনুষ্ঠান-প্ৰতিষ্ঠান আছে তলৰ তালিকাখনত লিখা—

| পদুমনি গাঁৱত থকা অনুষ্ঠান-প্ৰতিষ্ঠান | আমাৰ গাঁও/চহৰ /নগৰখনত থকা অনুষ্ঠান-প্ৰতিষ্ঠান |
|---|---|
| | |

সমাজ এখন সুচাৰুৰূপে চলিবলৈ হ'লে কিছুমান ধৰ্মীয় অনুষ্ঠানৰো প্ৰয়োজন হয়। সকলো ধৰ্মৰে নিজা নিজা ধৰ্মীয় অনুষ্ঠান থাকে। ধৰ্মীয় কাম-কাজবোৰ ৰাজহুৱাভাৱে সকলোৱে মিলি পালন কৰে।


## ক্ৰিয়া-কলাপ ২

শিক্ষকৰ সহায়ত তলৰ ছবিত দেখুওৱা ধৰ্মীয় অনুষ্ঠানকেইটা চিনাক্ত কৰি নামবোৰ খালী বাকচত লিখা—









## ক্ৰিয়া-কলাপ ৩

সাঁথৰ ভাঙা—

কিতাপ আছে শাৰী শাৰী
নহয় কিন্তু পঢ়াশালি,
গল্প, কবিতা, ছবিৰ কিতাপ
কত আছে আলোচনী।

সাঁথৰটোৱে কোনটো অনুষ্ঠানক বুজাইছে?




## লিখোঁ আহা—

- তোমালোকে বাস কৰা গাঁও / চহৰ / নগৰখনৰ নাম কি?
- তলৰ কোনবোৰ সুবিধা তোমালোকৰ গাঁও / চহৰ /নগৰখনত আছে—
  পকী পথ, বিজুলী-বাতি, খোৰা পানী, চিকিৎসালয়, ডাক-ঘৰ, পুথিভঁৰাল

## জানি লওঁ আহা—

- ওচৰা-ওচৰিকৈ বাস কৰা কেইটামান পৰিয়ালৰ সমষ্টিয়েই হ'ল **চুবুৰি**।
- কেইবাটাও চুবুৰি লগ লাগি এখন গাঁও হয়।
- চৰকাৰে নিযুক্তি দিয়া গাঁৱৰ মুখিয়ালগৰাকীক **গাঁওবুঢ়া** বোলে। গাঁৱৰ বিভিন্ন সমস্যা সমাধান আৰু উন্নয়নমূলক কামত গাঁওবুঢ়াই উল্লেখযোগ্য ভূমিকা পালন কৰে।





## কওঁ আহা—

ছবিখন চোৱা আৰু ছবিখনত কি কি দেখিছা কোৱা।




ওপৰৰ ছবিখন এখন নগৰৰ ছবি। বিভিন্ন কৰ্মৰ লগত জড়িত হৈ বহুতো লোকে বসবাস কৰা এলেকা এটাই নগৰৰ নাম পায়। নগৰৰ ঘৰবোৰ ওখ, ডাঙৰ আৰু সাধাৰণতে পকী। ইয়াত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, যেনে- শিক্ষানুষ্ঠান, চিকিৎসালয়, বেংক, ডাক-ঘৰ আদি আছে। ইয়াত বাস কৰা মানুহৰ লগতে যানবাহনৰ সংখ্যাও বেছি। সেইমতে বাট-পথবিলাকো সুচল। নগৰত শিক্ষানুষ্ঠান, উদ্যোগ, বাণিজ্যিক প্ৰতিষ্ঠান আদিৰ সংখ্যা অধিক। নগৰত নগৰ সমিতি, পৌৰসভা অথবা পৌৰনিগম থাকে। এই নগৰ সমিতি, পৌৰসভা আৰু পৌৰনিগমে নিজ নিজ নগৰ-মহানগৰত উন্নয়নমূলক কাম-কাজবোৰ কৰে।

## কওঁ আহা—

- পদুমনি গাঁওখনৰ লগত এই নগৰখনৰ কি কি পাৰ্থক্য দেখা পাইছা?
- নগৰ উন্নয়নৰ বাবে কাম- কাজবোৰ কোনে কৰে?

## জানি লওঁ আহা—

- গাঁও উন্নয়নৰ বাবে পঞ্চায়ত থাকে। পঞ্চায়তৰ মুৰব্বীজনক সভাপতি বোলে।
- কম জনসংখ্যা থকা নগৰত নগৰ সমিতি থাকে। নগৰ সমিতিত এজন সভাপতি থাকে।
- বেছি জনসংখ্যা থকা নগৰত **পৌৰসভা** থাকে। পৌৰসভাৰ গুৰিয়ালজনক **'পৌৰপতি'** বোলে।
- অধিক জনসংখ্যা থকা মহানগৰত **পৌৰনিগম** থাকে। পৌৰ নিগমৰ গুৰিয়ালজনক **'মেয়ৰ'** বোলে ।





## আঁকো আহা—

তোমাৰ গাঁও বা চহৰখনৰ এটি ভাল লগা দৃশ্য আঁকা—



## লিখোঁ আহা—

অভিভাৱক আৰু শিক্ষকৰ সহায়ত লিখা—

- তোমাৰ নাম —
- তোমাৰ গাঁও/চহৰখনৰ নাম—
- গাঁও পঞ্চায়ত/নগৰ সমিতি/পৌৰসভা/পৌৰনিগমৰ নাম —
- মৌজাৰ নাম—
- জিলাৰ নাম—
- ৰাজ্যখনৰ নাম—

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে পদুমনি গাঁওখনৰ বৰ্ণনাৰ জৰিয়তে স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ বিষয়ে আলোচনা কৰিব। অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ নাম আৰু সেইবোৰৰ কাম-কাজৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক অৱগত কৰাব। তদুপৰি গাঁও পঞ্চায়তৰ কাৰ্যাৱলীৰ বিষয়ে কিছু আভাস দিব। ছাত্ৰ-ছাত্ৰীক নিজৰ গাঁও/চহৰ/ নগৰ, মৌজা, গাঁও পঞ্চায়ত/নগৰ সমিতি /পৌৰসভা /পৌৰনিগম আদিৰ সৈতে পৰিচয় কৰাই দিব।



## অনুশীলনী

১। উত্তৰ লিখা —

(ক) ডাক-ঘৰৰ চিঠি-পত্ৰ বিলোৱা মানুহজনক কি বোলে?

(খ) চিকিৎসালয়ত ৰোগীৰ চিকিৎসাৰ বাবে কোন কোন থাকে?

(গ) আইন-শৃংখলা ৰক্ষাৰ বাবে থকা অনুষ্ঠানটোৰ নাম কি?

(ঘ) দুটা ধৰ্মীয় অনুষ্ঠানৰ নাম লিখা।

২। 'ক' অংশত কিছুমান অনুষ্ঠান-প্ৰতিষ্ঠানৰ নাম আৰু 'খ' অংশত তাত আগবঢ়োৱা সেৱাৰ বিষয়ে খেলিমেলিকৈ দিয়া হৈছে। কোনটো অনুষ্ঠানত কি সেৱা আগবঢ়োৱা হয় আঁচ্ টানি মিলোৱা—

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| বিদ্যালয় | ৰোগীক চিকিৎসা কৰা হয়। |
| চিকিৎসালয় | পঢ়া-শুনা, খেলা-ধুলা আদি কৰা হয়। |
| ডাক-ঘৰ | শান্তি-শৃংখলা ৰক্ষা কৰে। |
| আৰক্ষী চকী | কিতাপ-পত্ৰ, আলোচনী আদি ৰখা হয়। |
| পুথিভঁৰাল | চিঠি-পত্ৰ অনা-নিয়া আৰু টকা-পইচা আদান-প্ৰদান কৰা হয়। |

৩। শুদ্ধ নে অশুদ্ধ লিখা—

(ক) এখন গাঁৱত কেইবাটাও চুবুৰি থাকে।

(খ) চিঠি-পত্ৰ আদান-প্ৰদান কৰা অনুষ্ঠানটোৰ নাম ডাক-ঘৰ।

(গ) পঢ়িবৰ কাৰণে কিতাপ, আলোচনী আদি থকা অনুষ্ঠানটোৰ নাম বিদ্যালয়।

(ঘ) এটা চুবুৰিত মাত্ৰ এটাহে পৰিয়াল থাকে।


(ঙ) আইন-শৃংখলা ৰক্ষা কৰা অনুষ্ঠানটোৰ নাম চিকিৎসালয়।

৪। তোমাৰ গাঁও বা চহৰখনৰ বিষয়ে পাঁচটা বাক্য লিখা।

৫। তোমাৰ গাঁও বা চহৰখনত আৰু কি কি সা-সুবিধা থাকিলে ভাল লাগিলহেঁতেন লিখা।

* * *







পাঠ ৪

# আমাৰ উৎসৱ















## আলোচনা কৰোঁ আহা–

- ওপৰৰ ছবিকেইখনত দেখুওৱা উৎসৱসমূহৰ নাম কি কি ?
- এইবোৰৰ উপৰি তোমালোকে আৰু কি কি উৎসৱ পালন কৰা ?
- তোমালোকৰ অঞ্চলত উদ্‌যাপন কৰা উৎসৱসমূহৰ বিষয়ে শিক্ষক-শিক্ষয়িত্ৰীক সুধি আলোচনা কৰা।

উৎসৱ বুলিলে সাধাৰণতে আনন্দ কৰা, নতুন কাপোৰ পিন্ধা, নানা ধৰণৰ খোৱাবস্তু তৈয়াৰ কৰি খোৱা, ঢোল-পেঁপা বজোৱা, ফট্‌কা ফুটুওৱা, নৃত্য কৰা , গীত গোৱা আদিবোৰ আমাৰ মনলৈ আহে। উৎসৱৰ যোগেদি আমাৰ মাজত মিলা-প্ৰীতি আৰু একতাৰ ভাৱ গঢ়ি উঠে। উৎসৱসমূহে সামাজিক পৰম্পৰা আৰু সংস্কৃতি ৰক্ষা কৰে।





## ক্ৰিয়া-কলাপ ১

উৎসৱ ভেদে আমি কিছুমান বিশেষ বিশেষ খাদ্য প্ৰস্তুত কৰোঁ। উদাহৰণস্বৰূপে- ভোগালী বিহুত নানা তৰহৰ পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰা হয়। ঈদত চেঁৱৈ, পোলাও আদি প্ৰস্তুত কৰা হয়। তলত উল্লেখ কৰা উৎসৱসমূহত কোনবিধ খাদ্য বিশেষভাৱে প্ৰস্তুত কৰা হয় তালিকাখনত লিখা-

| ঈদ | বিহু | খ্ৰীষ্টমাছ | দুৰ্গাপূজা |
|---|---|---|---|

| উৎসৱৰ সময়ত প্ৰস্তুত কৰা খাদ্য | উৎসৱৰ নাম |
|---|---|
|  | |
|  | |
|  | |
|  | |



## জানি লওঁ আহা—

- কিছুমান দিৱস আমি ৰাষ্ট্ৰীয়ভাৱে পালন কৰোঁ। উদাহৰণস্বৰূপে- স্বাধীনতা দিৱস, গণৰাজ্য দিৱস, শিশু দিৱস, শিক্ষক দিৱস, যোগ দিৱস আদি।
- মহৎলোকৰ জন্মৰ পৱিত্ৰ দিনটো জন্মোৎসৱ আৰু মৃত্যুৰ দিনটো তিৰোভাৱ তিথি হিচাপে পালন কৰা হয়। উদাহৰণস্বৰূপে- শংকৰদেৱৰ জন্মদিনটো জন্মোৎসৱ আৰু মৃত্যু দিনটো তিৰোভাৱ তিথি, গুৰুনানকৰ জন্মদিনটোক ‘গুৰুপৰ্ব’, গান্ধীজীৰ জন্মদিনটোক ‘গান্ধী জয়ন্তী’ হিচাপে পালন কৰা হয়।
- ব'হাগ বিহু, মাঘ বিহু, কাতি বিহু,আলি-আই-লৃগাং, বাইখো, বৈশাগু, কৰম পূজা আদি কৃষিৰ লগত জড়িত উৎসৱ।
- দুৰ্গাপূজা, সৰস্বতী পূজা, বৰদিন, ঈদ, ফাতেহা-ই-দোৱাজ-দহম আদি ধৰ্মৰ লগত জড়িত উৎসৱ।







## লিখোঁ আহা—

- তোমালোকৰ বিদ্যালয়ত কি কি দিৱস পালন কৰা হয়?
- কোনবোৰ দিৱসত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ৰাষ্ট্ৰীয় সংগীত গোৱা হয়?



ভাৰতৰ ৰাষ্ট্ৰীয় সংগীতটো গোৱাৰ সময়ত আৰু গীতটো গোৱা শুনিলেও আমি থিয় হৈ সন্মান জনোৱা উচিত। ভাৰতৰ ৰাষ্ট্ৰীয় সংগীতটো ৫২ ছেকেণ্ডৰ ভিতৰত পৰিৱেশন কৰিব লাগে।

কিছুমান উৎসৱ ঠাই বিশেষে পালন কৰা হয়। মৰিগাঁও জিলাৰ জাগীৰোডৰ ওচৰত জোনবিল নামৰ এখন বিল আছে। এই বিলৰ পাৰত তিৱা লোকসকলে মাঘৰ উৰুকাৰ পাছৰ বৃহস্পতিবাৰৰপৰা আৰম্ভ কৰি একেৰাহে ৩ দিন ধৰি এখন মেলা পাতে। এই মেলাখন **'জোনবিল মেলা'** নামেৰে জনাজাত। এই মেলালৈ লোকসকলে বিভিন্ন কৃষিজাত আৰু ঘৰুৱাভাৱে উৎপাদিত সামগ্ৰী লৈ আহে। এই সামগ্ৰীমূহ টকা-পইচাৰে কিনা-বেচা নকৰি বস্তুৰ সলনি বস্তুৰে আদান-প্ৰদান কৰা হয়। এনেদৰে বয়-বস্তু আদান-প্ৰদান কৰা প্ৰথাকে বিনিময় প্ৰথা বোলে।

জোনবিল মেলাৰ বিষয়ে শিক্ষকৰ পৰা বহলভাৱে জানি ল'বা।



## প্ৰকল্প—

- নিজৰ অঞ্চলৰ বিভিন্ন উৎসৱৰ ছবি সংগ্ৰহ কৰি একোটাকৈ এলবাম প্ৰস্তুত কৰিবা। (২/৩ জনীয়া দলত ভাগ হৈ ল'বা। প্ৰয়োজনত শিক্ষক আৰু অভিভাৱকৰ সহায় ল'বা।)




## দলীয় কাৰ্য—

- উৎসৱে আমাৰ মাজত একতাৰ ভাব কেনেকৈ গঢ়িব পাৰে দলত আলোচনা কৰি লিখা।



## ক্ৰিয়া-কলাপ ২

উৎসৱৰ লগত সংগতি ৰাখি সোঁফালৰ ছবিবোৰৰ লগত বাঁওফালৰ ছবিবোৰ আঁচ্ টানি মিলোৱা—





















**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে বিভিন্ন উৎসৱৰ বিষয়ে আলোচনা কৰিব আৰু স্থানীয় উৎসৱ আৰু বিদ্যালয়ত পালন কৰা দিৱসসমূহত অংশগ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিব। তদুপৰি ইণ্টাৰনেটৰ যোগেদি বিভিন্ন জাতি-জনগোষ্ঠীয়ে পালন কৰা উৎসৱসমূহ আৰু উৎসৱত পৰিধান কৰা সাজ-পাৰ দেখুৱাই আলোচনা কৰিব।

## অনুশীলনী

১। উত্তৰ লিখা -

(ক) তোমালোকে কি কি উৎসৱ পালন কৰা?

(খ) ইছলাম ধৰ্মাৱলম্বী লোকসকলে পালন কৰা উৎসৱবোৰৰ নাম কি কি?

(গ) খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে পালন কৰা প্ৰধান উৎসৱটোৰ নাম কি ?

(ঘ) তোমালোকে পালন কৰা উৎসৱত কি কি সাজ-পাৰ পিন্ধা আৰু কি কি খোৱা?

২। ধৰ্মৰ লগত জড়িত দুটা উৎসৱৰ নাম লিখা ।

৩। খেতিৰ লগত জড়িত দুটা উৎসৱৰ নাম লিখা ।

৪। বিদ্যালয়ত পালন কৰা উৎসৱসমূহৰ নাম লিখা ।

৫। তুমি ভাল পোৱা এটা উৎসৱৰ বিষয়ে পাঁচটা বাক্য লিখা।

৬। আমাৰ দেশৰ ৰাষ্ট্ৰীয় সংগীতটো গাওঁতে কিমান সময়ৰ ভিতৰত গাব লাগে?

৭। শব্দ-শৃংখলাটোত থকা উৎসৱৰ নামবোৰ বাচি উলিয়াই বহীত লিখা।

| | | | | |
|---|---|---|---|---|
| ব | ৰ | দি | ন | খ |
| ব’ | হা | গ | বি | হু |
| ঈ | বা | ই | খো | দ |
| দ | প | দে | ৰা | লী |
| ৰ | দু | র্গা | পূ | জা |

* * *



T5B7E6



পাঠ ৫

# বাগিচালৈ যাওঁ ব'লা

এদিন ৰেণু বাইদেউৱে প্ৰণৱ, আৰতি, জেনিফাৰ আৰু ছাজিদাক লৈ এখন বাগিচালৈ গৈছিল। বাগিচাখন বিভিন্ন ধৰণৰ গছ-গছনিৰে ভৰি আছিল। ৰেণু বাইদেউৱে তাত থকা গছ-গছনিবোৰৰ বিষয়ে তেওঁলোকৰ আগত সুন্দৰকৈ বৰ্ণনা কৰিছিল।



**ৰেণু বাইদেউ** —তোমালোকে বাগিচাখনৰ গছ-গছনিবোৰলৈ চোৱাচোন। এইবোৰৰ কিছুমান গছ ওখ, কিছুমান জোপোহা আৰু কিছুমান চাপৰ আৰু লেহুকা। এনেধৰণৰ গছ-গছনিবোৰেই হৈছে **উদ্ভিদ**।



**প্ৰণৱ**— এইজোপা কি গছ বাইদেউ?

**ৰেণু বাইদেউ** — এই জোপা বকুল গছ।

**প্ৰণৱ**— (গা-গছডাল চুই চাই) গছজোপা বৰ টান।



**ৰেণু বাইদেউ** — বকুল গছৰ দৰে আম, কঠাল, জামু, আঁহত আদি গছবোৰ ডাঙৰ আৰু ওখ হয়। এই গছবোৰৰ গা-গছবোৰ টান, শকত আৰু ডাল-পাতেৰে ভৰি থাকে। এনেধৰণৰ উদ্ভিদবোৰেই **বৃক্ষজাতীয় উদ্ভিদ**। বৃক্ষৰপৰাই আমি কাঠ পাওঁ। কাঠেৰে ঘৰত ব্যৱহাৰ কৰা বিভিন্ন আচবাব, যেনে— চকী, মেজ, খাট, দুৱাৰ, খিৰিকী আদি তৈয়াৰ কৰি লোৱা হয়। অসমৰ শাল, হোলোং, বনচোম, তিতাচপা আদি বৰ মূল্যবান বৃক্ষ। **হোলোং অসমৰ ৰাজ্যিক বৃক্ষ**।







**জেনিফাৰ—** (বাগিচাত জকমকাই ফুলি থকা ফুলগছবোৰলৈ চাই ক'লে) বাইদেউ, এই ফুলগছবোৰ মই চিনি পাইছোঁ। এইবোৰ গোলাপ, নাৰ্জী, জবা আৰু খৰিকাজাঁই ফুলৰ গছ।



**ৰেণু বাইদেউ—** এই গছকেইজোপা যে দেখিছা এইবোৰ বৃক্ষতকৈ চাপৰ আৰু জোপোহা। গা-গছবোৰ বৃক্ষৰ দৰে শকত নহয়। এই গছবোৰেই হৈছে **গুল্মজাতীয় উদ্ভিদ**। ডালিম, নেমু, জেতুকা আদি গুল্মজাতীয় উদ্ভিদ।








**আৰতি—** বগাই যোৱা এই উদ্ভিদবোৰৰ নাম কি?

**ৰেণু বাইদেউ—** এইবোৰ হ'ল পুৰৈ শাক আৰু ওচৰতে বগাই যোৱা সেইজোপা হ'ল লাউ।

**প্ৰণৱ—** বাইদেউ, এই লাউ আৰু পুৰৈ শাকৰ বাবে বাঁহৰ চাং কিয় সাজি দিয়া হৈছে?








**ৰেণু বাইদেউ**— এই উদ্ভিদবোৰৰ গা-গছ লেহুকা হোৱা বাবে এইবোৰে আনৰ সহায় লৈহে বগাই যাব পাৰে। বগাই যাবৰ বাবে এই গছবোৰক বাঁহৰ চাং সাজি দিয়া হয়। পাণ, জালুক, ভেদাইলতা আদি উদ্ভিদবোৰেও আন গছত বগাই যায়। এই উদ্ভিদবোৰেই হৈছে **আৰোহী লতা**। আনহাতে ৰঙালাউ, তৰমুজ আদি গছবোৰে মাটিত বগাই যায়। এনেদৰে বগাই যোৱা উদ্ভিদবোৰেই হৈছে **লতাজাতীয় উদ্ভিদ**।



**ছাজিদা**— বাইদেউ, আমি যে এই ঘাঁহনিৰ ওপৰত থিয় হৈ আছোঁ, এইবোৰ কি জাতীয় উদ্ভিদ?

**ৰেণু বাইদেউ** — এইবোৰ **তৃণজাতীয় উদ্ভিদ**। ঘাঁহ, দুৰৰিবন, ধান আদি তৃণজাতীয় উদ্ভিদ। এই তৃণজাতীয় উদ্ভিদবোৰ সৰু আৰু ইহঁতৰ গা-গছ কোমল। কিছুমান তৃণজাতীয় উদ্ভিদৰ গা-গছ ফোঁপোলা, যেনে— বাঁহ গছ। গা-গছ টান আৰু ওখ হ'লেও বাঁহ গছ এবিধ তৃণজাতীয় উদ্ভিদ। **পৃথিৱীৰ আটাইতকৈ ওখ তৃণ হ'ল বাঁহ গছ।**



## কওঁ আহা—

প্ৰণৱ, আৰতি, জেনিফাৰ আৰু ছাজিদাই বাগিচাত কি কি গছ দেখা পাইছিল?

## ক্ৰিয়া-কলাপ ১

তোমাৰ বিদ্যালয় আৰু ঘৰৰ চৌপাশে থকা উদ্ভিদবোৰ নিৰীক্ষণ কৰা। কি দেখিছা? সকলোবোৰ উদ্ভিদ দেখিবলৈ একেইনে? তুমি দেখা উদ্ভিদবোৰক গঠন অনুযায়ী তলৰ তালিকাখনত শ্ৰেণীবিভক্ত কৰা—

| উদ্ভিদৰ গঠন | | | |
|---|---|---|---|
| ওখ আৰু ঠাল-ঠেঙুলিযুক্ত (বৃক্ষ) | চাপৰ আৰু জোপোহা (গুল্ম) | গা-গছ লেহুকা আৰু বগাই যোৱা (লতা) | গা-গছ সৰু আৰু কোমল (তৃণ) |
| | | | |

আকাৰ আৰু গঠনৰ ওপৰত ভিত্তি কৰি উদ্ভিদক চাৰিটা ভাগত ভাগ কৰিব পাৰি, যেনে- **তৃণ, লতা, গুল্ম আৰু বৃক্ষ।**

গছ-গছনিবোৰ আমাৰ বাবে বৰ উপকাৰী। এইবোৰৰপৰা আমি শাক-পাচলি, ফুল, ফল, আদি পাওঁ।



## ক্রিয়া-কলাপ ২

বিভিন্ন ঋতুত বিবিধ শাক-পাচলিৰ খেতি কৰা হয়। বছৰৰ সকলো সময়ত সকলো ধৰণৰ শাক-পাচলিৰ খেতি কৰা হয়নে? শিক্ষকৰ সহায় লৈ তলৰ তালিকাখন প্ৰস্তুত কৰা—

| বাৰিষা কালত কৰা খেতি | খৰালি কালত কৰা খেতি |
|---|---|
| | |

আমাৰ চাৰিওফালে বিভিন্ন ঔষধি গুণ থকা উদ্ভিদো আছে। এইবোৰ হৈছে— নিম, ছালকুঁৱৰী, তুলসী, নৰসিংহ, মানিমুনি, ভেদাই লতা, মচন্দৰি, দুপৰ টেঙা, পদিনা আদি।



ছালকুঁৱৰী



তুলসী



মানিমুনি



নৰসিংহ



দুপৰ টেঙা



নিম



মচন্দৰি



পদিনা



ভেদাইলতা




## ক্ৰিয়া-কলাপ ৩

তোমালোকৰ অঞ্চলত ঔষধি গুণ থকা কি কি উদ্ভিদ আছে নামবোৰ লিখি এখন তালিকা প্ৰস্তুত কৰা।

### উদ্ভিদৰ অংশসমূহ-

তলৰ ছবিত দেখুওৱা ডালিম গছজোপাৰ বিভিন্ন অংশবোৰ ভালদৰে নিৰীক্ষণ কৰা—




## কৰি চাওঁ আহা—



- ➤ গছৰ পুলি এটা ভালদৰে উভালি আনি চোৱা। কি দেখিছা ?
- ➤ গছপুলিটোৰ মাটিৰ ওপৰত থকা অংশটোৰ নাম কি ?
- ➤ গছপুলিটোৰ মাটিৰ তলত সোমাই থকা অংশটোৰ নাম কি ?

### গা-গছ —

উদ্ভিদৰ মাটিৰ ওপৰত থকা অংশটো হ'ল **গা-গছ বা কাণ্ড**। গা-গছৰপৰা ডাল-পাত বা ঠাল-ঠেঙুলি আদি ওলায় ।

### শিপা—


উদ্ভিদৰ মাটিৰ তলত থকা অংশটো হ'ল **শিপা**। উদ্ভিদে মাটিৰপৰা শিপাৰে পানী আৰু খনিজ লৱণ শোষণ কৰে। শিপাই মাটিত খামুচি ধৰি গছজোপাক থিয় হৈ থকাত সহায় কৰে। উদ্ভিদৰ শিপাই খহনীয়া ৰোধ কৰে আৰু মাটি সংৰক্ষণতো সহায় কৰে।

উভালি অনা গছ পুলিটোৰ গা-গছ আৰু শিপা নিৰীক্ষণ কৰিবা আৰু তাক সযতনে ৰুই থ'বা।

## লিখোঁ আহা—

ডাঙৰ গছ এজোপা উভালিবলৈ চেষ্টা কৰা। পাৰিবানে ? যদি নোৱাৰা কিয় ?





## পাত—

উদ্ভিদে পাতৰ সহায়ত নিজৰ আহাৰ প্ৰস্তুত কৰে। ভিন্ ভিন্ গছৰ পাতৰ আকাৰ-আকৃতি আৰু ৰং ভিন্ ভিন্ হয়।

### লিখোঁ আহা—

তলত দিয়া উদ্ভিদৰ পাতবোৰ চিনাক্ত কৰি নামবোৰ লিখা—















এই পাতবোৰ কি কি কামত ব্যৱহাৰ কৰা হয় শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা বহলাই জানি লোৱা।




## ক্ৰিয়া-কলাপ ৪

বিদ্যালয়ৰ চৌহদ আৰু ঘৰৰ বাৰীত থকা গছৰ  সৰি পৰা পাত বুটলি আনা। ভালদৰে লক্ষ্য কৰা। সকলোবোৰ পাত দেখাত একেইনে? পাতবোৰৰ আকাৰ-আকৃতি আৰু ৰং চিনাক্ত কৰি তলৰ তালিকাখন পূৰ কৰা—

| কি গছৰ পাত | পাতৰ আকৃতি (ঘূৰণীয়া/ দীঘল / তিনিকোণীয়া / তৰাকৃতি) | পাতৰ ৰং |
|---|---|---|
| | | |

## কৰি চাওঁ আহা—

**পাতৰ সাঁচ বহুৱাওঁ আহা—**




– গছৰ পাত এখিলা, ৰঙীণ পেঞ্চিল আৰু বগা কাগজ এখন লোৱা।
– পাতখিলা মজিয়া বা টেবুলত ৰাখা। চাবা যাতে পাতৰ সিৰা থকা অংশটো ওপৰমূৰা হৈ থাকে।
– পাতখিলাৰ ওপৰত বগা কাগজখন থোৱা।
– এতিয়া ৰঙীণ পেঞ্চিলেৰে কাগজৰ ওপৰত লাহে লাহে ঘঁহা। সাৱধান হ'বা যাতে পাতখিলা আৰু কাগজখিলা লৰচৰ নহয়।
– এতিয়া পাতৰ সাঁচটো ভালদৰে লক্ষ্য কৰা আৰু কি দেখিলা কোৱা।

**পাতখিলাৰ সাঁচটোত তোমালোকে সিৰা-উপসিৰা দেখা পাবা।**

### গছৰ পাতৰ গোন্ধ আছেনে?

কিছুমান গছৰ পাতৰ বিশেষ গোন্ধ থাকে, উদাহৰণস্বৰূপে- তুলসী, পদিনা, নৰসিংহ, ধনিয়া, ভেদাইলতা, নেমু আদি। গছৰ পাতৰ দৰে কিছুমান ফলৰো গোন্ধ থাকে, যেনে- কমলা, কঁঠাল, আম, মধুৰি-আম, ৰবাব টেঙা আদি। এই ফলবোৰ কাটিলে আমি দূৰৈৰ পৰাই গোন্ধ পাওঁ।






### ফুল-

ভিন্ ভিন্ ঋতুত সাধাৰণতে বিভিন্ন ধৰণৰ ফুল ফুলে। ডালিয়া, নাৰ্জী আদি শীতকালত ফুলা ফুল। আনহাতে কপৌ, নাহৰ, তগৰ আদি বসন্ত কালত ফুলা ফুল। আন কিছুমান ফুল আকৌ গোটেই বছৰ ধৰি ফুলি থাকে, যেনে- গোলাপ, জবা, কৰবী ফুল আদি। শেৱালি, হাছনাহানা আদি ৰাতি ফুলা ফুল। কিছুমান ফুল পানীত ফুলে, যেনে- পদুম, ভেঁট আদি। **পদুম ফুল আমাৰ দেশৰ ৰাষ্ট্ৰীয় ফুল।** কিছুমান ফুলৰ গোন্ধ আছে আৰু কিছুমানৰ গোন্ধ নাই। পখিলা, ভোমোৰা, মৌ-মাখি আৰু মৌ-পিয়া চৰাইয়ে ফুলে ফুলে পৰি ফুলৰ মৌ চুহি খায়। মৌ-মাখিয়ে ফুলৰ মৌ চুহি মৌ-চাক তৈয়াৰ কৰে।

### লিখোঁ আহা—


তলৰ ছবিত থকা ফুলবোৰ চিনাক্ত কৰি ছবিৰ তলে তলে ফুলৰ নামবোৰ লিখা-
























## ক্ৰিয়া-কলাপ ৫

তোমালোকৰ বিদ্যালয় অথবা ঘৰৰ আশে পাশে কি কি ফুল দেখিছা? গোন্ধ থকা, গোন্ধ নথকা, শীতকালত আৰু বসন্তকালত ফুলা ফুলবোৰ চিনাক্ত কৰি তলৰ তালিকাখন পূৰ কৰা— (শিক্ষক আৰু অভিভাৱকৰ সহায় ল'বা।)

| বসন্তকালত ফুলা | শীতকালত ফুলা | গোন্ধ থকা | গোন্ধ নথকা |
|---|---|---|---|
| | | | |

**ফল-**

ফুলৰপৰা ফল হয়। ফলৰ ভিতৰত বীজ থাকে। এই বীজৰ অংকুৰণ ঘটি নতুন উদ্ভিদৰ সৃষ্টি হয়।



## প্ৰকল্প—

তোমালোকে বিদ্যালয়ৰ চৌহদত এখন শাক-পাচলিৰ বাগিচা পাতিবা। বাগিচাখনত জেওৰা দিবা। সময়মতে সাৰ-পানী দি যতন লোৱাটো নিশ্চিত কৰিবা।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে পাঠত দিয়া ক্ৰিয়া-কলাপসমূহ কৰাত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব। বুট-মাহ (বীজ) অংকুৰিত কৰি ৰোপণ কৰালৈকে প্ৰক্ৰিয়াটো কৰি দেখুৱাব। তদুপৰি ছাত্ৰ-ছাত্ৰীক গছপুলি ৰোপণ কৰি প্ৰতিপালন কৰাৰ লগতে গছৰ লগত বন্ধুত্ব স্থাপন কৰিবলৈ উৎসাহিত কৰিব। ছাত্ৰ-ছাত্ৰীসকলৰ লগত ঘৰ আৰু বিদ্যালয়ৰ চৌপাশে থকা বিভিন্ন উদ্ভিদবোৰৰ স্থানীয় নামৰ বিষয়ে আলোচনা কৰিব। বিদ্যালয়ৰ আশে পাশে পাব পৰা আৰোহী লতা আৰু লতাজাতীয় উদ্ভিদ দেখুৱাই দুয়োবিধৰ মাজৰ পাৰ্থক্য বুজাই দিব।

## অনুশীলনী

১। উত্তৰ লিখা-

(ক) এবিধ আৰোহীলতাৰ নাম ।

(খ) চাৰিবিধ বৃক্ষজাতীয় উদ্ভিদৰ নাম ।

(গ) দুবিধ গুল্মজাতীয় উদ্ভিদৰ নাম।

(ঘ) বাৰিষা কালত হোৱা দুবিধ শাক-পাচলিৰ নাম।

(ঙ) অসমত পোৱা দুবিধ মূল্যৱান কাঠৰ নাম।

২। খালী ঠাই পূৰ কৰা –

(ক) গছে__________________ৰ দ্বাৰা পানী শুহি লয়।

(খ) মৌ-মাখিয়ে ফুলৰ মৌ চুহি__________________তৈয়াৰ কৰে।

(গ) কপৌ ফুল__________________ কালত ফুলে।

(ঘ) পৃথিৱীৰ আটাইতকৈ ওখ তৃণজাতীয় উদ্ভিদ হ'ল ______________।

(ঙ) ডালিম ________________ জাতীয় উদ্ভিদ।

৩। শুদ্ধ শব্দটোত '✓' চিন দিয়া-

(ক) বাঁহ গছ গুল্ম / বৃক্ষ / তৃণজাতীয় উদ্ভিদ।

(খ) বৃক্ষজাতীয় উদ্ভিদৰ গা-গছ বৰ টান / কোমল/ ফোঁপোলা।

(গ) উদ্ভিদে গা-গছ/শিপাৰে মাটিৰপৰা পানী শোষণ কৰে।

(ঘ) উদ্ভিদৰ গা-গছ / শিপাৰপৰা ডাল-পাত ওলায়।


(ঙ) ছালকুঁৱৰী তৃণ/ গুল্মজাতীয় উদ্ভিদ।

৪। আকাৰ আৰু গঠনৰ ওপৰত ভিত্তি কৰি উদ্ভিদৰ ভাগ কেইটা আৰু কি কি?

৫। এজোপা উদ্ভিদৰ ছবি আঁকি বিভিন্ন অংশবোৰৰ নাম লিখা।

৬। 'গছ-গছনি সংৰক্ষণ'ৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে শ্ল'গান লিখি পোষ্টাৰ তৈয়াৰ কৰা।

* * *



W2W4A9

## পাঠ ৬


# আমাৰ চৌপাশৰ প্ৰাণীবোৰ






এদিনাখন শিখামণি বিদ্যালয়ৰপৰা ঘৰলৈ আহি আছিল। এনেতে তাই দেখিলে যে আলিবাটৰ কাষৰ পুখুৰী এটাত এজন মাছমৰীয়াই জালেৰে মাছ মাৰি আছে। মাছমৰীয়াজনে জালৰপৰা মাছবোৰ এৰুৱাই খালৈত ভৰাইছে। মাছৰ সৈতে উঠি অহা ভেকুলীবোৰ জালৰপৰা এৰুৱাই মাটিত এৰি দিছে। তাই লক্ষ্য কৰিলে যে ভেকুলীকেইটাই মাটি পাই ইফালে সিফালে জঁপিয়াবলৈ ধৰিছে। দুটামান ভেকুলীয়ে আকৌ পানীত জাঁপ মাৰি সাঁতুৰিবলৈ ধৰিছে। ভুলবশতঃ মাছমৰীয়াই দুটা মাছ ভেকুলীৰ লগতে মাটিত এৰি দিছিল। তাৰে এটা মাছ কেনেবাকৈ পানীত পৰি গ'ল। পানী পাই মাছটো দূৰলৈ গুচি গ'ল। কিন্তু মাটিত পৰি থকা আনটো মাছে ধৰ্‌ফৰাবলৈ ধৰিলে। শিখামণিয়ে মন কৰিলে যে মাটিত পৰি থকা মাছটোৱে বৰ কষ্ট পাইছে। তাইৰ মনত বৰ কৌতূহল হ'ল —

মাছে কেৱল পানীতহে থাকিব পাৰে, আনহাতে ভেকুলীয়ে মাটি আৰু পানী উভয়তে থাকিব পাৰে। কিয় ?




মাছৰ কাণ দুখনৰ তলত ৰঙা ৰঙৰ ফুল আছে। মাছে পানীত এই ফুলবোৰৰ সহায়ত উশাহ-নিশাহ লয়। ফুলৰ সহায়ত উশাহ লয় বাবে মাছ পানী অবিহনে জীয়াই থাকিব নোৱাৰে। মাছে দেহৰ দুয়োকাষে থকা ফান আৰু পিছ অংশত থকা ফিচাৰ সহায়ত পানীত সাঁতোৰে। পানীত থাকে বাবে মাছ এবিধ **জলচৰ প্ৰাণী**।





ভেকুলীৰ ঠেঙৰ পতা

ছবিখনত থকা ভেকুলীটোৰ ঠেংকেইখনলৈ মন কৰা। ভেকুলীৰ ঠেং চাৰিখনত পতা থকা বাবে ইহঁতে পানীত সাঁতুৰিব পাৰে। ঠেং থকা বাবে ইহঁতে মাটিত জঁপিয়াই ফুৰিবও পাৰে। মাটিত থকা সময়ত ইহঁতে হাঁওফাঁওৰে আৰু পানীত থকা সময়চোৱাত ছালেৰে উশাহ-নিশাহ লয়। মাটি আৰু পানী উভয়তে থাকিব পাৰে বাবে ভেকুলী এবিধ **উভচৰ প্ৰাণী**।




## কওঁ আহা—

কেৱল মাটিত থাকিব পৰা কিছুমান প্ৰাণীৰ নাম।


কিছুমান প্ৰাণীয়ে কেৱল মাটিত বাস কৰে। সেইবাবে সিহঁতক **স্থলচৰ প্ৰাণী** বোলে। প্ৰায়ভাগ স্থলচৰ প্ৰাণীৰে ঠেং থাকে। ঠেঙৰ সহায়ত ইহঁতে খোজ কাঢ়িব বা দৌৰিব পাৰে। স্থলচৰ প্ৰাণীবোৰৰ কিছুমান ঘৰচীয়া আৰু কিছুমান বনৰীয়া। মানুহে ঘৰত পোহা প্ৰাণীবোৰ **ঘৰচীয়া** অথবা পোহনীয়া। ইহঁতক থকা ঠাইৰ ব্যৱস্থা মানুহে সুকীয়াকৈ কৰি দিয়ে। আনহাতে বনৰীয়া প্ৰাণীবোৰ হাবি-জংঘলত থাকে। ইহঁতে নিজাকৈ আহাৰ আৰু থকা ঠাই বিচাৰি লয়।

প্ৰাকৃতিকভাৱে প্ৰাণীয়ে যি ঠাইত বাস কৰে সেইবোৰেই হ'ল সিহঁতৰ আবাসস্থলী। আবাসস্থলীৰ ওপৰত ভিত্তি কৰি প্ৰাণীবোৰক **জলচৰ, উভচৰ** আৰু **স্থলচৰ** হিচাপে শ্ৰেণী বিভাজন কৰা হয়।

### প্ৰানীৰ বাসস্থান -

| ঘৰচীয়া প্ৰাণীৰ বাসস্থান | | বনৰীয়া প্ৰাণীৰ বাসস্থান | |
|---|---|---|---|
| গৰু ৰখা ঘৰ— গোহালি |  | সিংহ, ভালুক থাকে— গুহাত |  |
| ঘোঁৰা ৰখা ঘৰ —আস্তাবল |  | শিয়াল, শহাপহু থাকে— গাঁতত |  |
| হাঁহ-কুকুৰা, গাহৰি ৰখা ঘৰ— গঁৰাল |  | বাৰৈটোকা, ফেঁচা, কেৰ্কেটুৱা থাকে— গছৰ খোৰোঙত |  |





## লিখোঁ আহা—

- ছবিখনত থকা কোনবোৰ ঘৰচীয়া আৰু কোনবোৰ বনৰীয়া প্ৰাণী?
- এই ঘৰচীয়া আৰু বনৰীয়া প্ৰাণীবোৰে কি কি খাদ্য খায়? (শিক্ষকৰ সহায় ল'বা।)

## প্ৰকল্প —

শিক্ষক/অভিভাৱকৰ সহায়ত পুৰণা কেলেণ্ডাৰৰ পিছফালে আঠা লগাই ঘৰচীয়া আৰু বনৰীয়া প্ৰাণীৰ ছবিৰ চাৰ্ট প্ৰস্তুত কৰিবা। (২/৩ জনীয়া দলত ভাগ হৈ ল'বা।)

কিছুমান প্ৰাণী মাটিত গাঁত কৰি থাকে, যেনে- উঁইচিৰিঙা, পৰুৱা, কেঁচু, কুমটি, উঁইপৰুৱা আদি। উঁইপৰুৱাই মাটিৰে উঁই-হাঁফলু সাজি থাকে। কেঁচু, কুমটি আদি প্ৰাণীয়ে সূৰ্যৰ তাপ সহ্য কৰিব নোৱাৰে বাবে ইহঁত মাটিৰ তলত থাকে।






উঁইচিৰিঙা



কুমটি



কেঁচু



পৰুৱা

## লিখোঁ আহা—

- তোমালোকে চৌপাশত দেখা কিছুমান প্ৰাণী বা চৰাইৰ নাম ।
- সেই সকলোবোৰ প্ৰাণীয়ে একেধৰণে চলা-ফুৰা কৰেনে?





ভেকুলী, শহাপহু, ঘনচিৰিকা আদিয়ে জঁপিয়াই জঁপিয়াই ইফালৰপৰা সিফাললৈ চলা-ফুৰা কৰে।



সাপ, ঘঁৰিয়াল, তেজপিয়া, জেঠী আদি প্ৰাণীয়ে বগাই যায়। জেঠীয়ে ঠেঙৰ তলুৱাৰে থিয় ঠাইতো খোপনি পুতি বগাব পাৰে।



ঘঁৰিয়াল



জেঠী



সাপ

## চৰায়ে কেনেকৈ উৰে জানানে ?



পাৰ



ভাটৌ

চৰায়ে সিহঁতৰ গাত থকা ডেউকা দুখনেৰে উৰিব পাৰে। হাড়বোৰ ফোঁপোলা হোৱা বাবে ইহঁতৰ দেহটো পাতল।

টোঁৱাকাউৰী, ভেলাহাঁহ (পেলিকান) আদি চৰাইবোৰৰ ডেউকা বৰ শক্তিশালী । সেইবাবে সিহঁতে দূৰ- দূৰণিলৈ উৰিব পাৰে।



ঢোঁৱাকাউৰী



পেলিকান



চিলনী



শগুণ

তেনেদৰে শগুন, চিলনী আদি চৰায়ে বহু ওপৰলৈকো উৰিব পাৰে।



উটপখী

কিছুমান চৰায়ে উৰিব নোৱাৰে, যেনে- উটপখী আৰু পেংগুইন। **উটপখী পৃথিৱীৰ চৰাইবোৰৰ ভিতৰত আটাইতকৈ ডাঙৰ।** উটপখীয়ে খোজকাঢ়িব আৰু বেগাই দৌৰিবও পাৰে। উটপখী আটাইতকৈ বেগাই দৌৰিব পৰা প্ৰাণী। পেংগুইনে খোজকাঢ়ি চলা-ফুৰা কৰে আৰু ডেউকাৰ সহায়ত পানীত সাঁতোৰে।



পেংগুইন



## কওঁ আহা—

চৰায়ে বাহ সাজিবলৈ কি কি সামগ্ৰী ব্যৱহাৰ কৰে? (শিক্ষক আৰু ডাঙৰক সুধি জানি লোৱা।)

## ক্ৰিয়া-কলাপ ১

তলত দিয়া প্ৰাণীবোৰে কেনেকৈ চলা-ফুৰা কৰে, সেই অনুযায়ী তালিকাত ভৰোৱা—

শহাপহু, ঢোঁৰাকাউৰী, সাপ, শগুন, পেংগুইন,
চিলনী, ভেলাহাঁহ, জেঠী, ভেকুলী, পাৰ, উটপখী

| বগাই যোৱা | খোজকাঢ়ি যোৱা | জঁপিয়াই যোৱা | উৰি যোৱা |
|---|---|---|---|
| | | | |


## ক্ৰিয়া-কলাপ ২

তলৰ তালিকাত উল্লেখ কৰা চৰাইবোৰে কি কি খাদ্য খায় পৰ্যবেক্ষণ কৰি লিখা—

| কাউৰী | শালিকা | ঘনচিৰিকা | পাৰ | কপৌ |
|---|---|---|---|---|
| | | | | |

## দলীয় কাৰ্য—

তোমালোকে দুটা দলত ভাগ হৈ ল'বা। এটা দলে বিভিন্ন চৰাই-চিৰিকটিৰ মাত মাতি শুনাবা আৰু আনটো দলে সেয়া কি চৰাইৰ মাত চিনাক্ত কৰি ক'বা।



## কওঁ আহা—

- তলৰ ছবিকেইখনলৈ ভালদৰে চোৱা। কি কি দেখিছা?
- ঘৰচীয়া প্ৰাণীবোৰে আমাক কি কি কামত সহায় কৰে?









মানুহে খাদ্য আৰু বিভিন্ন কামৰ বাবে প্ৰাণীৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। এই উপকাৰী প্ৰাণীবোৰক মানুহে আদৰ-যত্ন কৰি পোহে।

## ক্ৰিয়া-কলাপ ৩

তলত উল্লেখ কৰা ঘৰচীয়া প্ৰাণীবোৰৰপৰা আমি কি কি খাদ্যবস্তু পাওঁ তালিকাখনত লিখা—

| প্ৰাণী | কি কি খাদ্য পাওঁ |
|---|---|
| গৰু-ম'হ | |
| হাঁহ-কুকুৰা | |
| ছাগলী | |



### ঘৰচীয়া প্ৰাণীৰ যতন আৰু সুৰক্ষা—

ঘৰচীয়া প্ৰাণীবোৰে সুৰক্ষাৰ বাবে মানুহৰ ওপৰত নিৰ্ভৰ কৰে। মানুহৰপৰা আদৰ-যত্ন পাই ইহঁতে সুৰক্ষিত অনুভৱ কৰে।





### কওঁ আহা—

ছবিকেইখনত ঘৰচীয়া প্ৰাণীবোৰৰ যত্ন কেনেদৰে লোৱা হৈছে?

**পোহনীয়া অথবা ঘৰচীয়া প্ৰাণীবোৰৰ কেনেকৈ যত্ন ল'ব লাগে?**

- সময়মতে খাদ্য আৰু পানী যোগান ধৰিব লাগে।
- থাকিবৰ বাবে বাসস্থান সাজি দিব লাগে।
- গা-ধুৱাই পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখিব লাগে।
- বাসস্থানবোৰ চাফ-চিকুণকৈ ৰাখিব লাগে।
- বেমাৰ হ'লে পশু চিকিৎসালয়লৈ নিব লাগে।
- বিভিন্ন বেমাৰৰপৰা ৰক্ষা পাবৰ বাবে সময়মতে সিহঁতক ৰোগ প্ৰতিষেধক বেজী দিয়াব লাগে।

### লিখোঁ আহা—

- তোমাৰ ঘৰত কি কি পোহনীয়া বা ঘৰচীয়া প্ৰাণী আছে? সেইবোৰৰ যতন কেনেদৰে লোৱা হয়? অভিভাৱকক সুধি লিখা।
- তোমালোকৰ ছাগলী পোৱালিটোৱে আহাৰ খাবলৈ মন কৰা নাই। এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা উচিত? চিন্তা কৰি লিখা।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** পাঠত উল্লেখ কৰা ঘৰচীয়া প্ৰাণীবোৰৰ উপৰি আন কি কি ঘৰচীয়া প্ৰাণীয়ে আমাক সহায় কৰে, সেই বিষয়ে ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰিব। ছাত্ৰ-ছাত্ৰীসকলক চৌপাশে দেখা পোৱা চৰাইবোৰৰ মাত শুনি সেইবোৰ কি কি চৰাই চিনাক্ত কৰিবলৈ উৎসাহিত কৰিব।

## অনুশীলনী

১। এটা শব্দত উত্তৰ লিখা-

(ক) পানীত সাঁতুৰিব পৰা চৰাই এটাৰ নাম।

(খ) আটাইতকৈ ডাঙৰ চৰাই বিধৰ নাম।

(গ) মাটি আৰু পানী উভয়তে থাকিব পৰা প্ৰাণী এবিধৰ নাম।

(ঘ) বগাই যাব পৰা দুবিধ প্ৰাণীৰ নাম।

(ঙ) জঁপিয়াই যাব পৰা দুবিধ প্ৰাণীৰ নাম।

২। খালী ঠাই পূৰ কৰা—

(ক) চৰাইৰ —— ফোঁপোলা হোৱা বাবে দেহটো ——।


(খ) পানীত থাকে বাবে মাছ এবিধ ____________ প্ৰাণী।

(গ) উঁইপৰুৱাই মাটিৰে____________সাজি থাকে।

৩। ঘৰচীয়া প্ৰাণীয়ে আমাক কোনবোৰ কামত সহায় কৰে ?

৪। মাছে কেনেকৈ পানীত সাঁতোৰে?


৫। ছবিত দেখুওৱা প্ৰাণীবোৰৰ নাম আৰু সেইবোৰ ক'ত থাকে লিখা—


৬। শব্দ শৃংখলাটোত থকা ঘৰচীয়া প্ৰাণীবোৰ বাছি উলিয়াই O চিনেৰে ঘেৰ দিয়া—

| | | | | |
|---|---|---|---|---|
| ঘ | মে | কু | ৰী | পা |
| হাঁ | ছা | কু | কু | ৰ |
| হ | গ | ৰা | ম' | হ |
| ভা | লী | গা | ধ | ল |

* * *



K7V2V7

# পাঠ ৭

# আমাৰ খাদ্য






ছবিখনলৈ চোৱা। এনেধৰণৰ খাদ্যমেলালৈ তোমালোকে কেতিয়াবা গৈ পাইছানে?

খাদ্যমেলাত বিভিন্ন ধৰণৰ খাদ্য তৈয়াৰ কৰি প্ৰদৰ্শন আৰু বিক্ৰী কৰা হয়।

## লিখোঁ আহা—

- ছবিখনত দেখুওৱা খাদ্যমেলাখনত কি কি খাদ্য বিক্ৰী কৰা দেখা পাইছা?
- এই খাদ্যবোৰৰ ভিতৰত কোনবোৰ খাদ্য তোমাৰ প্ৰিয়?

### এই খাদ্যবোৰ আমি ক'ৰপৰা পাওঁ?

খাদ্যৰ বাবে আমি সকলো উদ্ভিদ আৰু প্ৰাণীৰ ওপৰত নিৰ্ভৰশীল। উদ্ভিদৰ বিভিন্ন অংশ আমি খাদ্য হিচাপে ব্যৱহাৰ কৰোঁ। প্ৰাণীৰপৰাও আমি কিছুমান খাদ্য আহৰণ কৰোঁ, যেনে- গাখীৰ, কণী, মৌ, মাংস আদি। গাখীৰৰ পৰা পনীৰ, দৈ, ঘিউ আদি প্ৰস্তুত কৰা হয়।



## ক্ৰিয়া-কলাপ ১


তলৰ ছবিবোৰ চাই প্ৰাণী আৰু উদ্ভিদৰপৰা পোৱা খাদ্যসমূহ চিনাক্ত কৰি তালিকাখন পূৰোৱা—



| প্ৰাণীৰপৰা পোৱা | উদ্ভিদৰপৰা পোৱা |
|---|---|
| | |

## ক্ৰিয়া-কলাপ ২

তলত কিছুমান খাদ্যৰ ছবি দিয়া হৈছে। এইবোৰ উদ্ভিদৰ কোন কোন অংশ তাক তলৰ তালিকাখনত লিখা — (শিক্ষকৰ সহায় ল'বা।)



| পাত | কাণ্ড বা গা-গছ | ফল | গুটি/ বীজ | শিপা |
|---|---|---|---|---|
| | | | | |



## আমি খাদ্য কিয় ৰান্ধি খাওঁ?

প্ৰতিদিনে আমি বিভিন্ন খাদ্য, যেনে- ভাত, দাইল, সেউজীয়া শাক-পাচলি, গাখীৰ আদি খাওঁ। ইয়াৰে কিছুমান কেঁচাই খোৱা হয় আৰু কিছুমান ৰান্ধি খোৱা হয়। খাদ্য ৰান্ধিলে কোমল আৰু সোৱাদ হয়। সিজোৱা খাদ্য সহজে হজম হয়। কিছুমান খাদ্য ৰান্ধি নাখালে হজম নহয়।



### ক্ৰিয়া-কলাপ ৩

তোমালোকে খোৱা খাদ্যবোৰৰ কোনবোৰ ৰান্ধি বা কেঁচাই খোৱা তলৰ তালিকাখনত লিখা—

| ৰান্ধি খোৱা খাদ্য | কেঁচাই খোৱা খাদ্য | কেঁচাই আৰু ৰান্ধি খাব পৰা খাদ্য |
|---|---|---|
| | | |

**ছাত্ৰ-ছাত্ৰীৰ কথোপকথন-**

**জাভেদ—**



মই ৰাতি ভাতৰ লগত দাইল, কণী আৰু ফুলকবিৰ ভাজি খাইছিলোঁ।

মই মাছ খাই খুব ভাল পাওঁ। কালি ভাতৰ লগত পালেং শাকেৰে ৰন্ধা মাছৰ জোল খাইছিলোঁ।



**—মিচিকি**

**অমৰ—**



পৰহি দেউতাই বহুতো ফল-মূল আনিছিল। মই কল আৰু আম খাইছিলোঁ।

বিদ্যালয়লৈ অহাৰ আগতে মই ৰুটি, আলু ভাজি আৰু গাখীৰ খালোঁ।



**—মেৰী**



## ক্ৰিয়া- কলাপ ৪

ছাত্ৰ-ছাত্ৰীসকলৰ কথোপকথনত উল্লেখ থকা খোৱা বস্তুবোৰৰ নামৰ তালিকা এখন প্ৰস্তুত কৰা।

## ক্ৰিয়া-কলাপ ৫

তোমালোকে ঘৰত প্ৰায়েই কি কি আহাৰ খোৱা তলৰ তালিকাখনত লিখা—

| ৰাতিপুৱা | দুপৰীয়া | আবেলি | ৰাতি |
|---|---|---|---|
| | | | |

## আঁকো আহা—

তুমি ভালপোৱা এবিধ খাদ্যৰ ছবি আঁকি নাম লিখা—

### আমি খাদ্য কিয় খাওঁ?

খাদ্য খালে আমি কাম কৰিবলৈ শক্তি পাওঁ। শৰীৰ বৃদ্ধি হ'বলৈ আৰু বেমাৰৰপৰা ৰক্ষা পাবলৈও খাদ্যৰ প্ৰয়োজন। খাদ্যই আমাৰ শৰীৰত বিভিন্ন প্ৰকাৰৰ কাম কৰে।



কিছুমান খাদ্যই আমাৰ শৰীৰত শক্তি যোগায়। তেনে কিছুমান খাদ্য হ'ল -



ভাত


ৰুটি


চিৰা


পিঠা


চেনি


আলু


মাখন


গাখীৰ

কিছুমান খাদ্যই আমাৰ শৰীৰ বৃদ্ধি হোৱাত সহায় কৰে। তেনে কিছুমান খাদ্য হ'ল—


কণী


মটৰ মাহ


ছয়াবিন


দাইল


মাছ


মাংস


উৰহী


বাদাম

কিছুমান খাদ্যই আমাক বেমাৰ-আজাৰৰপৰা ৰক্ষা কৰে। তেনে কিছুমান খাদ্য হ'ল -


সুমথিৰা


আমলখি


মধুৰি-আম


পালেং


ঢেঁকীয়া


কলডিল


জলফাই


শিলিখা

আমি প্ৰতিদিনে শৰীৰক শক্তি যোগোৱা, বৃদ্ধিত সহায় কৰা আৰু বেমাৰ-আজাৰৰপৰা ৰক্ষা কৰা খাদ্য খাব লাগে। লগতে পৰ্যাপ্ত পৰিমাণৰ বিশুদ্ধ পানী সেৱন কৰিব লাগে। তেতিয়া আহাৰ সুষম হয়। এই খাদ্যবোৰৰ কোনো এটাৰ পৰিমাণ কম বা বেছি হ'লে আমাৰ পুষ্টিত ব্যাঘাত জন্মিব আৰু শৰীৰত নানা ৰোগৰ লক্ষণে দেখা দিব পাৰে।



## ক্ৰিয়া-কলাপ ৬

তলত দিয়া খাদ্যসমূহৰ কোনবোৰ খাদ্য তোমালোকে প্ৰতিদিনে খোৱা বাছি উলিয়াই খালী বাকচত '✓'চিন দিয়া—

























## কওঁ আহা—

- সিপিঠিত উল্লেখ কৰা খাদ্যসমূহৰ কোনবোৰ সুষম আহাৰৰ অন্তৰ্ভুক্ত হোৱা উচিত?
- তোমালোকে খোৱা কোনবোৰ আহাৰ শৰীৰৰ বাবে অপকাৰী?

আমাৰ দৈনন্দিন খোৱা খাদ্যত পুষ্টিদায়ক উপাদান থকা প্ৰয়োজন। শৰীৰৰ বাবে প্ৰয়োজনীয় খাদ্যত আৱশ্যকীয় পৰিমাণৰ শৰ্কৰা, চৰ্বি, প্ৰ'টিন, ভিটামিন, খনিজ লৱণ আৰু পানী থাকিলে, সেই খাদ্যক সুষম আহাৰ বুলি কোৱা হয়।



## প্ৰকল্প—

তোমালোকে ৪/৫ জনীয়া দলত ভাগ হৈ প্ৰত্যেক দলে একোখনকৈ সুষম আহাৰৰ তালিকা প্ৰস্তুত কৰিবা। (শিক্ষক আৰু অভিভাৱকৰ সহায় ল'বা।)



## জানি লওঁ আহা—

- শাক-পাচলি , ফল-মূল আদি খোৱা বা ৰন্ধাৰ আগতে ভালদৰে ধুই ল'ব লাগে।
- খোৱা আহাৰ আৰু পানী সদায় ঢাকি ৰাখিব লাগে।
- ফল-মূলবোৰ কাটি লগে লগে খাব লাগে।
- পৰিষ্কাৰ বাচন-বৰ্তনতহে আহাৰ খাব লাগে।
- সদায় বিশুদ্ধ পানী সেৱন কৰিব লাগে।
- পেকেটত থকা আলুৰ চিপ্‌ছ, শীতল পানীয়, মচলাযুক্ত খাদ্য, চাওমিন, আইচক্ৰীম আদি জুতি লগা বস্তু আমাৰ শৰীৰৰ বাবে অপকাৰী।
- বজাৰত মুকলিকৈ ৰখা খাদ্যবস্তু খাব নালাগে। কিয়নো মুকলিকৈ ৰখা খাদ্যত ধূলি-বালি, মাখি আদি পৰে।
- প্ৰয়োজনতকৈ বেছি পৰিমাণে খাদ্য কাঁহীত লৈ অপচয় কৰিব নালাগে। কিয়নো আমাৰ সমাজত দুবেলা দুমুঠি পেট ভৰাই খাবলৈ নোপোৱা মানুহো আছে।
- খাদ্যৰ অপচয় হোৱাৰ ফলত আৱৰ্জনাৰ সৃষ্টি হৈ পৰিৱেশ দূষিত হ'ব পাৰে।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীক সুষম আহাৰ খোৱা আৰু সু-অভ্যাস গঢ়ি তোলাৰ প্ৰতি উৎসাহিত কৰিব। শিক্ষকে পাঠত উল্লেখ কৰা শৰীৰৰ বাবে অপকাৰী খাদ্যবস্তুৰ উপৰি ৰাস্তাৰ কাষত মুকলিকৈ আৰু লেতেৰা পৰিৱেশত বিক্ৰী কৰা খোৱাবস্তু আৰু পেকেটত থকা খাদ্যবস্তুৰ অপকাৰিতাৰ বিষয়ে শ্ৰেণীত আলোচনা কৰিব। খাদ্যৰ অপচয় ৰোধ কৰিবলৈ কি কি ব্যৱস্থা হাতত ল'ব পাৰি সেই বিষয়ে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰিব।



## অনুশীলনী

১। উত্তৰ লিখা –

(ক) শৰীৰক শক্তি যোগোৱা দুবিধ খাদ্যৰ নাম।

(খ) শৰীৰ বৃদ্ধি হোৱাত সহায় কৰা দুবিধ খাদ্যৰ নাম।

(গ) আমাক ৰেমাৰ-আজাৰৰপৰা ৰক্ষা কৰা দুবিধ খাদ্যৰ নাম।

(ঘ) শৰীৰৰ বাবে অপকাৰী দুবিধ খাদ্যৰ নাম।

২। শুদ্ধ উক্তিটোত (✓) চিন দিয়া-

(ক) আহাৰে আমাৰ শৰীৰত শক্তি যোগায়।

(খ) সদায় বিশুদ্ধ পানী সেৱন কৰিব লাগে।

(গ) আলুৰ চিপ্‌ছ, শীতল পানীয়, আইচক্ৰীম আদি আমাৰ শৰীৰৰ বাবে উপকাৰী।

(ঘ) বজাৰত মুকলিকৈ ৰখা খাদ্যবস্তু খাব নালাগে।

৩। তলত উল্লেখ কৰা উপযুক্ত শব্দৰে খালী ঠাই পূৰ কৰা-

অপচয়, শক্তি, সোৱাদ, নিৰোগী, সুষম

(ক) আহাৰ খালে আমি কাম কৰিবলৈ________________ পাওঁ।

(খ) শাক-পাচলি, ফল-মূল আদি নিয়মীয়াকৈ খালে আমাৰ শৰীৰটো ____________ হৈ থাকে।

(গ) প্ৰতিদিনে ____________আহাৰ খাব লাগে।

(ঘ) খাদ্য ____________কৰিব নালাগে।

(ঙ) খাদ্য ৰান্ধিলে কোমল আৰু ____________হয়।

৪। উত্তৰ লিখা—

(ক) মুকলিকৈ ৰখা খাদ্য আমি কিয় খাব নালাগে ?

(খ) আহাৰ খাওঁতে কি কি নিয়ম মানি চলিবা?

* * *



R4L6X9



## পাঠ ৮

# আমাৰ চৌপাশৰ বায়ু

### পঢ়োঁ আহা—

বায়ু আছে গম পাওঁ
বিচনীৰ বা ল'লে,
ৰঙা নীলা চিলাবোৰ
আকাশত উৰুৱালে।



বায়ু আছে গম পাওঁ
বতাহ বলিলে,
ধূলি-বালি, কাপোৰ-কানি
তুলাবোৰ উৰিলে।



বায়ু আছে গম পাওঁ
গছ-পাত লৰিলে,
কাগজৰ চকৰি সাজি
হাতত লৈ ঘূৰালে।



### কওঁ আহা—

কি কি কাম কৰিলে আমি আমাৰ চৌপাশে বায়ু থকাটো অনুভৱ কৰোঁ?



**বায়ু সকলোতে আছে। বায়ু গেছীয় অৱস্থাত থাকে আৰু ই বৰণহীন বাবে আমি চকুৰে দেখা নাপাওঁ; কিন্তু অনুভৱ কৰোঁ।**




## কৰি চাওঁ আহা—



- পলিথিনৰ মোনা এটাৰ মুখখন খুলি ৰাখি তোমাৰ চাৰিওফালেদি এপাক ঘুৰাই দিয়া। এতিয়া খোলা মুখখন বন্ধ কৰি দিয়া। কি দেখিলা? পলিথিনৰ মোনাটো ফুলি উঠিলনে? কিয় ফুলি উঠিল? মোনাটোৰ ভিতৰত আমাৰ চাৰিওফালে থকা বায়ু সোমাল কাৰণে ই ফুলি উঠিল।

- এটা ডাঙৰ পাত্ৰত পানী ভৰাই লোৱা। এতিয়া এটা খালী বটলৰ খোলা মুখখন ওপৰমুৱাকৈ ধৰি পাত্ৰটোৰ পানীখিনিত পোনে পোনে বটলটো তললৈ ডুবাই দিয়া। পানীৰপৰা বুৰ্‌বুৰণি ওলাইছেনে? যদি ওলাইছে কিয়? বটলৰ ভিতৰত থকা বায়ুখিনি ওলাই অহাৰ বাবে বুৰ্‌বুৰণি ওলাইছে।







- এটা গিলাছত পানী ভৰাই তাত শুকান মাটিৰ সৰু চপৰা এটা পেলাই দিয়া। পানীত বুৰ্‌বুৰণি ওলোৱা দেখিছানে? এই বুৰ্‌বুৰণি কিহৰ বাবে ওলাইছে? মাটিৰ চপৰাৰ ভিতৰত সোমাই থকা বায়ুখিনি ওলাই আহিছে আৰু মাটিৰ সেই খালী ঠাইখিনি পানীয়ে পূৰ কৰিছে। সেইবাবে বুৰ্‌বুৰণি ওলাইছে।

- এতিয়া এই কাৰ্যটো চক পেঞ্চিলৰ টুকুৰা বা শুকান ইটাৰ সৰু টুকুৰা এটা লৈ কৰি চোৱা।

ওপৰৰ কাৰ্যবোৰৰপৰা বুজিলা যে খালী বটল বা টেমা, মাটিৰ চপৰা, ইটাৰ টুকুৰা, চক পেঞ্চিল আদিৰ ভিতৰতো বায়ু থাকে।

**আন আন বস্তুৰ দৰে বায়ুয়েও ঠাই আগুৰি থাকে।**



## কৰি চাওঁ আহা—



দীঘলকৈ উশাহ লোৱা। নাকৰ ভিতৰলৈ বায়ু সোমাই যোৱা অনুভৱ কৰিবা। এতিয়া তোমাৰ নাকটোৰ সন্মুখত হাতখন থৈ নিশাহ এৰি দিয়া। হাতখনত অলপ গৰম বতাহ লগা যেন অনুভৱ কৰিছানে? এয়াই হ'ল **বায়ু**। উশাহত বায়ু শৰীৰৰ ভিতৰলৈ সোমাই যায় আৰু নিশাহত শৰীৰৰপৰা বাহিৰলৈ ওলাই আহে।

## চিন্তা কৰি কওঁ আহা—

গৰু, ছাগলী, কুকুৰ আদি প্ৰাণীবোৰ শুই বা বহি থাকোঁতে সিহঁতৰ পেটবোৰ উঠা-নমা কৰা দেখিছানে? কিয় এইদৰে পেটবোৰে উঠা-নমা কৰে?

## জানি লওঁ আহা—

- কেঁচু, কুমটি আদিয়ে মাটিত থকা বায়ুৰপৰা উশাহ লয়।
- মাছ, কাছ আদিয়ে পানীত দ্ৰবীভূত হৈ থকা বায়ুৰপৰাই উশাহ লয়।
- প্ৰাণীৰ দৰে উদ্ভিদেও উশাহত বায়ু লয়।

**সকলো জীৱকে জীয়াই থাকিবলৈ বায়ু লাগে।**

### বায়ুৰ বিষয়ে আৰু কিছু কথা—


বায়ু গেছীয় অৱস্থাত থাকে বাবে একে ঠাইতে নাথাকে। চলাচল কৰি থাকে। চলাচল কৰা বায়ুকে **বতাহ** বোলে। বতাহ বিভিন্ন দিশত বলিব পাৰে। লাহে লাহে বতাহ বলিলে মৃদু বতাহ আৰু জোৰেৰে বলিলে ধুমুহা বতাহ বুলি কোৱা হয়।



বায়ুৰে বস্তুৰ গোন্ধ বিয়পায়। ধূপ্ এডাল জ্বলালে আমি আঁতৰৰপৰা গোন্ধ পাওঁ। ফুলৰ গোন্ধ, যেনে- শেৱালি ফুল, খৰিকাজাঁই আদি ফুল ফুলিলে আমি দূৰৈৰপৰাই গোন্ধ পাওঁ। ৰাস্তাৰ কাষত দম কৰি থোৱা গেলা-পচা বস্তু বা প্ৰাণীৰ মৃতদেহৰ গোন্ধ আমি আঁতৰৰপৰাই পাওঁ। বায়ুৰ কোনো নিজা গোন্ধ বা বৰণ নাই।

## চিন্তা কৰি কওঁ আহা—

ৰান্ধনি ঘৰত মাংস ৰান্ধিলে আমি দূৰৈৰপৰাই কিয় গোন্ধ পাওঁ?



বায়ুৰ লগত ধূলি, ধোঁৱা, বেমাৰৰ বীজাণু আদি মিহলি হৈ বায়ু দূষিত কৰে। এইদৰে বায়ু দূষিত হোৱাকে **বায়ু প্ৰদূষণ** বোলে। দূষিত বায়ু প্ৰাণী আৰু উদ্ভিদৰ বাবে অপকাৰী। তেনে বায়ু উশাহত ল'লে আমাৰ বিভিন্ন বেমাৰ-আজাৰ হ'ব পাৰে, যেনে- মূৰৰ বিষ, চকুৰ অসুখ, চৰ্দি, জ্বৰ, কাহ্, ছালৰ বেমাৰ, হাওঁফাওঁৰ ৰোগ আদি।

## ক্ৰিয়া-কলাপ ১

বায়ু কেনেদৰে দূষিত হয় তলৰ ছবিবোৰ চাই খালী বাকচত লিখা—



কল-কাৰখানাৰপৰা ওলোৱা ধোঁৱা











উশাহত লোৱা বায়ু নিৰ্মল হ'ব লাগে। অধিক পৰিমাণে গছপুলি ৰোপণ কৰি বায়ু নিৰ্মল কৰি ৰাখিব পাৰি। নিৰ্মল বায়ু আমাৰ শৰীৰৰ বাবে উপকাৰী।



**বায়ু প্ৰদূষণ ৰোধ কৰাৰ উপায়সমূহ—**

- কল-কাৰখানাৰপৰা ওলোৱা ধোঁৱাবোৰ ফিল্টাৰযুক্ত ওখ চিম্‌নি ব্যৱহাৰ কৰি সেইবোৰ বহু ওপৰত এৰি দিয়াৰ ব্যৱস্থা থাকিব লাগে।
- গেলা-পচা বস্তু, জাৱৰ-জোঁথৰ আদি মুকলি ঠাইত জ্বলাই নিদি ডাষ্টবিনত পেলাব লাগে।
- প্লাষ্টিক, ৰবৰৰ আৱৰ্জনা আদি জ্বলাব নালাগে।



## লিখোঁ আহা—

বায়ু কেনেকৈ নিৰ্মল কৰি ৰাখিব পাৰি? ( শিক্ষকৰ সহায় ল'বা।)



## খেলোঁ আহা—

কাগজ বা গছৰ পাতেৰে চকৰি সাজি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে দৌৰিবা। দৌৰোঁতে যাৰ চকৰি বেছিকৈ ঘূৰিব তেওঁকে শিক্ষকে বিজয়ী ঘোষণা কৰিব।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** বায়ুৰ অৱস্থিতি সম্পৰ্কে ধাৰণা দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰীক পাঠত উল্লেখ কৰা ক্ৰিয়া-কলাপসমূহ কৰাব। বায়ু প্ৰদূষণ ৰোধৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক কিছুমান সু-অভ্যাস গঢ়ি তুলিবলৈ উৎসাহিত কৰিব, যেনে— গছপুলি ৰোপণ, হাঁচি-কাহ্ মাৰোঁতে ৰুমালেৰে মুখখন ঢাকি লোৱা বা মাস্ক পৰিধান কৰা আদি।

## অনুশীলনী

১। উত্তৰ লিখা —

(ক) দূষিত বায়ুৰপৰা হ'ব পৰা তিনিবিধ বেমাৰৰ নাম।

(খ) পানীত থকা জীৱবোৰে ক'ৰ পৰা উশাহ লয়?

(গ) বায়ুৰ উপস্থিতি অনুভৱ কৰিব পৰা দুটা কাৰ্য।

২। শুদ্ধ উত্তৰটো বাছি উলিয়াই '✓' চিন দিয়া—

(ক) ফট্‌কা ফুটালে বায়ু দূষিত নহয় / হয়।

(খ) মাটিৰ ভিতৰত বায়ু থাকে / নাথাকে।

(গ) বায়ু আমি দেখোঁ / অনুভৱ কৰোঁ।

(ঘ) জীয়াই থাকিবলৈ উদ্ভিদক বায়ু লাগে / নালাগে।

৩। ইটাৰ টুকুৰা এটা পানীত পেলাই দিলে বুৰ্‌বুৰণি কিয় উঠে?

৪। আকাশত উৰি থকা এখন চিলাৰ ছবি আঁকা।

৫। বায়ু দূষিত ন'হবৰ বাবে কি কি ব্যৱস্থা হাতত ল'বা লিখা।

* * *





## পাঠ ৯

# দৈনন্দিন জীৱনত পানী

### সাঁথৰ এটা কওঁ আহা—

মোৰ ৰূপ তিনিটা
সাধাৰণ অৱস্থাত মই জুলীয়া
চেঁচা হ'লে হওঁ মই গোটা
উতলিলে উৰি যাওঁ ভাপ হৈ
ভাবি চিন্তি চোৱা
মই বাৰু কোন হওঁ কোৱা।



জুলীয়া



গেছীয়



গোটা

সকলো প্ৰাণীকে জীয়াই থাকিবলৈ পানী লাগে। পানী নহ'লে গছ-গছনিও জীয়াই থাকিব নোৱাৰে। সেইবাবে পানীক জীৱৰ প্ৰাণ বুলি কোৱা হয়।

### কওঁ আহা—

তোমালোকে ঘৰত পানী ক'ৰপৰা পোৱা?

### প্ৰকল্প—

তোমালোকে তিনি বা চাৰিটা দলত ভাগ হৈ লোৱা। এতিয়া বিদ্যালয়ৰ ওচৰত থকা যিকোনো তিনিঘৰ মানুহৰ ঘৰলৈ যোৱা। তেওঁলোকে পানী ক'ৰপৰা পায়, সেই বিষয়ে জানি এখন তালিকা প্ৰস্তুত কৰা— (শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিব।)

| ঘৰ | পানী ক'ৰপৰা পায় |
|---|---|
| প্ৰথম ঘৰ | |
| দ্বিতীয় ঘৰ | |
| তৃতীয় ঘৰ | |



পানী সাধাৰণতে জুলীয়া অৱস্থাত থাকে। চেঁচা কৰিলে পানী গোট মাৰি বৰফ হয় আৰু উতলালে ভাপ হয়। খৰালি কালত বৰষুণৰ পৰিমাণ কম হোৱাৰ বাবে কুঁৱা, খাল, বিল, পুখুৰী, নৈ আদিত পানীৰ পৰিমাণ কমি যায়। সকলো পানী সেৱন কৰাৰ বাবে উপযোগী নহয়। পানীৰ নাটনি কমাবৰ বাবে আমি প্ৰয়োজনতহে পানী ব্যৱহাৰ কৰা উচিত।

পানী আমি ক'ৰ ক'ৰপৰা পাওঁ জানানে?










বৰষুণ, খাল, বিল, পুখুৰী, হ্ৰদ, নদ-নদী, জান-জুৰি, সাগৰ-মহাসাগৰ আদিৰপৰা আমি পানী পাওঁ।





মাটিৰ তলত, অৰ্থাৎ ভূ-গৰ্ভতো পানী থাকে। দম-কল আৰু কুঁৱাৰ পানী আমি মাটিৰ তলত থকা পানীৰপৰা পাওঁ। এই সকলোবোৰেই হৈছে পানীৰ উৎস।















## কওঁ আহা—

- ওপৰৰ ছবিকেইখনত পানী কি কি কামত ব্যৱহাৰ কৰা দেখিছা?
- তোমালোকৰ ঘৰত কি কি কামত পানী ব্যৱহাৰ কৰা?

## জানি লওঁ আহা–



আমাৰ সমাজত বিভিন্ন মাংগলিক কাৰ্যত পানী ব্যৱহাৰ কৰা হয়, উদাহৰণস্বৰূপে—বিয়াত পানী তোলা, দৰা-কইনাক নুওৱা-ধুওৱা, গৰু বিহুৰ দিনা গৰুক গা-ধুওৱা আদি। এই বিষয়ে শিক্ষক আৰু অভিভাৱকৰপৰা ভালদৰে জানি ল'বা।

## ক্ৰিয়া-কলাপ ১

ড্ৰপাৰ, চামুচ, কাপ, মগ আৰু কলহ লৈ কৰি চোৱা। (শিক্ষক আৰু অভিভাৱকৰ সহায় ল'বা।)



ড্ৰপাৰৰপৰা কেইটোপাল পানী দিলে চামুচখন ভৰ্তি হ'ব?



কেই চামুচ পানী দিলে কাপটো ভৰ্তি হ'ব?



কেই কাপ পানী দিলে মগটো ভৰ্তি হ'ব?




কেই মগ পানী দিলে কলহটো পানীৰে ভৰ্তি হ'ব?

### নলীৰে পানী যোগান ধৰা দেখিছানে?

নলীৰপৰা পানী উলিয়াই ল'বৰ বাবে ঠায়ে ঠায়ে একোটা পানী-কল লগোৱা থাকে। পানী ব্যৱহাৰ কৰাৰ পাছত পানী-কল সদায় ভালদৰে বন্ধ কৰি থ'ব লাগে।







ডাঙৰ পাত্ৰ, বাল্টি আদিত বৰষুণৰ পানী সংৰক্ষণ কৰি বিভিন্ন কামত ব্যৱহাৰ কৰিব পাৰি। তোমালোকেও বিদ্যালয়ত আৰু ঘৰত বৰষুণৰ পানী সংৰক্ষণ কৰিবলৈ চেষ্টা কৰিবা।





## চিন্তা কৰি কওঁ আহা—

- বৰষুণৰ পানী সংগ্ৰহ কৰি কি কি কামত ব্যৱহাৰ কৰিব পাৰি?
- শীতকালত পানীৰ উৎসবোৰত পানীৰ পৰিমাণ কমি যায়। ইয়াৰ কাৰণ কি বুলি ভাবা?

**এবাৰ ব্যৱহাৰ কৰা পানী পুনৰ ব্যৱহাৰ ক’ৰিব পাৰি।**

**প্ৰথমবাৰ ব্যৱহাৰ** | **দ্বিতীয়বাৰ ব্যৱহাৰ**









### ছবিকেইখন চাই কি বুজিলা ?

ফল-মূল, শাক-পাচলি, চাউল-দাইল আদি ধোৱা পানী পেলাই নিদি গছৰ পুলি, ফুলৰ টাবত দিব পাৰি। কাপোৰ আওডালা পানীখিনি নেপেলাই গা ধোৱা ঘৰ, পকী চোতাল, নলা-নৰ্দমা আদি চাফা কৰা কামত ব্যৱহাৰ কৰিব পাৰি।



## লিখোঁ আহা—

পানী-কল খুলি বন্ধ নকৰাকৈ এৰি থৈ অহাটো উচিতনে? যদি নহয় কিয় লিখা।



## প্ৰকল্প—

তিনি চাৰিজনীয়া দলত ভাগ হৈ লোৱা। প্ৰতিটো দলে পানীৰ অপচয় ৰোধ কৰাৰ বিষয়ে একোটাকৈ শ্ল’গান লিখি পোষ্টাৰ প্ৰস্তুত কৰা।

দূষিত পানী খোৱাৰ ফলত নানা ধৰণৰ বেমাৰ হ’ব পাৰে। সেইবাবে খোৱা পানী বিশুদ্ধ আৰু বীজাণুমুক্ত হ’ব লাগে। পানী ভালদৰে উতলাই চেঁচা কৰি খাব লাগে। পানী ফিল্টাৰ কৰিও খাব পাৰি। চূণ, পটাছ, ব্লিচিং পাউদাৰ আদি দিও বিশুদ্ধ কৰিব পাৰি।



খোৱা পানী ঢাকনি থকা পৰিষ্কাৰ পাত্ৰত ৰাখিব লাগে। ডাঙৰ পাত্ৰৰপৰা খোৱা পানী উলিয়াওঁতে দীঘল নাল থকা মগ ব্যৱহাৰ কৰিব লাগে যাতে পানীত আঙুলি বা হাত সোমাই নাযায়।



## পানী কিদৰে দূষিত হয়?

### ক্ৰিয়া-কলাপ ২

তলৰ ছবিকেইখন ভালদৰে চোৱা। কোনখন ছবিয়ে পানী দূষিত হোৱা বুজাইছে? সঠিক বাকচত '√' চিন দিয়া—














## পানী কেনেদৰে দূষিত নোহোৱাকৈ ৰাখিব পাৰি?

- খোৱা পানীৰ উৎসৰ চাৰিওকাষ শুকান আৰু পৰিষ্কাৰ হ'ব লাগে।
- পুখুৰীত গা ধোৱা, বাচন-বৰ্তন বা কাপোৰ ধোৱা, গৰু-ম'হক গা ধুওৱা আদি কাৰ্য কৰিব নালাগে।
- কল-কাৰখানাৰপৰা ওলোৱা আৱৰ্জনা, গেলা-পচা বস্তু, নলা-নৰ্দমাৰ পানী আদি পুখুৰী বা নদীত পেলাব নালাগে।

### লিখোঁ আহা—

তোমালোকৰ ঘৰৰ বা বিদ্যালয়ৰ ওচৰত পুখুৰী থাকিলে, ইয়াৰ পানী দূষিত নোহোৱাকৈ কেনেদৰে ৰাখিব পাৰি সেই বিষয়ে তিনিটা বাক্য লিখা।



**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীক আমাৰ সমাজৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত বিভিন্ন মাংগলিক কাৰ্যত পানীৰ ব্যৱহাৰ সম্পৰ্কে অৱগত কৰিব। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ লগত পানীৰ অপচয় কেনেকৈ ৰোধ কৰিব পাৰি সেই বিষয়ে আলোচনা কৰিব।

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) কি কি কামত আমি পানী ব্যৱহাৰ কৰোঁ?

(খ) পানী কেনেকৈ পুনৰ ব্যৱহাৰ কৰিব পাৰি?

(গ) দম-কল আৰু কুঁৱাৰ পানীৰ উৎস কি?

২। খালী ঠাই পূৰ কৰা—

(ক) পানীক জীৱৰ _______________ বুলি কোৱা হয়।

(খ) পানী উতলালে _______________ হয়।

(গ) খোৱা পানী বিশুদ্ধ আৰু _______________ হ'ব লাগে।

(ঘ) খোৱা পানীৰ উৎসৰ চাৰিওকাষ _______________ হ'ব লাগে।

৩। শুদ্ধ উত্তৰটো বাছি উলিয়াই '✓' চিন দিয়া—


(ক) উদ্ভিদক পানীৰ প্ৰয়োজন হয় / নহয়।

(খ) সকলো পানী সেৱন কৰাৰ বাবে উপযোগী হয় / নহয়।

(গ) খোৱা পানী পৰিষ্কাৰ পাত্ৰত ৰাখি ঢাকি থ'ব লাগে / নালাগে।

(ঘ) এবাৰ ব্যৱহাৰ কৰা পানী পুনৰ ব্যৱহাৰ কৰিব পাৰি / নোৱাৰি

৪। পানী দূষিত নোহোৱাকৈ ৰাখিবপৰা দুটা উপায় উল্লেখ কৰা।




* * *

## পাঠ ১০

# আকাশৰ কথা

### গাওঁ আহা—

পুৱাতেই উঠি
আকাশলৈ চালোঁ,
ৰঙা এটা বল যেন
বেলিটো দেখিলোঁ।





লাহে লাহে বেলি ককাই
ওপৰলৈ যায়,
পোহৰ বেছি, ৰ'দ বেছি
গৰম লাগে ভাই।

তৰাবোৰ দেখিলোঁ
নিশাৰ আকাশত,
তিৰ্‌বিৰ্ কৰি থাকে
জোনবাইৰ লগত।



### ক্ৰিয়া-কলাপ ১

ওপৰত দিয়া পদ্যটো পঢ়া আৰু ছবিকেইখন চাই দিন আৰু ৰাতিৰ আকাশত কি কি দেখা পোৱা যায় তালিকাখনত লিখা—

| দিনৰ আকাশ | ৰাতিৰ আকাশ |
|---|---|
| | |

বেলি ওলালে দিন হয় আৰু বেলি মাৰ গ'লে ৰাতি হয়। পুৱা আৰু সন্ধিয়া সময়ত বেলিটোলৈ চালে ডাঙৰ ৰঙচুৰা এটা বলৰ দৰে দেখি। দুপৰীয়া বেলিটোলৈ পোনপটীয়াকৈ চাব নোৱাৰি। কিয়নো বেলিৰ তীব্ৰ পোহৰ চকুয়ে সহ্য কৰিব নোৱাৰে। বেলিয়ে তাপ আৰু পোহৰ দুয়োটাই দিয়ে। তাপ আৰু পোহৰ দিয়াবোৰেই হৈছে **তৰা** বা **নক্ষত্ৰ**। সেইবাবে বেলি এটা নক্ষত্ৰ। বেলিটোক সূৰ্য বুলিও কোৱা হয়।



**কেতিয়াবা ৰাতিৰ ফৰকাল আকাশখনলৈ ভালদৰে মন কৰিছানে? আমি কি দেখোঁ বাৰু?**

আমি ৰাতিৰ আকাশত জিলিকি থকা তৰা কিছুমান দেখিবলৈ পাওঁ। তৰাবোৰৰ কিছুমানক নক্ষত্ৰ আৰু আন কিছুমানক গ্ৰহ আৰু উপগ্ৰহ বোলে। নক্ষত্ৰবোৰৰ নিজা পোহৰ আছে। গ্ৰহ আৰু উপগ্ৰহৰ নিজা পোহৰ নাই। নক্ষত্ৰবোৰে সূৰ্যৰ নিচিনাকৈ জ্বলি থাকি পোহৰ দিয়ে। আমাৰ পৃথিৱীখনো এটা গ্ৰহ। পৃথিৱীৰ নিজা পোহৰ নাই। পৃথিৱীয়ে সূৰ্যৰ পৰাই পোহৰ পায়।

**পৃথিৱীৰ পৰা উৎক্ষেপন কৰা কিছুমান কৃত্ৰিম উপগ্ৰহও আকাশত জিলিকি থকা দেখা যায়।**

তৰাবোৰ আমাৰপৰা বহু দূৰৈত থকা বাবে আমি সিহঁতক সৰু দেখোঁ। আমি তৰাবোৰ দিনত নেদেখোঁ, কাৰণ সূৰ্যৰ পোহৰ তৰাৰ পোহৰতকৈ বহুত বেছি তীব্ৰ।

আকাশত থকা সকলো গ্ৰহ, নক্ষত্ৰৰ লগতে আমাৰ পৃথিৱীখনেও একো একোটা নিৰ্দিষ্ট গতিপথেৰে সূৰ্যৰ চাৰিওফালে ঘূৰি আছে। এই গতিপথকে **কক্ষপথ** বুলি কোৱা হয়। পৃথিৱীয়ে নিজ কক্ষপথেৰে সূৰ্যৰ চাৰিওফালে এপাক ঘূৰোঁতে ৩৬৫ দিন ৬ ঘণ্টা সময় লয়। ইয়াক আমি এবছৰ বুলি কওঁ।

## সৌৰজগত —






পৃথিৱীকে ধৰি সকলো গ্ৰহ, উপগ্ৰহক লৈ সূৰ্যৰ পৰিয়ালটো গঠন হৈছে। এতিয়ালৈকে জনা মতে সূৰ্যৰ পৰিয়ালত ৮টা গ্ৰহ, বহুতো উপগ্ৰহ আৰু গ্ৰহাণুপুঞ্জ আছে। এয়াই সৌৰজগত। সৌৰজগতত সূৰ্যৰপৰা ক্ৰমে আঁতৰলৈ থকা গ্ৰহকেইটা হ'ল- বুধ, শুক্ৰ, পৃথিৱী, মংগল, বৃহস্পতি, শনি, ইউৰেনাছ আৰু নেপচুন। এই আঠটা গ্ৰহই সূৰ্যৰ চাৰিওফালে ঘূৰে।

চন্দ্ৰ পৃথিৱীৰ উপগ্ৰহ, অৰ্থাৎ ই পৃথিৱীৰ চাৰিওফালে ঘূৰি থাকে। চন্দ্ৰৰ পৃষ্ঠত সূৰ্যৰ পোহৰ প্ৰতিফলিত হয়। সেয়েহে আমি চন্দ্ৰটোক উজ্জ্বল দেখোঁ। ইয়াৰ নিজৰ তাপ আৰু পোহৰ নাই।

পূৰ্ণিমাৰ ৰাতি আইতাই নাতি-নাতিনীৰ সৈতে কথা পাতিছে —

**নাতি ঃ** আজি আকাশত জোনটো ইমান ডাঙৰ দেখা গৈছে, পোহৰো হৈছে, বেলিটোৰ সমান যেন লাগিছে, নহয়নে আইতা ?

**আইতা ঃ** হয়। তোমালোকে ঠিকেই ধৰিছা। আজি জোনটো বৰ ডাঙৰ যেন লাগিছে। কাৰণ, আজি পূৰ্ণিমা। পূৰ্ণিমাৰ দিনাখন জোনৰ পোহৰ অধিক উজ্জ্বল হয়। জোনটো বেলিৰ সমান ডাঙৰ যেন দেখিছা যদিও আচলতে ই বেলিটোৰ সমান ডাঙৰ নহয়।



**নাতিনী ঃ** তেনেহ'লে আজি দুয়োটাকে ইমান সমান দেখা গৈছে কিয় ?

**আইতা ঃ** বেলিটো আমাৰপৰা বহুত বেছি দূৰৈত আছে। তাৰ তুলনাত জোনটো ওচৰত থকা বাবে জোনটোক বেলিৰ সমান যেন দেখা গৈছে।



কওঁ আহা—

ওপৰৰ ছবিত দিয়া কথাখিনিৰপৰা কি বুজিছা ?

## পূৰ্ণিমাৰ দিনা চন্দ্ৰটো কেনেকুৱা দেখি ?

পূৰ্ণিমাৰ নিশা চন্দ্ৰটোক ঘূৰণীয়া আৰু বৰ উজ্জ্বল দেখা যায়। আকাশলৈ মন কৰিলে দেখিবা যে পূৰ্ণিমাৰ পিছদিনাৰপৰা প্ৰতিদিনে চন্দ্ৰৰ আকাৰ লাহে লাহে সৰু হৈ গৈ থাকে। ইয়াৰ উজ্জ্বলতাও ক্ৰমে কমি আহে। আঠদিনৰ দিনা ইয়াক আধা যেন দেখি। এইদৰে পোন্ধৰ দিনৰ দিনা ৰাতি চন্দ্ৰটো একেবাৰে নেদেখা হৈ ঘোপমৰা আন্ধাৰ হয়। সেইদিনটোৱেই হৈছে **অমাৱস্যা বা আঁউসী**।



অমাৱস্যাৰ পাছৰপৰা প্ৰতিদিনে চন্দ্ৰটোৰ দেখা পোৱা অংশৰ লগতে ইয়াৰ উজ্জ্বলতাও ক্ৰমে চৈধ্য দিনলৈ বাঢ়ি গৈ থাকে। এইদৰে ইয়াৰ আকাৰ ক্ৰমান্বয়ে বাঢ়ি গৈ পোন্ধৰ দিনৰ দিনা আকৌ আগৰ সমান হয়, অৰ্থাৎ **পূৰ্ণিমা** হয়।

## চন্দ্ৰটো সদায় একে নেদেখোঁ কিয়?

পৃথিৱীয়ে নিজে সূৰ্যৰ চাৰিওফালে পশ্চিমৰপৰা পূবলৈ ঘূৰি থাকে। চন্দ্ৰটোও পৃথিৱীৰ চাৰিওফালে ঘূৰে। এইদৰে ঘূৰি থাকোঁতে চন্দ্ৰৰ যি অংশত সূৰ্যৰ পোহৰ পৰে সেই অংশটোহে আমি দেখা পাওঁ। চন্দ্ৰটো পৃথিৱীৰ চাৰিওফালে ঘূৰি থকা কাৰণেহে আমি ইয়াৰ আকাৰ সলনি হৈ থকা দেখা পাওঁ।






জানি লওঁ আহা—

- চন্দ্ৰ পৃথিৱীৰ উপগ্ৰহ। চন্দ্ৰৰ পৃষ্ঠত সূৰ্যৰ পোহৰ প্ৰতিফলিত হয়। সেয়েহে আমি চন্দ্ৰটোক উজ্জ্বল দেখোঁ। ইয়াৰ নিজৰ তাপ আৰু পোহৰ নাই।
- ১৯৬৯ চনৰ ২০ জুলাই তাৰিখে নীল আৰ্মষ্ট্ৰং, এডুইন এল্‌ড্ৰিন আৰু মাইকেল কলিন্স নামৰ বিজ্ঞানী তিনিগৰাকীয়ে প্ৰথমবাৰৰ বাবে চন্দ্ৰত ভৰি দিছিল।
- ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, অৰ্থাৎ ইছৰোৱে উৎক্ষেপণ কৰা চন্দ্ৰযান-৩য়ে ২০২৩ চনৰ ২৩ আগষ্ট তাৰিখে চন্দ্ৰত অৱতৰণ কৰিছিল।



চন্দ্ৰযান-৩









তাৰকাগৃহ

তাৰকাগৃহত আকাশত থকা সূৰ্য, চন্দ্ৰ, তৰা আদি বৰ সুন্দৰকৈ প্ৰদৰ্শন কৰা হয়। অসমৰ গুৱাহাটী, যোৰহাট, কোকৰাঝাৰ, নলবাৰী আৰু লখিমপুৰতো এনেধৰণৰ তাৰকাগৃহ আছে।

## আকাশত ডাৱৰ দেখিছানে?

দিনৰ আকাশত কপাহৰ দৰে চপৰা চপৰে ডাৱৰবোৰ লাহে লাহে গৈ থাকে। কেতিয়াবা এই ডাৱৰবোৰ ধোঁৱা বৰণীয়া হৈ বেলিটো ঢাকি ধৰি দেখা নোপোৱা কৰি পেলায়। এনে কিয় হয় জানানে?

ৰ'দৰ তাপত খাল-বিল, নদ-নদী, জান-জুৰি, সাগৰ, হ্ৰদ আদিৰ পানী জলীয় বাষ্প হৈ আকাশলৈ উৰি গৈ থাকে। ক্ৰমান্বয়ে ওপৰলৈ যোৱাৰ লগে লগে ই চেঁচা হ'বলৈ ধৰে আৰু চেঁচা হোৱাৰ ফলত পানীৰ কণিকালৈ ৰূপান্তৰিত হয়। এই কণিকাবোৰৰ সমষ্টিয়েই হ'ল **ডাৱৰ বা মেঘ**। ডাৱৰৰ পৰাই **বৰষুণ** হয়।

## আকাশত ৰামধেনু দেখিছানে?

কেতিয়াবা বৰষুণ দিয়াৰ পাছত পুৱা বা আবেলি সূৰ্যৰ বিপৰীত ফালে বাৰেবৰণীয়া ধেনুভিৰীয়া ৰামধেনু দেখা যায়। বৰষুণ দিয়াৰ পাছত মেঘত থকা পানীৰ কণিকাবোৰত যেতিয়া বেলিৰ পোহৰ পৰে, তেতিয়া সাত ৰঙৰ ধেনুভিৰীয়া ৰামধেনুৱে দেখা দিয়ে।



**ৰামধেনুৰ সাতটা ৰং— বেঙুনীয়া, ঘন নীলা, নীলা, সেউজীয়া, হালধীয়া, সুমথিৰা আৰু ৰঙা।**

## আঁকো আহা—

তোমালোকৰ বহীত ৰামধেনুৰ ছবি এখন আঁকা।
(শিক্ষকে ছাত্ৰ-ছাত্ৰীক ৰামধেনুত ক্ৰম অনুসৰি সঠিক ৰং দিয়াত সহায় কৰিব।)

## প্ৰকল্প—

- দুটা দলত ভাগ হৈ লোৱা। প্ৰথমটো দলে পূৰ্ণিমাৰ ৰাতিৰপৰা পোন্ধৰ দিনলৈ প্ৰতিটো ৰাতি আকাশৰ চন্দ্ৰটোলৈ মন কৰা। প্ৰতি তিনিদিনৰ মূৰে মূৰে ৰাতিৰ চন্দ্ৰটোৰ আকাৰ কেনেকুৱা দেখিলা, ক্ৰমানুসাৰে তোমাৰ বহীত অংকন কৰা— (অভিভাৱকৰ সহায় ল'বা।)

| ৩ দিনৰ মূৰত | ৬ দিনৰ মূৰত | ৯ দিনৰ মূৰত | ১২ দিনৰ মূৰত | ১৫ দিনৰ মূৰত |
|---|---|---|---|---|
| | | | | |

- আনটো দলে চন্দ্ৰটো নেদেখা হোৱাৰ পাছৰপৰা পুনৰ দেখালৈকে কেইদিন লাগিব কেলেণ্ডাৰত '✓' চিন দিয়া। এতিয়া কেইদিনৰ পিছত চন্দ্ৰটো পুনৰ দেখা পালা গণনা কৰি লিখা।

## দলীয় কাৰ্য—

- এখন কাৰ্বন কাগজত তৰাবোৰ আৰু চন্দ্ৰটো আঁকি সেই অঁকা অংশবোৰ কাটি পেলোৱা।
- এতিয়া এই কাৰ্বন কাগজখন এখন বগা কাগজত আঠা দি লগাই লোৱা।
- এতিয়া ডাঠ কাগজৰ বাকচ এটা লৈ তাৰ খোলা মুখখনত কাগজখন আঠা দি লগোৱা।
- বাকচৰ তলফালে টৰ্চ লাইট এটা সুমুৱাই দিব পৰাকৈ এটা ফুটা কৰা।
- টৰ্চ লাইটটো জ্বলাই বাকচৰ তলফালেদি ভৰাই লৈ কাগজৰ আকাশখন ভালদৰে চোৱা।



## চিন্তা কৰি কওঁ আহা—

সূৰ্যটো নথকা হ'লে আমাৰ কি হ'লহেঁতেন?



**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীক পাঠত দিয়া ক্ৰিয়া-কলাপসমূহ কৰিবলৈ উৎসাহিত কৰিব আৰু প্ৰয়োজন সাপেক্ষে সহায় কৰিব। তাৰকাগৃহত গম্বুজ আকৃতিৰ চিলিং আৰু বহুতো আসন থকা এটা ডাঙৰ কোঠা থাকে। এই কোঠাটোৰ গম্বুজযুক্ত চিলিঙত এটা বিশেষ প্ৰজেক্টেৰে ছবিবোৰ দেখুৱাব পাৰে। বহুতো তাৰকাগৃহত মহাকাশখন চাব পৰাকৈ টেলিস্ক’প আছে। শিক্ষকে এই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক বুজাই দিব। সম্ভৱ হ’লে শিক্ষকে ছাত্ৰ-ছাত্ৰীক তাৰকাগৃহলৈ লৈ যাব।

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) চন্দ্ৰটোৰ আকাৰ সলনি হৈ থকাৰ কাৰণ কি?

(খ) ৰামধেনুৰ ৰং কেইটা আৰু কি কি?

(গ) তৰাবোৰ দিনত নেদেখাৰ কাৰণ কি?

২। শুদ্ধ উত্তৰটো বাছি উলিয়াই ‘✓’ চিন দিবা—

(ক) পৃথিৱীৰ আটাইতকৈ ওচৰত চন্দ্ৰ/ সূৰ্য /তৰাবোৰ আছে ।

(খ) পূৰ্ণিমাৰপৰা অমাৱস্যালৈ ১০/১৫ দিন সময় লাগে ।

(গ) ৰামধেনুৰ ৰং মুঠতে পাঁচটা / সাতটা।

৩। খালী ঠাই পূৰ কৰা—

(ক) সূৰ্যৰ নিজা তাপ আৰু ........................ আছে।

(খ) তৰাবোৰ আমাৰপৰা বহুত ................................ থকাৰ কাৰণে সৰু যেন দেখি।

(গ) চন্দ্ৰৰ নিজা .............................. নাই।

৪। দুপৰীয়া বেলিটোলৈ আমি কিয় পোনপটীয়াকৈ চাব নোৱাৰোঁ?

৫। পৃথিৱীৰপৰা চালে সূৰ্য আৰু চন্দ্ৰক কেতিয়া একে আকাৰৰ যেন কিয় লাগে?

৬। সৌৰজগতৰ ছবি আঁকা।

* * *





পাঠ ১১

# শৰীৰৰ যতন

কিছুমান সু-অভ্যাস আৰু পুষ্টিকৰ আহাৰে আমাৰ শৰীৰটো সুস্থ কৰি ৰাখে। শৰীৰ সুস্থ হৈ থাকিলে মনটোও ভালে থাকে। স্বাস্থ্য ভালে ৰাখিবৰ বাবে নিয়মীয়াকৈ খেলা-ধূলা আৰু ব্যায়াম কৰা আৱশ্যক। ইয়াৰ ফলত আমাৰ শৰীৰত তেজৰ চলাচল বৃদ্ধি পায় আৰু শৰীৰ সবল হয়। আমি নিতৌ সময়মতে শুব লাগে আৰু সময়মতে শোৱাৰপৰা উঠিব লাগে। দিনটো কাম কৰাৰ ফলত আমি ভাগৰুৱা অনুভৱ কৰোঁ। শুলে শৰীৰে জিৰণি পায় আৰু শৰীৰটো সতেজ হয়। পুনৰ কাম কৰিবলৈ বল পাওঁ।












কওঁ আহা—

ওপৰৰ ছবিকেইখনত কি কি কাম কৰি থকা দেখিছা ?



**লিখোঁ আহা—**

শৰীৰৰ যতন ল'বলৈ পুৱা শুই উঠাৰপৰা ৰাতি শোৱাৰ সময়লৈকে তুমি কি কি কাম কৰা?

**স্বাস্থ্য ভালে ৰাখিবলৈ তলত দিয়া নিয়মবোৰ পালন কৰিব লাগে—**

- শৰীৰ সুস্থ আৰু সবল কৰি ৰাখিবলৈ হ'লে আমি পুষ্টিকৰ আহাৰ, পৰ্যাপ্ত পৰিমাণে বিশুদ্ধ পানী, সতেজ শাক-পাচলি আৰু ফল-মূল খাব লাগে।
- অনাময় শৌচাগাৰ ব্যৱহাৰ কৰিব লাগে। ব্যৱহাৰৰ পিছত চাবোনেৰে পৰিষ্কাৰকৈ হাত ধুব লাগে।
- নিয়মীয়াকৈ খেলা-ধূলা, ব্যায়াম কৰিব লাগে আৰু জিৰণি ল'ব লাগে।
- বিদ্যালয়ত মধ্যাহ্ন ভোজন কৰাৰ আগতে আৰু পাছত চাবোনেৰে ভালদৰে হাত ধুব লাগে।
- নিজৰ ঘৰ আৰু বিদ্যালয় চাফ-চিকুণকৈ ৰাখিব লাগে।
- জাৱৰ-জোঁথৰবোৰ ডাষ্টবিনত পেলাব লাগে।





লেতেৰা পৰিৱেশত চকুৰে নেদেখা অলেখ বেমাৰৰ বীজাণু থাকে। বেমাৰৰ বীজাণুবোৰে আমাৰ শৰীৰ অসুস্থ কৰে। সেয়েহে আমি পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিব লাগে।

**ঘৰ আৰু চৌপাশ পৰিষ্কাৰ কৰি ৰাখিবলৈ আমি কি কি ব্যৱস্থা লোৱা উচিত?**


- ঘৰত কীট্-পতংগ নাহিবলৈ চিত্ৰনলা, নিম পাতযুক্ত পানীৰে ঘৰ মচিব লাগে।
- সন্ধিয়া মহৰ উৎপাত কমাবলৈ ধূপ্-ধুনা দিব লাগে।
- ঘৰটো সেমেকি নাথাকিবলৈ ৰ'দ-বতাহ চলাচল কৰিব পৰাকৈ দিনত খিৰিকী খুলি থ'ব লাগে।
- কেঁচা ঘৰবোৰ বীজাণুমুক্ত কৰিবলৈ গোবৰ পানীৰে মচিব লাগে।



## ক্রিয়া-কলাপ ১

তলৰ ছবিকেইখনলৈ মন কৰাচোন। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে তলৰ কোনবোৰ অনুশীলন কৰিবা বাছি উলিয়াই সঠিক বাকচত '✓' চিন দিয়া—


















## ক্রিয়া-কলাপ ২

চাফ-চিকুণ হৈ থাকিবলৈ তোমালোকে কি কি অনুশীলন কৰা, তাৰ এখন তালিকা প্ৰস্তুত কৰা। (শিক্ষকৰ সহায় ল'বা।)



## ক্ৰিয়া- কলাপ ৩

শৰীৰৰ যতনৰ বাবে অনুশীলন কৰিবলগীয়া কিছুমান কাৰ্য তলত উল্লেখ কৰা হৈছে। এইবোৰ তুমি কেইদিনৰ মূৰে মূৰে অনুশীলন কৰা তালিকাখনত লিখা—


গা ধোৱা, দাঁত ঘঁহা, নখ কটা, চুলি কটা, খেলা-ধূলা কৰা, ব্যায়াম কৰা, সুষম আহাৰ খোৱা, বিশুদ্ধ পানী সেৱন কৰা, শৌচ কৰি চাবোনেৰে হাত ধোৱা, বিদ্যালয়ৰ ইউনিফৰ্ম ধোৱা

| প্ৰতিদিনে | সপ্তাহত | মাহেকত |
|---|---|---|
| | | |

## জানি লওঁ আহা –

পুৰণি কালত মানুহে চুলি ধুবলৈ ঔ টেঙাৰ বীজ আৰু মণিচালৰ গুটি ব্যৱহাৰ কৰিছিল। দাঁত ঘঁহিবলৈ নিম আৰু সৌৰা গছৰ ঠাৰি আদি ব্যৱহাৰ কৰিছিল ।







## লিখোঁ আহা–

পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে অতীতত আৰু কি কি সামগ্ৰী ব্যৱহাৰ কৰিছিল ডাঙৰৰ পৰা জানি লৈ লিখা।



### আত্মসুৰক্ষা—

আমাৰ শৰীৰটোৰ যতন লোৱাৰ লগতে নিজকে সুৰক্ষিত কৰি ৰখাৰ প্ৰয়োজন। তাৰ বাবে আমি কিছুমান সাৱধানতা অৱলম্বন কৰা উচিত।

### আত্মসুৰক্ষাৰ বাবে মনত ৰাখিবলগীয়া কথা—



অচিনাকী ব্যক্তিৰপৰা কেতিয়াও চক্‌লেট বা আন বস্তু ল'ব নালাগে।



অচিনাকী ব্যক্তিয়ে গাড়ীত উঠাই নিব খুজিলে গাড়ীত উঠিব নালাগে।



সুৰক্ষিত অনুভৱ নকৰিলে জোৰেৰে চিঞৰি ডাঙৰক জনাব লাগে।



বিপদজনক পৰিৱেশৰপৰা আঁতৰি থাকিব লাগে।



### লিখোঁ আহা–

তোমালোকে খেলা-ধূলা কৰি থাকোঁতে কি কি সাৱধানতা ল'লে সুৰক্ষিত হৈ থাকিবা আলোচনা কৰি লিখা। (শিক্ষক আৰু অভিভাৱকৰ সহায় ল'বা।)



**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক অতীতত ব্যৱহৃত কিছুমান সামগ্ৰী, যেনে- চুলি ধুবলৈ ঔ টেঙাৰ বীজ, মণিচালৰ গুটি, দাঁত ঘঁহিবলৈ নিম গছ, সৌৰা গছৰ ঠাৰি ব্যৱহাৰ কৰাৰ বিষয়ে আলোচনা কৰিব। কিছুমান ব্যক্তি, যেনে- ডাক্তৰ, পুলিচ, নাৰ্ছ আদি অচিনাকী হ'লেও যে তেওঁলোকৰ ওচৰত মানুহ সুৰক্ষিত হৈ থাকে সেই বিষয়ে বুজাই ক'ব।

## অনুশীলনী

১। উত্তৰ লিখা –

(ক) স্বাস্থ্য ভালে ৰাখিবলৈ তুমি অনুশীলন কৰা দুটা কামৰ নাম।

(খ) নিজৰ সুৰক্ষাৰ বাবে ল'ব লগা দুটা সাৱধানতা।

২। শুদ্ধ উক্তিটোত (✓) চিন দিয়া-

(ক) আহাৰ খালে আমি কাম কৰিবলৈ শক্তি পাওঁ।

(খ) য'তে ত'তে থু-খেকাৰ পেলাব লাগে।

(গ) অচিনাকী ব্যক্তিয়ে ক'ৰবালৈ যাবলৈ ল'গ ধৰিলে যাব লাগে।

(ঘ) মহৰ উৎপাত কমাবলৈ ধূপ্-ধূনা দিব লাগে।

৩। খালী ঠাই পূৰ কৰা-

(ক) সু-অভ্যাস আৰু _______________ আমাৰ শৰীৰটো সুস্থ কৰি ৰাখে।

(খ) সুৰক্ষিত অনুভৱ _______________ চিএৱৰি ডাঙৰক জনাব লাগে।

(গ) লেতেৰা পৰিৱেশত চকুৰে নেদেখা অলেখ _______________ থাকে।

(ঘ) শৌচ কৰাৰ পাছত _______________ লাগে।

(ঙ) শুলে শৰীৰে _______________পায়।

৪। তুমি খেলি ভাল পোৱা কেইটামান খেলৰ নাম লিখা।

৫। শৰীৰ সুস্থ আৰু সৱল কৰি ৰাখিবলৈ কি কি খাব লাগে লিখা।

* * *





পাঠ ১২

# যাতায়াত আৰু যোগাযোগ

পুৰণি কালত মানুহে খোজকাঢ়ি নাইবা প্ৰাণীৰ পিঠিত উঠি এঠাইৰপৰা আন ঠাইলৈ গৈছিল আৰু বয়-বস্তু কঢ়িয়াইছিল। কোনবোৰ প্ৰাণীক মানুহে এনেবোৰ কামত ব্যৱহাৰ কৰিছিল তোমালোকে জানানে? গৰু, ঘোঁৰা, গাধ, হাতী, উট আদি পোহনীয়া প্ৰাণীবোৰ ব্যৱহাৰ কৰিছিল। মানুহে দোলাত উঠিও এঠাইৰপৰা আন ঠাইলৈ অহা-যোৱা কৰিছিল।







চকাৰ আৱিষ্কাৰ হোৱাৰ পাছত প্ৰয়োজন অনুসৰি মানুহে বিভিন্ন ধৰণৰ যানবাহন ব্যৱহাৰ কৰিবলৈ ধৰিলে। এঠাইৰপৰা আন ঠাইলৈ অহা-যোৱা কৰা ব্যৱস্থাই হ'ল **যাতায়াত**।





কওঁ আহা—

পুৰণিকালত ব্যৱহাৰ কৰা তিনিবিধ যানবাহনৰ নাম।

### যানবাহনৰ বিষয়ে কিছু কথা—



**আফৰীণ—**

যোৱা দেওবাৰে মই গুৱাহাটীত থকা মামাহঁতৰ ঘৰলৈ ৰে'লেৰে ফুৰিবলৈ গৈছিলোঁ। গুৱাহাটী ৰে'ল ষ্টেচনৰপৰা আমি অট'-ৰিক্সাৰে নিজৰাপাৰত থকা মামাহঁতৰ ঘৰ পালোঁগৈ। আবেলি মামাই তেওঁৰ গাড়ীখনেৰে আমাক চিৰিয়াখানা দেখুৱাবলৈ নিলে। যাওঁতে বাটত থকা পেট্ৰ'ল পাম্পৰপৰা গাড়ীখনত পেট্ৰ'ল ভৰাই ল'লে।





**শেৱালী—**

এই বছৰ মোৰ জন্মদিনত নতুন দিল্লীত থকা মোৰ খুড়া-খুড়ী আহিছিল। তেওঁলোকে উৰা জাহাজেৰে আমাৰ ডিব্ৰুগড়ৰ ঘৰলৈ আহিছিল। নতুন দিল্লীৰপৰা প্ৰায় তিনিঘণ্টাৰ ভিতৰতে তেওঁলোক আহি ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰত নামিছিল।

**অৰুণ —**

মোৰ দাদাই পঢ়া কলেজখন কপিলী নৈৰ সিপাৰে। দাদাই সদায় নাৱেৰে নদী পাৰ হৈ কলেজলৈ অহা-যোৱা কৰে। এদিন ময়ো দাদাৰ লগত নাৱত উঠি সিপাৰে থকা মাহীৰ ঘৰলৈ গৈছিলোঁ। নাৱত উঠি কি যে ভাল লাগিছিল!





**ৰূপালী —**

যোৰাবাৰ ৰাস উৎসৱৰ সময়ত মা-দেউতাৰ সৈতে মই মাজুলীত থকা পেহীৰ ঘৰলৈ গৈছিলোঁ। প্ৰথমতে তিনিচুকীয়াৰপৰা যোৰহাটলৈ আমি বাছেৰে যাত্ৰা কৰিছিলোঁ। পাছত যোৰহাটৰ নিমাতীঘাটৰপৰা ফেৰীৰে মাজুলী পাইছিলোঁগৈ।

**লিজা —**

আমাৰ ঘৰলৈ এজন ফেৰিৱালাই চাইকেলেৰে বয়-বস্তু বেচিবলৈ প্ৰায়ে আহে। মায়ে তেওঁৰপৰা কিবা-কিবি বস্তু কিনে। আমাৰ যোচেফ খুড়ায়ো সদায় চাইকেলেৰে স্কুললৈ অহা-যোৱা কৰে।









**নয়ন—**

মই যোৱা বছৰ জেঠাইৰ ঘৰলৈ বাছৰে গৈছিলোঁ। বাছ আস্থানৰপৰা জেঠাইৰ ঘৰলৈ আমি খোজ কাঢ়ি গৈছিলোঁ। জেঠাইহঁতৰ গাঁৱত আমি গৰু-গাড়ী দেখিছিলোঁ। গাঁৱত গৰু-গাড়ীৰে পথাৰৰপৰা ধান আনে।

## লিখোঁ আহা—

তোমাৰ ঘৰৰপৰা তলত দিয়া ঠাইবোৰলৈ যাবলৈ কি ধৰণৰ যানবাহন ব্যৱহাৰ কৰিবা লিখা—
বিদ্যালয়, নৈৰ সিপাৰ, নতুন দিল্লী

## ক্ৰিয়া-কলাপ ১

পাঠত উল্লেখ কৰা যানবাহনবোৰৰ নামেৰে তলৰ তালিকাখন পূৰ কৰা—

| প্ৰাণীয়ে টনা বাহন | ইন্ধনেৰে চলা বাহন | ইন্ধন নোহোৱাকৈ চলা বাহন |
|---|---|---|
| | | |

গাড়ী, বাছ আদি যানবাহনবোৰ চলিবলৈ পেট্ৰ'ল, ডিজেল আদি **ইন্ধনৰ** প্ৰয়োজন।

## লিখোঁ আহা—

তোমালোকে পেট্ৰ'ল পাম্প দেখিছানে? পেট্ৰ'ল পাম্পৰ প্ৰয়োজনীয়তা সম্পৰ্কে চিন্তা কৰি লিখা।



## মৰুভূমি আৰু বৰফাবৃত অঞ্চলত যাতায়াতৰ ব্যৱস্থা—



বালিময় মৰুভূমি অঞ্চলত উটৰ পিঠিত উঠি মানুহে অহা-যোৱা কৰে আৰু বয়-বস্তু কঢ়িয়ায়। মৰুভূমিত উটৰ বাহিৰে যাতায়াতৰ অন্য ব্যৱস্থা নাই। সেইবাবে মৰুভূমিৰ মানুহে যাতায়াতৰ আহিলা হিচাপে উটকে ব্যৱহাৰ কৰে।সেয়েহে উটক **মৰুভূমিৰ জাহাজ** বোলে।



সেইদৰে বৰফাবৃত তুন্দ্ৰা অঞ্চলত যাতায়াতৰ অন্য ব্যৱস্থা নাই। গতিকে মানুহে যাতায়াতৰ বাবে বল্গাহৰিণ আৰু কুকুৰে টনা শ্লেজ গাড়ী ব্যৱহাৰ কৰে।

### চিন্তা কৰি কওঁ আহা—

সকলোধৰণৰ যানবাহন চলা-চল কৰা ব্যৱস্থা একেইনে?

### ক্ৰিয়া-কলাপ ২

বিভিন্ন যানবাহনৰ নাম লিখি তলৰ তালিকাখন পূৰ কৰা—

| যানবাহন | | |
|---|---|---|
| স্থল পথেৰে চলা | জল পথেৰে চলা | আকাশী পথেৰে চলা |
| | | |



যানবাহন ৰখাই থোৱা নির্দিষ্ট ঠাইক **আস্থান** বোলে। এই আস্থানলৈ গৈ যাত্রীসকলে গন্তব্য স্থানলৈ অহা-যোৱা কৰে। কিছুমান বাহন পানীৰে বা জলপথেৰে, কিছুমান আলিবাটেৰে বা মাটিৰে, কিছুমান আকাশী-পথেৰে আৰু কিছুমান ৰে'লপথেৰে চলে। বিভিন্ন পথেৰে চলা যানবাহনৰ সহায়ত মানুহ আৰু বিভিন্ন বয়-বস্তু এঠাইৰপৰা আন এখন ঠাইলৈ কঢ়িয়াই নিয়া ব্যৱস্থাই হৈছে **পৰিৱহণ ব্যৱস্থা**।

## ক্রিয়া-কলাপ ৩

তলত দিয়া ছবিবোৰ চোৱা আৰু কাষত দিয়া সঠিক আস্থানৰ লগত আঁচ্ টানি মিলোৱা—



বিমান বন্দৰ



ৰে'ল-ষ্টেচন



বাছ আস্থান



জাহাজ ঘাট

## লিখোঁ আহা—

শিক্ষকৰ সহায় লৈ তলত দিয়া যানবাহনবোৰ কি কি কামত ব্যৱহাৰ কৰা হয় লিখা—




এম্বুলেঞ্চ

..........................................................................

..........................................................................



ট্ৰাক

..........................................................................

..........................................................................




ডাক-ঘৰৰ ৰঙা গাড়ী

..........................................................................

..........................................................................




স্কুল বাছ

..........................................................................

..........................................................................

## প্ৰকল্প—


স্থল পথ, জল পথ আৰু আকাশী পথেৰে চলাচল কৰা যানবাহনৰ ছবিৰে এটি এলবাম প্ৰস্তুত কৰা। ছবিৰ তলে তলে যানবাহনৰ নামবোৰ লিখিবা।






### যাতায়াত কৰোঁতে ল'ব লগা সাৱধানতা—

আলিবাটত খোজ কাঢ়োঁতে, ৰাস্তা পাৰ হওঁতে, যানবাহনত চলাচল কৰোঁতে কিছুমান নিয়ম পালন কৰিলে আমি সুৰক্ষিত হৈ থাকিব পাৰোঁ। তলত তেনে কিছুমান নিয়ম উল্লেখ কৰা হ'ল—



- ৰাস্তাত সদায় নিজৰ বাঁও হাতে খোজ কাঢ়িব লাগে।
- ৰাস্তা পাৰ হওঁতে সাৱধানে সোঁৱে-বাঁওৱে চাই ল'ব লাগে।
- চলি থকা যানবাহনৰ আগেৰে পাৰ হ'ব নালাগে।
- ৰাস্তাত জেব্ৰা চিন থাকিলে তাৰ ওপৰেৰে ৰাস্তা পাৰ হ'ব লাগে।
- সদায় পদপথেৰে খোজ কাঢ়িব লাগে।
- স্কুল বাছত উঠোঁতে শাৰী পাতি এজন এজনকৈ উঠিব লাগে।



### ট্ৰেফিক লাইট আৰু ইয়াৰ সংকেতসমূহ—

- **ৰঙা** ৰঙে চলি থকা যানবাহনৰ চালকক ৰ'বলৈ সংকেত দিয়ে।
- **হালধীয়া** ৰঙে যানবাহনৰ চালকক সাজু হ'বলৈ সংকেত দিয়ে।
- **সেউজীয়া** ৰঙে যানবাহনৰ চালকক গাড়ী চলাবলৈ সংকেত দিয়ে।



## ক্ৰিয়া-কলাপ ৪

ৰাজহুৱা যানবাহনত উঠা-নমাৰ সময়ত যিবোৰ নিয়ম পালন কৰা উচিত, তেনে বাক্যৰ কাষত থকা খালী বাকচত '✓' চিন আৰু যিবোৰ কৰা অনুচিত, তাত ☒ চিন দি দেখুওৱা—


- বাছত শাৰী পাতি এজন এজনকৈ উঠা-নমা কৰিব লাগে। ☐
- বাছত উঠা-নমা কৰোঁতে ঠেলা-হেঁচা কৰিব লাগে। ☐
- গাড়ী লাহে লাহে চলি থকা অৱস্থাত জাঁপ মাৰি উঠা-নমা কৰিব লাগে। ☐
- গাড়ীৰ ভিতৰৰ পৰা খিৰিকীৰে বাহিৰলৈ হাত-মূৰ উলিওৱা অনুচিত। ☐
- বাছত উঠোতে পিছফালৰ দুৱাৰেদি উঠিব আৰু আগফলাৰ দুৱাৰেদি নামিব লাগে। ☐

### যোগাযোগ—

এজনে আনজনৰ লগত তথ্যৰ আদান-প্ৰদান কৰাই হৈছে **যোগাযোগ**। আমাৰ ওচৰত থকা ব্যক্তিৰ লগত কথা পাতি আমি সহজে যোগাযোগ কৰিব পাৰোঁ।

দূৰৈত থকা ব্যক্তি এজনৰ লগত আমি কেনেকৈ আৰু কি মাধ্যমৰ সহায়ত যোগাযোগ কৰোঁ?

| যোগাযোগৰ প্ৰকাৰ | যোগাযোগৰ মাধ্যম |
|---|---|
| চিঠি | ডাক ব্যৱস্থা |
| কথা-বাৰ্তা | টেলিফোন, ম'বাইল |
| দেশ-বিদেশৰ খবৰ | বাতৰিকাকত, ৰেডিঅ', দূৰদৰ্শন, কম্পিউটাৰ (ইণ্টাৰনেট) |






## আলোচনা কৰোঁ আহা—

ওপৰৰ ছবি দুখনলৈ চাই পুৰণি কালত মানুহে কেনেদৰে যোগাযোগ কৰিছিল, শিক্ষক আৰু সহপাঠীসকলৰ সৈতে আলোচনা কৰা।



## ক্রিয়া-কলাপ ৫

তলত কিছুমান যোগাযোগ মাধ্যমৰ ছবি দিয়া হৈছে। ছবিবোৰৰ তলে তলে থকা খালী বাকচত নামবোৰ শুদ্ধকৈ লিখা—





যোগাযোগৰ আন এক মাধ্যম হৈছে কম্পিউটাৰ। আধুনিক যুগৰ ই এটা আটাইতকৈ উন্নত যোগাযোগৰ মাধ্যম। কম্পিউটাৰদ্বাৰা বহুতো কাম কম সময়তে কৰিব পাৰি।




## লিখোঁ আহা—

ওপৰৰ ছবিখনলৈ চাই কম্পিউটাৰৰ অংশকেইটাৰ নাম বহীত লিখা।

ইণ্টাৰনেট সংযুক্ত কম্পিউটাৰৰ সহায়ত আমি কৰিব পৰা কামবোৰ হ'ল—

- আমি দেশ-বিদেশৰ খবৰ পাব পাৰোঁ।
- দূৰ-দূৰণিত থকা লোকসকলৰ লগত ঘৰত থাকিয়েই যোগাযোগ কৰিব পাৰোঁ।
- বিভিন্ন বিষয়ৰ ভিডিঅ' চাই বহু কথা শিকিব পাৰোঁ।



## লিখোঁ আহা—

ইণ্টাৰনেট সংযুক্ত কম্পিউটাৰৰ সহায়ত আৰু কি কি কৰিব পাৰোঁ? ( শিক্ষকৰ লগত আলোচনা কৰি লিখা।)

## চিন্তা কৰি কওঁ আহা—

যোগাযোগৰ মাধ্যমবোৰ নাথাকিলে আমাৰ কি অসুবিধা হ'লহেঁতেন?

**শিক্ষকলৈ নিৰ্দেশনাঃ** ইণ্টাৰনেট ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীক দেশ-বিদেশৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থা দেখুৱাব।

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) স্থল পথেৰে চলা দুখন যানবাহনৰ নাম।

(খ) যানবাহন থকাৰ বাবে আমাৰ কি কি সুবিধা হৈছে?

(গ) তিনিটা যোগাযোগৰ মাধ্যমৰ নাম।

(ঘ) আলিবাটত খোজ কাঢ়োঁতে মানি চলিবলগীয়া তিনিটা নিয়ম।

২। 'ক' অংশৰ লগত 'খ' অংশ আঁচ্ টানি মিলোৱা—

| 'ক' | 'খ' |
|---|---|
| ট্ৰেক্টৰ | বয়-বস্তু কঢ়িয়ায় |
| মালবাহী ৰে'ল | আকাশত উৰে |
| ফেৰী | মাটিত চলে |
| উৰাজাহাজ | পানীত চলে |

৩। খালী ঠাই পূৰ কৰা—

(ক) যানবাহনবোৰ চলিবলৈ পেট্ৰ'ল, ডিজেল আদি ________ প্ৰয়োজন হয়।

(খ) উটক মৰুভূমিৰ ________________ বোলে।

(গ) খোজ কাঢ়োঁতে সদায় নিজৰ ________________ যাব লাগে।

(ঘ) এঠাইৰপৰা আন ঠাইলৈ অহা-যোৱা কৰা ব্যৱস্থাই হ'ল ______________ ।

৪। তুমি ভালপোৱা এখন বাহনৰ ছবি আঁকা।

* * *





## পাঠ ১৩

# আমাৰ ঘৰুৱা উৎপাদন

আমাৰ দৈনন্দিন জীৱনত বহুতো বস্তুৰ প্ৰয়োজন হয়। এনে কিছুমান বস্তু স্থানীয়ভাৱে পোৱা সামগ্ৰীৰে তৈয়াৰ কৰি লোৱা হয়। অসমত বাঁহ-বেত প্ৰচুৰ পৰিমাণে পোৱা যায়। সেইবাবে নিতৌ ব্যৱহাৰ কৰা কিছুমান সামগ্ৰী বাঁহ-বেতৰপৰা সজা হয়। বাঁহ-বেতেৰে সজা সামগ্ৰীবোৰ বজাৰত বেচি আৰ্থিকভাৱে লাভৱান হ'ব পাৰি।

### ক্ৰিয়া-কলাপ ১

বাঁহ-বেতেৰে সজা সামগ্ৰীবোৰৰ নাম তলত দিয়া খালী বাকচত লিখা—













বাঁহ-বেতেৰে আৰু কি কি সাজিব পাৰি?










ঘৰত সজোৱা কিছুমান সামগ্ৰী, যেনে- ফুলদানি, শৰাই, জাপি আদি বাঁহ-বেতেৰে তৈয়াৰ কৰা হয়।



তোমালোকে জানানে যে মাছ ধৰা সঁজুলিবোৰ বাঁহ-বেতেৰে সজা হয়! মাছ ধৰা কিছুমান সঁজুলি হ'ল- জাকৈ, খালৈ, চেপা, জুলুকি আদি।


চেপা


জুলুকি


জাকৈ


খালৈ

বিহুত নাচনীয়ে গগণা বজোৱা দেখিছানে?

গগণাৰ দৰে আন কিছুমান বাদ্যযন্ত্ৰ, যেনে — বাঁহী, টকা, ঢোলৰ মাৰি আদি বাঁহেৰেই সজা হয়।


টকা


গগণা



বাঁহী

অসমৰ নলবাৰী জিলা বাঁহ-বেতৰ বিভিন্ন সামগ্ৰী আৰু জাপি উৎপাদনৰ বাবে জনাজাত। কাছাৰ জিলা পাটী আৰু বেতৰ সামগ্ৰী উৎপাদনৰ বাবে বিখ্যাত।


বাঁহেৰে আৰু কি কি সাজিব পাৰি?

কিছুমান ঘৰ, ভঁৰাল, গঁৰাল, গোহালি আদিও বাঁহেৰে সজা হয়। খেতিয়কসকলে কৃষি কাৰ্যত ব্যৱহাৰ কৰা কিছুমান সঁজুলিও বাঁহেৰে তৈয়াৰ কৰা হয়। এইবোৰ হ'ল- যুঁৱলি, মৈ, ওখোন আদি।


ভঁৰাল ঘৰ


মৈ



ওখোন


যুঁৱলি






ধান, মাহ থ'বলৈ বাঁহৰ কাঠীৰে খৰাহী, ডুলি, তোম আদি সাজি লোৱা হয়।




খৰাহী



ডুলি



তোম



আগৰ দিনত কাপোৰ-কানি ভৰাই থ'বৰ বাবে বাঁহৰ কাঠীৰে সজা পেৰা বা জপা ব্যৱহাৰ কৰা হৈছিল।

চামুচ, গিলাচ, ফণি, বেগ আদিও বাঁহেৰে তৈয়াৰ কৰিব পাৰি।

বাঁহ-বেতেৰে সজা অলংকাৰ দেখিছানে?

বাঁহ-বেতেৰে তৈয়াৰ কৰা সামগ্ৰীসমূহ ব্যৱহাৰ কৰি প্লাষ্টিকৰ ব্যৱহাৰ কমাব পাৰি।

প্লাষ্টিকৰ ব্যৱহাৰ কিয় হ্ৰাস কৰিব লাগে? (শিক্ষক আৰু ডাঙৰক সুধি জানি লোৱা)

## ক্ৰিয়া-কলাপ ২

তোমাৰ ঘৰত বাঁহ আৰু বেতেৰে সজা কি কি সামগ্ৰী আছে তালিকা অনুসৰি লিখা—

| বাঁহেৰে সজা সামগ্ৰীৰ নাম | বেতেৰে সজা সামগ্ৰীৰ নাম |
|---|---|
| | |

আমাৰ দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা কিছুমান সামগ্ৰী স্থানীয়ভাৱে পোৱা কেঁচা-মালৰপৰা সাজি ল'ব পাৰি। এনে সামগ্ৰীসমূহ উৎপাদন কৰোঁতে যন্ত্ৰ-পাতি কমকৈ ব্যৱহাৰ কৰা হয়। কম সংখ্যক মানুহে ঘাইকৈ শাৰীৰিক শ্ৰমৰ যোগেদি এইবোৰ উৎপাদন কৰে। এনে উৎপাদন ব্যৱস্থাই হৈছে **কুটীৰ শিল্প**। কুটীৰ শিল্পত উৎপাদিত সামগ্ৰীসমূহ বজাৰত বেচি জীৱিকা নিৰ্বাহো কৰিব পাৰি। পাট-মুগা, এৰী কাপোৰৰ বয়ন শিল্প, মৃৎশিল্প, কাঁহ-পিতলৰ শিল্প, মৰাপাটৰ শিল্প, বাঁহ-বেতৰ শিল্প আদি অসমৰ কিছুমান উল্লেখযোগ্য কুটীৰ শিল্পৰ উদাহৰণ।



## বয়ন শিল্প আৰু তাঁত-শাল—

আমাৰ গাঁও অঞ্চলৰ প্ৰায়ভাগ মানুহৰ ঘৰতে তাঁত-শাল আছে। অসমৰ শিপিনীয়ে তাঁত-শালত বিভিন্ন ধৰণৰ কাপোৰ বয়। অসমৰ শিপিনীয়ে বোৱা এৰী, মুগা আৰু পাট কাপোৰে দেশে-বিদেশে সমাদৰ পাইছে।

## তাঁত-শালত ব্যৱহাৰ হোৱা বাঁহ-বেতৰ সঁজুলি—




চেৰেকী




তাঁত-শাল



উঘা



মহুৰা



যঁতৰ



ৰাঁচ

অসমৰ কিছুসংখ্যক মানুহে ব্যৱসায়ৰ বাবে সৰহকৈ কাপোৰ বয়। ইয়াৰ বাবে বহু সংখ্যক তাঁত-শালৰ প্ৰয়োজন হয়। একেলগে বহুতো তাঁত-শাল পাতি কাপোৰ বোৱা কেন্দ্ৰবোৰকে **বয়ন কেন্দ্ৰ** বুলি কোৱা হয়। অসমৰ শুৱালকুছি আৰু ঢকুৱাখনা পাট, মুগা কাপোৰৰ বাবে বিখ্যাত।





**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে বাঁহ-বেতেৰে সজা কিছুমান সামগ্ৰী আনি ছাত্ৰ-ছাত্ৰীক দেখুৱাব। তদুপৰি আগৰ দিনত বিভিন্ন কামত ব্যৱহাৰ কৰা কিছুমান বাঁহ-বেতৰ সামগ্ৰী, যিবোৰ আজি-কালি ব্যৱহাৰ নহয়, সেইবোৰৰ লগতো পৰিচয় কৰাই দিব, যেনে— পেৰা, জপা আদি। ছাত্ৰ-ছাত্ৰীসকলক তাঁত-শাল এখন দেখুৱাই সঁজুলিবোৰৰ সৈতে পৰিচয় কৰাই দিব। পাঠৰ জৰিয়তে আমাৰ বিভিন্ন ঘৰুৱা উৎপাদনসমূহৰ বিষয়ে আলোচনা কৰিব।

## অনুশীলনী

১। উত্তৰ লিখা —

(ক) বাঁহেৰে সজা দুবিধ বাদ্যযন্ত্ৰৰ নাম।

(খ) ঘৰত সজাবলৈ ব্যৱহাৰ কৰা বাঁহ-বেতৰ দুবিধ সামগ্ৰীৰ নাম।

(গ ) তাঁত-শালত ব্যৱহৃত বাঁহৰ চাৰিবিধ সঁজুলিৰ নাম।

২। তলত দিয়া ঠাইসমূহ কি উৎপাদনৰ বাবে বিখ্যাত লিখা—

(ক) শুৱালকুছি (খ) কাছাৰ (গ) নলবাৰী (ঘ) ঢকুৱাখনা

৩। তলত দিয়া সামগ্ৰীসমূহ কি কামত ব্যৱহাৰ কৰা হয় লিখা—

(ক) বিচনী (খ) মুঢ়া

(গ) চালনী (ঘ) জাপি

(ঙ) জাকৈ (চ) উঘা

৪। 'ক' অংশৰ সৈতে 'খ' অংশ আঁচ্ টানি মিলোৱা—

| 'ক' | 'খ' |
|---|---|
| গগণা | খেতিৰ এবিধ সঁজুলি |
| চেপা | ধান, মাহ আদি থোৱা যতন |
| যুঁৰলি | বহিবলৈ ব্যৱহাৰ কৰা এবিধ আসন |
| জপা | মাছ ধৰা এবিধ সঁজুলি |
| ডুলি | কাপোৰ-কানি ভৰাই থোৱা যতন |
| ঢাৰি | বাঁহৰ এবিধ বাদ্য |

* * *



R6Y5D3



পাঠ ১৪

# আজৰি সময়ৰ ব্যৱহাৰ


বিদ্যালয় ছুটীৰ পাছত ঘৰলৈ আহি অথবা বন্ধৰ দিনত তোমালোকে নিশ্চয় কিছুমান কাম কৰা। নিজৰ ভাগৰ কামখিনি কৰি উঠাৰ পাছত যিখিনি অৱশিষ্ট সময় পোৱা যায় সেইখিনিয়েই হ'ল **আজৰি সময়**। এই আজৰি সময়খিনি ভালদৰে কটোৱাৰ বাবে আমি কিছুমান নিজৰ ভাল লগা কাম কৰিব পাৰোঁ, যেনে- ছবি আঁকা, সাধু কথাৰ কিতাপ বা আলোচনী পঢ়া, গান গোৱা, নৃত্য কৰা আদি। আজৰি সময়ত কৰা কামবিলাকে কামৰ প্ৰতি ধাউতি বঢ়ায়। বহুতেই আজৰি সময়ত খেলা-ধূলা কৰি ভাল পায়।




## কওঁ আহা—

তলৰ ছবিত কি কি খেল খেলি থকা দেখিছা?















বিদ্যালয় ছুটী হোৱাৰ পাছত তোমালোকে ঘৰলৈ ঘূৰি আহি কি কি কৰা? মাৰ্বল, ঘিলা, চিলা উৰুওৱা, ভেকুলী-জাঁপ, লুকাভাকু, লুডু, কড়ি, কেৰম, ফুটবল আদি খেলবোৰ খেলি পাইছানে?

এই খেলবোৰৰ কিছুমান ভিতৰত খেলা আৰু কিছুমান বাহিৰত খেলা খেল। এটা কথা নিশ্চয় ধৰিব পাৰিছা যে খেল খেলিলে আমাৰ মনত আনন্দ লাগে আৰু শৰীৰ সুস্থ-সবল হয়। খেল খেলোঁতে লগৰীয়াসকলৰ মাজত মিলা-প্ৰীতিও বাঢ়ে। প্ৰত্যেকটো খেল খেলাৰ কিছুমান নিৰ্দিষ্ট নীতি-নিয়ম থাকে। যিকোনো খেল খেলোঁতে খেলৰ নীতি-নিয়ম সঠিকভাৱে মানি চলিব লাগে।





**ফুটবল খেলৰ নিয়মসমূহ জানি লওঁ আহা—**

| খেলৰ নাম | খেলৰ প্ৰকাৰ | খেলুৱৈৰ সংখ্যা | খেলাৰ নিয়ম |
|---|---|---|---|
| ফুটবল | বাহিৰত খেলা খেল | এটা দলত গ'ল ৰক্ষকসহ ১১জনকৈ খেলুৱৈ থাকে। দুটা দলত মুঠ ২২জন খেলুৱৈ, ১জন ৰেফাৰী আৰু ২জন সহকাৰী ৰেফাৰী থাকে। | — খেলখন দুটা দলৰ মাজত খেলা হয়।<br>— এখন ফুটবল খেল সাধাৰণতে ৯০ মিনিটত সম্পূৰ্ণ হয়।<br>— এই সময়ছোৱাক ৪৫ মিনিটকৈ দুটা ভাগত ভগোৱা হয়।<br>— ইয়াৰ মাজত ১৫ মিনিট বিৰতি দিয়া হয়।<br>— প্ৰতিটো দলৰপৰা এজনকৈ দুটা দলৰ দুজন গ'ল ৰক্ষক হয়।<br>— দুয়োটা দলৰ এটাই আনটো দলক দিয়া গ'লৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি বিজয়ী দল ঘোষণা কৰে। |

## ক্ৰিয়া-কলাপ ১

সঠিক নিয়মেৰে যিকোনো এবিধ খেল খেলো আঁহা—

ক) কাবাডী  খ) ৰছী টনা  গ) পাৰ-পানী  ঘ) কলহ ভঙা  ঙ) সংগীত চকী


## লিখোঁ আহা—

- তোমালোকে খেলা খেলবিধৰ নাম কি?
- খেলবিধ ভিতৰত খেলা নে বাহিৰত খেলা খেল?
- খেলবিধ খেলিবলৈ কিমানজন খেলুৱৈৰ আৱশ্যক?
- কি কি নিয়ম মানি খেলবিধ খেলা হয়?

তলৰ ছবিত দেখুওৱা খেলবোৰলৈ চোৱা। এই খেলবোৰ খেলি পাইছানে?



ৰুমাল খেল



কুট্ কুট্ খেল



ঘিলা খেল



হেতালি খেল



## লিখোঁ আহা—

- পুৰণি কালত খেলা কিছুমান খেল, যিবোৰ খেল এতিয়া আৰু খেলা নহয়।
- বৰ্তমানত খেলা খেল, যিবোৰ আগতে খেলা হোৱা নাছিল।
- লুকাভাকু খেলৰ নিয়মবোৰ কি কি? (শিক্ষকৰ লগত আলোচনা কৰি লিখিবা)
- খেল-ধুলা কৰিলে আমাৰ কি কি ধৰণৰ উপকাৰ হয়?

## ক্ৰিয়া-কলাপ ২

আমি সকলোৱে নিৰাপদ স্থানত খেলা-ধুলা কৰিব লাগে। তলৰ কোনবোৰ স্থান খেলা-ধুলাৰ বাবে নিৰাপদ বাছি উলিয়াই খালী বাকচত ‘ ✓ ’ চিন দিয়া—















আজৰি পৰত সাধুকথা, মহৎলোকৰ জীৱনী, ভ্ৰমণ কাহিনী, কুইজৰ পুথি, শিশু আলোচনী আদি পঢ়িব পাৰি। বাতৰি কাকতত থকা শিশু শিতানসমূহ পঢ়িলে বহুতো নজনা কথা জানিব পাৰি। বাতৰি কাকত বা বিভিন্ন পুথি পঢ়িলে নিজৰেই সাধু, কাহিনী, কবিতা, প্ৰবন্ধ আদি লিখাৰ ইচ্ছা জন্মে। এনেবোৰ অনুশীলনে মানুহৰ নতুন নতুন সৃষ্টি কৰিব পৰা গুণটো বঢ়াই তোলে। এইবোৰে আত্মবিশ্বাসো বৃদ্ধি কৰে।

**তোমালোকে আজৰি পৰত সাধুকথা, ভ্ৰমণ কাহিনী, কুইজৰ পুথি, শিশু আলোচনী আদি পঢ়ানে?**

তোমালোকে পুথিভঁৰালৰ পৰা এনেধৰণৰ কিতাপ আনি পঢ়িবা । আজৰি সময়ত এইবোৰ পঢ়ি বহুতো নজনা কথা জানিব পাৰিবা।

## লিখোঁ আহা—



- তুমি পঢ়া এখন সাধু কথাৰ কিতাপৰ নাম—
  ..........................................................
- এখন শিশু আলোচনীৰ নাম—
  ..........................................................
- এখন বাতৰি কাকতৰ নাম—
  ..........................................................

আজৰি সময়ত ছবি অঁকাটো এটা ভাল অভ্যাস। ছবি অঁকাৰ জৰিয়তে মনৰ ভাব প্ৰকাশ কৰিব পাৰি। ছবি আঁকিলে সৃজনশীলতা আৰু কল্পনা শক্তিৰ বিকাশ সাধন হয়। তোমালোকে এতিয়াৰ পৰাই ছবি আঁকিবলৈ যত্ন কৰিবাহঁক।



## আঁকো আহা—

তোমাৰ ভাল লগা প্ৰাকৃতিক দৃশ্যৰ এখন ছবি আঁকা ।

## কৰি চাওঁ আহা—



- মাটিৰে বিভিন্ন বস্তুৰ গঢ় দিয়া (শিক্ষকৰ সহায়ত কৰিবা)- আম, অমিতা, কল, মাছ, পুতলা ইত্যাদি।
- কাগজ ভাঁজ দি বিভিন্ন বস্তু সাজা- নাও, ফুল, মাছ, পুতলা, চৰাই ইত্যাদি।
- ক'লাজ প্ৰস্তুত কৰা - পখিলা, চৰাই , গছ , ঘৰ





আজৰি সময়ত আন কিছুমান ভাল লগা আৰু প্ৰয়োজনীয় কাম কৰিব পাৰি, যেনে— মা-দেউতাক ঘৰুৱা কামত সহায় কৰা, নিজৰ বয়-বস্তুবোৰ পৰিপাটিকৈ থোৱা, গছপুলি ৰোৱা, ফুলনিৰ যত্ন লোৱা আদি।









## ক্ৰিয়া-কলাপ ৩

আজৰি সময়ত তোমালোকে কৰা কামৰ এখন তালিকা প্ৰস্তুত কৰা।

ৰেডিঅ'যোগে শিশুসকলৰ উপযোগীকৈ কিছুমান অনুষ্ঠান প্ৰচাৰ কৰা হয়। এনেধৰণৰ অনুষ্ঠান শুনি কেৱল আমোদ পোৱাই নহয়, বহুতো নতুন কথা শিকিব পাৰি। ৰেডিঅ'ৰ দৰে দূৰদৰ্শনযোগেও শিশুৰ উপযোগী অনুষ্ঠান প্ৰচাৰ কৰা হয়।



## কওঁ আহা—

তোমালোকে ৰেডিঅ' আৰু দূৰদৰ্শনত শিশুৰ বাবে প্ৰচাৰ কৰা কি কি অনুষ্ঠান উপভোগ কৰা?

কুইজৰপৰা আমাৰ জ্ঞানৰ ভঁৰাল চহকী হয়। তোমালোকে কেতিয়াবা কুইজত ভাগ লৈ পাইছানে? কুইজত ভাগ লোৱাটো এটা ভাল অভ্যাস।

### কুইজ

১। এটা খৰ্গ থকা গঁড় ক'ত পোৱা যায়?
২। ৰাষ্ট্ৰীয় সংগীতটো কোনে ৰচনা কৰিছিল ?
৩। অসমৰ জাতীয় সংগীতটো কোনে ৰচনা কৰিছিল?
৪। লাভলীনা বৰগোহাঁইয়ে কি খেল খেলে?
৫। অসমৰ প্ৰধান নদীখনৰ নাম কি?
৬। অসমৰ ৰাজ্যিক বৃক্ষৰ নাম কি?
৭। অসমৰ ৰাজধানীৰ নাম কি?
৮। আটাইতকৈ বেগাই দৌৰিব পৰা চৰাইটোৰ নাম কি?

### শুভেচ্ছা পত্ৰ তৈয়াৰ কৰোঁ আহা-



জন্মদিন, নতুন বছৰ আৰু উৎসৱ আদিত বন্ধু-বান্ধৱী আৰু আত্মীয়-স্বজনলৈ শুভেচ্ছাপত্ৰ পঠিয়াব পাৰি। এনেকুৱা শুভেচ্ছাপত্ৰত ছবি আঁকি দিলে দেখিবলৈ শুৱনি হয়।



## ক্ৰিয়া-কলাপ ৪

তোমাৰ বন্ধুৰ জন্মদিনত দিবলৈ এখন শুভেচ্ছাপত্ৰ প্ৰস্তুত কৰা।

## জানি লওঁ আহা—

- আজৰি সময়ত কৰা নিজৰ ভাল লগা কামবোৰে মনত আনন্দ দিয়ে।
- কিতাপ, আলোচনী আদি পঢ়ি বহুতো নতুন কথা জানিব পাৰি।
- বাতৰি কাকত পঢ়ি দেশ-বিদেশৰ বহুতো খবৰ পাব পাৰি।
- ৰেডিঅ' আৰু দূৰদৰ্শনত প্ৰচাৰ কৰা শিশু অনুষ্ঠানসমূহ আজৰি সময়ত উপভোগ কৰা ভাল।
- আজৰি সময়ত পদ্য, কাহিনী আদি লিখা, ছবি আঁকা, গীত গোৱা, নৃত্য কৰা, অভিনয় কৰা, আদি কামবোৰ কৰিলে নিজৰ সৃষ্টিশীলতা বাঢ়ে।
- আজৰি সময়ত কৰা ভ্ৰমণে বহুতো অভিজ্ঞতা লাভৰ সুযোগ দিয়ে।
- আজৰি সময়ত পৰিয়াল আৰু বন্ধু-বান্ধৱীৰ সৈতেও সময় কটাব লাগে। এনে কৰিলে মানুহৰ মাজত সম্পৰ্ক মধুৰ হয় আৰু একতাৰ ভাব জাগে।
- গছপুলি ৰোপণ কৰি লালন-পালন কৰিব লাগে। এনে কামৰ জৰিয়তে পৰিৱেশ সেউজীয়া কৰি ৰাখিব পাৰি। গছপুলি ৰোপণ কৰি গছৰ লগত বন্ধুত্ব স্থাপন কৰিব পাৰি।

আজৰি সময়বোৰ অবাৰত নষ্ট কৰিব নালাগে। আজৰি সময়ত প্ৰয়োজনীয় আৰু ভালপোৱা কামবোৰ কৰিব লাগে। তেনে কৰিলে আমাৰ সময়বোৰ ভালদৰে অতিবাহিত হয়। যিসকল মানুহে আজৰি সময়ক ভালদৰে কামত খটুৱায়, তেনে মানুহেই জীৱনত উন্নতি আৰু সফলতা লাভ কৰে।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে আজৰি সময়ত কৰিব পৰা বিভিন্ন কাম, যেনে— গছপুলি ৰোৱা, কিতাপ-পত্ৰ পঢ়া, মাটিৰে বস্তু গঢ়া, অভিভাৱকক ঘৰুৱা কামত সহায় কৰা আদি কামবোৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিব। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক আঙুলিৰ মূৰত ৰং লগাই কাগজত ছাপ মাৰি বিভিন্ন নমুনা প্ৰস্তুত কৰিবলৈ শিকাব। তদুপৰি শিক্ষকে অতীতত আৰু বৰ্তমানত খেলা খেলৰ বিষয়ে ক'ব। ইয়াৰ লগতে খেলৰ নিয়ম আৰু কেনেধৰণৰ সাজ-পোছাক পিন্ধি খেলিব লাগে, সেই বিষয়ে আলোচনা কৰিব। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকৰ তত্ত্বাৱধানত খেলবোৰ খেলিব। যিসকল ছাত্ৰ-ছাত্ৰীয়ে খেলত যোগদান নকৰে তেওঁলোকক খেল নিৰীক্ষণ কৰিবলৈ দিব।



## অনুশীলনী

১। উত্তৰ লিখা—

(ক) তুমি জনা অসমৰ এগৰাকী খেলুৱৈৰ নাম আৰু তেওঁ খেলা খেলবিধৰ নাম।

(খ) তুমি জনা এখন শিশু আলোচনীৰ নাম।

(গ) তুমি পঢ়া এখন সাধুপুথিৰ নাম।

২। শুদ্ধ উত্তৰটোত '✓' চিন দিয়া—

(ক) আজৰি সময়ত কৰা কামে মনত আনন্দ দিয়ে/নিদিয়ে।

(খ) আজৰি সময়ত কৰা ভ্ৰমণৰ যোগেদি বহুতো কথা শিকিব পাৰি/নোৱাৰি।

(গ) পুথিভঁৰালৰপৰা কিতাপ আনি ঘৰত পঢ়িব নোৱাৰি/পাৰি।

৩। খালী ঠাই পূৰ কৰা —

(ক) সময়বোৰ অবাবত ............................................ কৰিব নালাগে।

(খ) বাতৰি কাকত পঢ়ি দেশ-বিদেশৰ বহুতো ............................. জানিব পাৰি।

৪। দলত আলোচনা কৰি তলত দিয়া বিষয়কেইটাৰে দুটাকৈ বাক্য লিখা —

(ক) খেল-ধেমালি (খ) বাতৰি কাকত (গ) ৰেডিঅ'

৫। শব্দ শৃংখলটোত থকা দহবিধ খেলৰ নাম বাছি উলিয়াই ○ চিনেৰে ঘেৰ দিয়া আৰু নামবোৰ বহীত লিখা—

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| কা | বা | ডী | ঙ | লু | থ | হ | ভ |
| খ | গ | ল | ণ | ডু | স | কী | লী |
| পা | ৰ | পা | নী | চ | লু | ঝ | ব |
| ঘ | ঙ | ঢ | ম | ৰ | কা | ঞ | ল |
| ফু | ট | ব | ল | য | ভা | দ | ধ |
| চ | ট | ভ | দ | য | কু | বা | ঘ |
| জ | না | ও | খে | ল | ঠ | খে | ৰ |
| ভে | কু | লী | জা | প | ড | ল | ব |



## প্ৰাকৃতিক দুৰ্যোগৰ ভয়াৱহতাৰ পৰা হাত সাৰিবলৈ প্ৰস্তুতি

E3T7G1


ভূমিকম্প হোৱাৰ সময়ত—



মুকলি ঠাইত থাকিলে শুই পৰিব লাগে।



ঘৰৰ ভিতৰত থাকিলে বিছনা বা মেজৰ তলত আশ্ৰয় ল'ব লাগে।



বিদ্যালয়ৰ ভিতৰত থাকিলে বেঞ্চ বা মেজৰ তলত আশ্ৰয় লৈ খুঁটাত খামুচি ধৰি থাকিব লাগে।

**বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ**







পানীয়েই জীৱৰ প্ৰাণ। পানী অবিহনে আমি জীয়াই থাকিব নোৱাৰোঁ। সেয়েহে, আমি সকলোৱে যথাযথভাৱে পানী ব্যৱহাৰ কৰা উচিত।





বৰষুণৰ পানী সংৰক্ষণ কৰিও আমি পানীৰ অভাৱ দূৰ কৰিব পাৰোঁ। আমি আমাৰ বিদ্যালয় আৰু ঘৰত বৰষুণৰ পানী সংৰক্ষণ কৰা উচিত।

পৰিয়ালৰ সদস্য, বন্ধু-বান্ধৱ আৰু ওচৰ-চুবুৰীয়াকো পানীৰ সদ্ব্যৱহাৰ আৰু সংৰক্ষণৰ বাবে উৎসাহিত কৰোঁ আহা।



বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ